স্থাপিত : ১৯৬৪ ইং

# বিহলঙ্গিনী

অভ্যাস অদায় জয়

সাহিত্য সংখ্যা ॥ ১৯৮১ মে'

॥ সম্পাদক ॥ শ্রীমহেশচন্দ্র দেবগোস্বামী



REFERENCE COPY
( NOT FOR ISSUE )
Mahesh Chandra Dev Goswami Library
Acc. No. 30536
Date 29/10/07
Nowgong Girls' College

# বিহলঙনি

## সাহিত্য সংখ্যা

১৯৮১, মে'

॥ বিশেষ সংখ্যা ॥

উনবিংশ শতিকাৰ অসমীয়া সমাজ আৰু সংস্কৃতি

॥ সম্পাদক ॥

শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী

● প্ৰচ্ছদপট ●

উনবিংশ শতিকাৰ অসমীয়া চিত্ৰকলাৰ নিদৰ্শন আইভেটি নসত্ৰৰ শশধৰ আতা অঙ্কিত "পাৰিজাত হৰণ নাট"ৰ এখনি ফলি। ব্লক ড° নৱেন কলিতাৰ সৌজন্যত।

॥ প্ৰকাশক ॥

বিহলঙনি কাৰ্যালয়
পোঃ অঃ - বিহলঙনি
নগাওঁ – ৭৮২ ০০২

॥ মুদ্ৰণ ॥

পুথিঘৰ প্ৰেছ, নগাওঁ

॥ মূল্য ॥

পাঁচ টকা ( কেঁচা বন্ধা )
আঠ টকা ( পকা বন্ধা )

যোৱাটো শতিকাৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ বিষয়ে আলোচনাৰ এক বিস্তৰ থল এতিয়াও পৰি আছে। আমাৰ আলোচনীৰ এই সংখ্যাটিয়ে যদি তাত কণমানো বৰঙনি যোগাব পাৰে, তেনেহলে কৃতাৰ্থ মানিম। সহৃদয় লেখকসকলৰ বহমূলীয়া প্ৰবন্ধখিনিৰ বাহিৰেও ইয়াত বিষয়টোৰ আলোচনাৰ বাবে প্ৰয়োজনীয় কেতবোৰ প্ৰাথমিক সমলবো ( যেনে জেনকিঞ্চৰ বিৱৰণ, মিশ্যনেৰীৰ সাক্ষ্য, ব্ৰাউনৰ পাতনি, ঢেকিয়াল ফুকনৰ নথি) যোগান ধৰা হৈছে।

এইটো এটা বৰ কৌতূহল জগাব পৰা শতিকা। বৰ্ণনাৰ বাবে মনলৈ আহে কেৱল এষাৰ কথাই ঃ It was the best of times, it was the worst of times......(ডিকেঞ্চ)। এই শতিকাই দেশ-বিদেশ, পুৰণি-নতুন, অসূয়া-মানৱতা এন্ধাৰ-পোহৰৰ সংগম কাল। লাহে লাহে জৰাজীৰ্ণ পুৰণি শাসনৰ ঠাই লৈছে সাতসাগৰ তেৰ নদীৰ সিফালৰ বিদেশী বণিকে। আভ্যন্তৰীণ কন্দলৰ বিভীষিকাৰ মাজতো দেখা যায়, সংস্কৃতিৰ মণিকূটত কোনোবাই নীৰৱেই এগছি বন্তি জ্বলাইছে ( স্মৰণিকা দ্ৰষ্টব্য )। এই কাল সম্ভাৱনাৰ।

হয়তো এই সম্ভাৱনাই আমাৰ সাম্প্ৰতিক প্ৰেৰণাৰ উৎস।

লেখকসকললৈ কৃতজ্ঞতা জনোৱাৰ লগতে বহুতো প্ৰবন্ধ সময়মতে নোপোৱাত আমি প্ৰকাশ কৰিব নোৱাৰি দুখীত। পুথিঘৰ প্ৰেছে কম সময়ৰ ভিতৰতে ছপা কাম কৰি দিয়াত আমি শলাগ লৈছোঁ।

শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী

SOUL
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College
S(4) A (St-2)

# ॥ সূচী-পত্ৰ ॥


জেনকিন্সৰ দিনলেখাত উনবিংশ শতিকাৰ অসম ॥ ১ ॥

উনবিংশ শতিকাৰ অসমীয়া সমাজ আৰু মানসিকতা ঃ মিশ্যনেৰীৰ সাক্ষ্য ॥ ১০ ॥

উনবিংশ শতিকাৰ যুগসন্ধিত অসমীয়া সমাজ আৰু সংস্কৃতি ॥ ২১ ॥
ড° সৰ্ব্বেশ্বৰ ৰাজগুৰু

উনবিংশ শতিকাৰ শিক্ষা ব্যৱস্থা ॥ ২৭ ॥
নন্দ তালুকদাৰ

উনবিংশ শতিকাৰ অসমৰ চিত্ৰকলা ॥ ৩৪ ॥
ড° নবেন কলিতা

মিশ্যনেৰীৰ অসমীয়া চৰ্চ্চা ॥ ৪৭ ॥
ড° প্ৰফুল্লদত্ত গোস্বামী

অসমীয়া ভাষাৰ বিষয়ে ড° নেথন ব্ৰাউন ॥ ৫০ ॥

আনন্দৰাম ঢেকিয়াল ফুকনৰ আৰ্থ-সামাজিক চিন্তা আৰু তাৰ পটভূমি ॥ ৫৩ ॥
ৰঞ্জিত নাৰায়ণ ডেকা

আনন্দৰাম ঢেকিয়াল ফুকনৰ ঘৰুৱা নথি ॥ ৬২ ॥

হেমচন্দ্ৰ বৰুৱাৰ "হেমকোষ'ৰ গুৰুত্ব ॥ ৬৩ ॥
বিশ্বেশ্বৰ হাজৰিকা

গুণাভিৰাম বৰুৱা ঃ সমসাময়িক অসমীয়া সমাজ আৰু সাহিত্যত ॥ ৬৯ ॥
যোগেন্দ্ৰ নাৰায়ণ ভূঞা

কাউৰী আৰু শিয়াল ॥ ৭৭ ॥
বলদেৱ মহন্ত

টকৰুৰ তাৎপৰ্য ॥ ৮০ ॥
ব্ৰজেশ্বৰ শৰ্ম্মা

চন্দ্ৰকুমাৰৰ "বীণ-বৰাগী" এটি বিশ্লেষণ ॥ ৮২ ॥
ড° উপেন্দ্ৰ নাথ গোস্বামী

স্মৰণিকা ঃ আমাৰ উনবিংশ শতিকা ॥ ৮৭ ॥

দূৰৈৰ পৰা অসমৰ সংস্কৃতি-সূৰ্য্যৰ এচেৰেঙা ॥ ৯৮ ॥
মহেশ্বৰ নেওগ

দুখন নক্সা ঃ ৮০ চনৰ ॥ ১০৬ ॥
অতুল চন্দ্ৰ হাজৰিকা

আমাৰ বিচাৰ হব ॥ ১০৮ ॥
ইদ্ৰিছ আলি


—)০(—


REFERENCE COPY
( NOT FOR ISSUE )
30536/04
KOHA
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College


# জেনকিন্সৰ দিনলেখাত উনবিংশ শতিকাৰ অসম

[ ফ্ৰেন্সিচ জেনকিন্স ১৮৩৪ চনৰ পৰা ১৮৬১ লৈ অসমৰ কমিশ্যনাৰ পদত আছিল। ১৮৩২ চনত গৱৰ্ণৰ-জেনেৰেল ৱিলিয়ম বেণ্টিঙ্কৰ নিৰ্দ্দেশ ক্ৰমে তেওঁ আৰু পেম্বাৰটনে কাছাৰ, মনিপুৰ আৰু খাচীয়া পাহাৰকে ধৰি গোটেই উত্তৰ-পূব অঞ্চলৰে জৰীপ কাৰ্য্য চলায়। কমিশ্যনাৰ হিচাপে স্বাভাৱিকতে তেওঁ চকু ৰাখিছিল এটা কথালৈ ঃ কোম্পানীৰ লাভৰ খাটিৰতে অসমত বৃটিছ শাসন গজগজীয়া কৰিব লাগে। অসমত চাহখেতি প্ৰবৰ্ত্তনৰ ক্ষেত্ৰত ব্ৰুচভ্ৰাতৃদ্বয়ৰ লগতে তেওঁৰ অৱদানো লেখত ল'বলগীয়া। অসমলৈ আহি চাহ উদ্যোগ আৰম্ভ কৰিবৰ কাৰণে বৃটিছ পুজিপতিসকলক তেওঁ প্ৰেৰণা যোগাইছিল বিভিন্ন ধৰণেৰে ঃ সস্তৰ ভূমিনীতিৰ সংস্কাৰেই সেইবোৰৰ ভিতৰত অন্যতম। আকৌ, তেওঁৰে অনুৰোধত আমেৰিকান বেপ্টিষ্ট মিশ্যনৰ ডঃ নেথন ব্ৰাউন আৰু ওলিভাৰ কট্টাৰে ১৮৩৬ চনৰ মাৰ্চ মাহত শদিয়াত তেওঁবিলাকৰ এটি কেন্দ্ৰ স্থাপন কৰিছিলহি। উনবিংশ শতিকাৰ অসমৰ ভালেমান জনহিতকৰ কাৰ্য্য ( যেনে শিক্ষা-সম্প্ৰসাৰণ ) ৰ সৈতেও জেনকিন্সৰ নামটো প্ৰায় ওতঃপ্ৰোত ভাবে জড়িত।

তেওঁ কৰি যোৱা টোকাবোৰ সেয়েহে উনবিংশ শতিকাৰ অসমৰ বিষয়ে যি কোনো গৱেষণাৰ বাবে প্ৰাথমিক সমল স্বৰূপ। এই বিশেষ সংখ্যাত আমি পাঠকসকললৈ বিনম্ৰভাবে আগবঢ়াইছোঁ জেনকিন্সৰ সেই আপুৰুগীয়া দিনলেখা ( JOURNAL OF A TOUR IN UPPER ASSAM, 1838 ) ৰ কেইটিমান গুৰুত্বপূৰ্ণ অংশৰ অসমীয়া অনুবাদ। উজনি অসম ভ্ৰমণৰ বিষয়ে এই দৈনন্দিন টোকাবোৰ তেওঁ চৰকাৰৰ উৰ্দ্ধতন মহললৈ বিভিন্ন সময়ত পঠাইছিল। কিন্তু এইবোৰ যেন মূলতঃ ব্যক্তিগত ৰচনাহে, এনে ভাব হয়। চৰকাৰী ৰচনাৰ ঠাঁচ তাত নাই, বাক্যবোৰো অসম্পূৰ্ণ, চুটিচুটি

( elliptical ), আৰু কেতিয়াবা প্ৰায় ব্যাকৰণ-বিৰোধী । ব্যৱহৃত পাদটীকা সকলো জেনকিন্সৰে,—সম্প্ৰতি আমাৰ সুবিধাৰ বাবে নতুনকৈ নম্বৰ দি লোৱা হৈছে কেৱল । টোকাসমূহৰ ইংৰাজী প্ৰতিলিপি এটি ড° নবেন কলিতাৰ সৌজন্যত পোৱা হৈছে । —সম্পাদক ]

## উজনি অসমত বেহাবেপাৰ

### গমিৰি মৌজা ঃ ২০ জানুৱাৰী, ১৮৩৮

এডোখৰ সাৰুৱা অঞ্চলত সিচৰিত হৈ থকা কেইখনমান গাওঁ লগ লাগি গমিৰি মৌজা হৈছে । বিকানিৰৰ পৰা অহা এজন বুধিয়ক কেঞ্চাই (১) আজি তিনিবছৰে ধৰি এই মৌজা চলাই আছে । এওঁ কৰ-আদায়ৰ বাহিৰেও বেহা-বেপাৰো বেছ ভাল দৰেই চলাই আছে । এওঁৰে তত্ত্বাবধানত থকা ৰঙাশালিকে ধৰি এই খণ্ডৰ জমা হ'ল ৪২৩ টকা । কেঞ্চাজৰে ডফলাৰ অত্যাচাৰৰ বিষয়ে বৰ ওজৰ আপত্তি দৰ্শাই কৈছে যে আমি এই দেশ অধিগ্ৰহণ কৰাৰে পৰা এই অঞ্চলত থকা পহৰাদাৰী চিপাহী আঁতৰাই দি ৰজাই ( পুৰন্দৰ সিংহ) এতিয়া গোটেই উত্তৰ পাৰবে নিৰাপত্তা নোহোৱা অৱস্থা কৰিলে । এইপাৰে মিলিটেৰী-পুলিচ একো নাই, থানা এখনো নাই । (২) আনহাতে আকৌ ৰজাৰ চিপাহীও এই অৱস্থাত একো কামত নাহে—তেওঁলোকৰ খাৰ-বাৰুদ প্ৰায় নাথাকেই । তদুপৰি, ৰায়ত সকলেই যিহেতু চিপাহীক খুৱাব-মেলাব লাগে, আৰু চিপাহীয়েও বছৰি ৯ টকা কৰ ৰেহাই পোৱাৰ বাহিৰে আন একো বেতন নাপায়—সেয়ে ৰজাৰ চিপাহী হৈয়াত দিয়াটো বাঞ্ছনীয়ও নহয় । কেঞ্চাই কৈছে যে তেওঁ চাৰিদুৱাৰৰ

১। "In conversation with the Kanyah (কেঞ্চা) regarding Assam he said I have been from one end of India to the other and I never saw a country like this. The sand produces gold, the Jungles gold alluding to Lac and Moongah Silk and the Hills gold means Munjeet and the soil grows everything."

২। সম্প্ৰতি মৌজাৰ খাজানা তোলা দায়িত্বত থকা মানুহজনৰ অধীনতে লক্ষীমপুৰত নামমাত্ৰ থানা এখন হৈছে ।



(৩) হাটতো ৩০৯ টকাৰ খেতি কৰে । কিন্তু ঠিক হিচাপতে কৰ দি থকা সত্ত্বেও তেওঁক হেনো সমুদায় অঞ্চলৰ খেতিৰ পৰা বঞ্চিত কৰা হৈছে । চাউলৰ বাহিৰে সকলো দ্ৰব্যতে টকাটোৱে প্ৰতি এঅনাকৈ কৰ দিব লাগে ।

কেঞ্চাগৰাকীয়ে যোৰহাটত মাৰোৱাৰী ব্যৱসায়ী ৬০ জন হ'ব বুলি হিচাপ এটা দিলে, কিন্তু লগতে ক'লে যে এই সকলোবোৰ লোকেই ৰজাৰ শাসনত বিৰক্ত হৈ এই ঠাই এৰি যোৱাৰ কথাই গুণাগঁথা কৰি আছে । কেৱল উজনি অসমত আমি কিবা এটা ঘাটি পাতোঁনেকি, তাৰ বাবেই বৈ আছে । এনে কিবা হোৱা যেন পালেই তেওঁলোক তালৈ উঠি যাব ।

কেঞ্চাই তেওঁৰ মৌজাৰ বেহাবেপাৰৰ হিচাপটো এনেভাৱে দিলে ঃ

#### ৰপ্তানি

মজাঠি……… ৩ টকা মোন হিচাপে……… ২ ৰ পৰা ৩০০ মোন
মুগা………… ৪ টকাসেৰ হিচাপে………… ৩ মোন
চাউল……… ॥০ মোন হিচাপে…… …… ১,০০০ মোন
ম'ম………… ২০ টকা মোন হিচাপে……… ২ মোন
সৰিয়হ (Surson*) ……১॥০ মোন হিচাপে… ২ বা তিনি মোন ।
( *উৎকৃষ্ট জাতৰ এবিধ সৰিয়হ, হিন্দীত সৰচোঁ বোলা হয় )

#### আমদানি

লোণ … … … … ১০ টকা মোন হিচাপে … … … … ৪০০ মোন
কানি … … … … ৩ অনা তোলা হিচাপে … … … … ২ মোন
লো … … … … … … … … … … ……

পাচৰ দুবিধ সামগ্ৰী তলত দিয়া ধৰণেৰে অন্যান্য সামগ্ৰীৰ সৈতে বিনিময় ( barter ) কৰা হয় ঃ

১ সেৰ নিমখৰ সৈতে … … ৩ সেৰ মজাঠি
১ সেৰ নিমখৰ সৈতে …… … ৩ সেৰ ম'ম
১ সেৰ ঐ …… ১৫ সেৰ সৰিয়হ

৩। চাৰিদুৱাৰ অঞ্চলটো এফালে সীমান্তৰ পৰা আনফালে সোৱণশিৰিৰ উপনৈ সুন্দৰীৰ ( ? ) উত্তৰলৈকে বিস্তৃত ।

| | | |
|---|---|---|
| ১ সেৰ নিমখৰ সৈতে | ......... | ৪ তোলা মুগা |
| ১ তোলা কানি | ......... | ৩ তোলা ঐ |
| ১ ঐ ঐ | ...... | ১৫ সেৰ সৰিয়হ |
| ১ ঐ ঐ | ......... | ১৫ ঐ চাউল |

## কলংপুৰ ঃ ২১, ২২ জানুৱাৰী, ১৮৩৮

......... কলংপুৰ বা বৰগোহাক্ৰিৰ জিলাৰ বেহাবেপাৰৰ হিচাপটো এনেধৰণেৰ দিয়া হৈছে ঃ

### ৰপ্তানি

| | | | | |
|---|---|---|---|---|
| মজাঠি | ........ | ৩ টকা মোন হিচাপে | ......... | ৩০০ মোন |
| চাউল | ......... | ।।০ টকা ঐ ঐ | ......... | ৪,০০০ " |
| ম'ম | ......... | ২০ টকা ঐ ঐ | ......... | ১ বা ২ " |
| সৰিয়হ | ...... | ৸০ ঐ ঐ | ......... | ২,০০০ " |
| মুগা | ......... | ৪ টকা সেৰ হিচাপে | ......... | ৩ " |

### আমদানি

| | | | | |
|---|---|---|---|---|
| নিমখ | ......... | ১০ টকা মোন হিচাপে | ......... | ৫০০ মোন |
| কানি | ......... | ৩ অনা তোলা হিচাপে | ......... | ৩ মোন |
| লো | ......... | ১০ টকা মোন হিচাপে | ...... | ১০ মোন |
| ধপাত | ......... | ১০ টকা ঐ ঐ | ......... | ৪ মোন |
| ৰুদ্ৰাক্ষ | ....... | ২০ বা ৪০ টকা হিচাপে | ......... | |

## নাৰায়ণপুৰ ঃ ২৩ জানুৱাৰী ১৮৩৮

..... সোলেঙীৰ উত্তৰৰ পৰা মৰনৈৰ উত্তৰলৈকে জুৰি থকা এই জিলা বৰপাত্ৰগোহাক্ৰিৰ—তেওঁৰে হৈ জিলাখন চলায় কলাবাৰীৰ বাসিন্দা, বুধিয়ক আৰু নিৰ্জ্জু গড়ুৰ মহেশ্বৰ বৰুৱা নামেৰে এজন মুক্তিয়াৰে। জমাৰ প্ৰসঙ্গত তেওঁ ৫০০ টকাহে থকা বুলি কয়; কিন্তু আন মানুহে মোক কোৱা মতে তেওঁ ৬০০ ৰ পৰা ৭০০ টকা পৰ্যন্ত। ........ মোক কোৱা মতে বৰপাত্ৰগোহাক্ৰিৰ তলত থকা জিলাৰ বেহাবেপাৰ হ'ল ২০০ মোন লোণ, ২ মোনৰ পৰা ানৈ কানি, আৰু ৫ মোনৰ পৰা ১০ মোনলৈ লো আৰু ৰুদ্ৰাক্ষ মালা আমদানি।



### ৰপ্তানি

| | | |
|---|---|---|
| মজাঠি | .................... | ১০০ মোন |
| মুগা | ........................ | ৫ ৰ পৰা ৬ মোন |
| চাউল | ........................ | ২,০০০ মোন |
| ম'ম | ........................ | ৫ ৰ পৰা ৬ মোন |
| সৰিয়হ | ........................ | ১,০০০ মোন |

## মাজুলী, ৩০ জানুৱাৰী, ১৮৩৮

......ৰংপুৰলৈ বুলি মাজুলীয়েদি খোজ ললোঁ। প্ৰথমে গভীৰ অৰণ্য ভেদ কৰি আহি এখন সৰু গাওঁ পালোঁ ঃ মানুহবোৰে পাটৰ কাপোৰ বয়— তেওঁলোকৰ ঘৰৰ চৌপাশে অসমত এই প্ৰথম দেখিলোঁ নুনিগছৰ ( Mulberry ) খেতি। সেই গাৱঁৰ ওচৰে-পাজৰে থকা দ্বীপটোৰ আন আন গাৱঁৰ পুৰণি এৰাবাৰীবোৰত আমি বহু পৰিমাণে নুনি আৰু গজি অথা সৰিয়হৰ খেতি দেখা পালোঁ। আমাৰ বাটৰ আধাচোৱাই আছিল হাবিয়লিয়া, বন আৰু গছেৰে ভৰা কাষে কাষে সৰিয়হৰ খেতি। পিচত ব্ৰহ্মপুত্ৰৰ এটি নাও মেলিব পৰা জান পালোঁ। কিন্তু বাট ভটীয়নিহে, উজনিৰ বাট বন্ধ কৰি দিয়া হৈছে। এই জান পাৰ হ'বৰে পৰা আমি প্ৰধানকৈ বিস্তৃত গাওঁ আৰু ধানখেতিৰ মাজেৰেই বাট বুলিবলৈ আৰম্ভ কৰিলোঁ। সম্প্ৰতি আমি এঠাইত শিবিৰ পাতিছোঁ। দক্ষিণে এখন গাওঁ; উত্তৰলৈ এডৰা সুন্দৰ ঘাঁহনি। এই দ্বীপটো অতি উৰ্ব্বৰ যেন লাগিছে, আৰু ই অসমৰ সকলো ধৰ্ম্মগুৰুৰে এক প্ৰধান ধাম। তেওঁলোকে পৰিদৰ্শন নকৰাকৈয়ে ঠাইখন বাচি লৈছিল সেই কথাই ইয়াৰ উৰ্ব্বৰতাৰ কথাকে সূচায়। বিশেষকৈ ইয়াৰ বাঁহগছবোৰে প্ৰকাণ্ড আকাৰ ধাৰণ কৰাৰ কথাটোৰেই ঠাইখনৰ উৰ্ব্বৰতাৰ প্ৰমাণ। গাওঁবোৰত কিন্তু উন্নতিৰ চিন নাই—আধাআধি এৰাপৰলীয়া যেন লাগিছে। এতিয়া ইয়াত

থকা-খোৱাৰ কথাটো লৈয়েই মহা বিপাঙত পৰিছোঁ ।

## ৰংপুৰ জয়সাগৰ, ২ ফেব্ৰুৱাৰী ১৮৩৮

... খেতিপথাৰৰ মাজে মাজে আহি আমি এই ঠাই পালোঁ । এই ঠাই অধিগ্ৰহণৰ পাচত বিষয়াসকল থাকিবলৈ যি বঙলা সজা হৈছিল. তাতে সম্প্ৰতি মই আছোঁ – গড় (fort) টো ইয়াৰ পৰা এমাইল উত্তৰে । এই পুখুৰীটোৰ চৌপাশে সেই গড়টোলৈকে তেতিয়া এখন লানিনিছিগা গাওঁ আছিল । এতিয়া কিন্তু মই পুখৰীৰ পাৰৰ পৰা চাব পৰালৈকে কেউফালে মাথোঁ দেখিছোঁ লতপহীয়া বন জঙ্ঘল । ...আমাৰ কাৰণে কয়েদীবোৰে ঠাইখিনি চাফ চিকুণ কৰি আছিল । সেইখিনি গৈ পোৱাত মোৰ ওচৰলৈ সদলবলে আহি মোক সিহঁতৰ ওজৰ-আপত্তিবোৰৰ কথা ক'বলৈ ধৰিলে । সিহঁতক কেৱল পিন্ধা কাপোৰ আৰু ধানহে দিয়া হয় । ধান নিজেই বানি ল'ব লাগে । তাৰ পৰা ওলোৱা চাউল এসেৰেই যি, লগত আৰু একো দিয়া নহয়— আনকি নিমখ অকণো । সিহঁতে মোক কলে, আজি এবছৰ আগতেই সিহঁতৰ ৬০ জন ইয়ালৈ আহিছিল, এতিয়া ৪০ জনহে মাথোন বাচি আছে । গড়বোৰ সিহঁতৰ নিচলা ঃ শিঙৰিঘৰ সাজিবলৈ (ৰাজ-অভিষেক পৰ্ব্ব এতিয়াও উদ্‌যাপিত হ'বৰ নৌ ) সিহঁতক পঠিওৱা হৈছিল । ...আবেলি দুৰ্গৰ প্ৰাসাদলৈ (৪) গলোঁ ঃ কোনো কালেই হয়তো একো আপদাৰ নোপোৱা এক বিপুল বৈভৱৰ দুৰ্দ্দশা । ইটাৰে গঁথা প্ৰাচীৰৰ দেৱাল আজি বিধ্বস্তপ্ৰায় । গড়ৰ দক্ষিণে আছিল অন্য এক আবেষ্টনী—ৰংঘৰ ঃ এটা সভাগৃহ, দুই তলাৰ পৰা তলৰ ৰংধেমালি চাবৰ বাবে দুখন ধেনুভিৰীয়া খিলান, দুয়ো ফালে বাৰান্দা থকা এটা ৪০´-২২´ ৰ মাজৰ খোটালি । গোটেইটো চালে অসমীয়াৰ ই এক অদ্বিতীয় নিৰ্ম্মাণ---ইটা-চুকীৰ অৱশেষ এওঁলোকৰ নিচেই তাকৰীয়া, আৰু গৃহনিৰ্ম্মাণ (architecture) ত তেওঁলোকৰ নিপুণতা কম আছিল বুলি তাৰ পৰা ধৰিব পাৰি । ৰাজঅভিষেকৰ বাবে সজা ঘৰবোৰ নিকৃষ্ট বিধৰ; কিন্তু সেয়েই তাত কাম কৰা মানুহবোৰৰ সকলো দুখযাতনাৰ মূল—চলি অহা ধৰণেৰেই তেওঁলোকে তাৰ বাবে কৰহে ৰেহাই পাব আন একো বেতন নাপায় । ৰংঘৰৰ পৰা আমি আধাডজন মান জুপুৰীঘৰৰ মাজৰ এটি আলিৰে পাব হৈ

৪। মোৰ বোধেৰে এইটো ৰুদ্ৰসিংহই সজা হ'ব ।



আহিলোঁ । ৰংপুৰ নগৰ দিখৌৰ পাৰতে শেষ হৈছে । এই পাৰে খেতিবাতি একো নাই, কিন্তু নৈখনৰ সিপাৰে এখন সৰু গাওঁ আৰু খেতিবাতি আছিল । গাওঁখনৰ পাচত আন এটা ডাঙৰ পুখুৰী (যাক সাগৰ বোলা হয়) ৰ পাচত কেইটামান মঠৰ মুধচ দেখা গৈছিল । এই পুখুৰীকেইটাৰ পাঁচটা বা ছটা (৫) আন আৰু একো সকামৰ বাবে নহয়, কেৱল ৰজা আৰু ৰাণী (যি সকলে এইবোৰ খন্দাইছিল) ৰ নামবোৰ যুগমীয়াকৈ ৰাখিবৰ বাবে কৰা হৈছিল । আমি সম্প্ৰতি যিটোৰ পাৰত আছোঁ, সেইটো অৱশ্যে সকলোতকৈ ডাঙৰ নহয়—কিন্তু ইয়েই ৩০০ পুৰা অঞ্চল জুৰি বিস্তৃত হৈ থকা বুলি কোৱা হৈছে, আৰু প্ৰকৃততে তাতকৈ কম হ'ব নালাগে । পানীৰ উপৰিভাগত এতিয়াও ঘাঁহবন একো নাই, আৰু পানীও পৰিস্কাৰ । পাৰৰ ফাললৈ বাম, কিন্তু মাজলৈ বেছ দ—৬০ ফুটৰ কম নহ'ব । পুখুৰীৰ দুটা পাৰে দুটা মন্দিৰ । এটা শিল-বালিৰে সজা, আৰু উপৰিভাগ গোটেই খোদাই কৰা—মই দেখা অসমৰ সকলো মন্দিৰৰ ভিতৰত বৃহত্তম আৰু চিকোণ-ঠাঁচৰ । আকৃতিৰ ফালৰ পৰা কোনো সন্দেহ নাই যে প্ৰাসাদ আৰু এই মন্দিৰবোৰ কোনো হিন্দুস্থানী কাৰিকৰে সজা । প্ৰমাণ হিচাপে মই এইখিনি উনুকিয়াব খোজোঁ ঃ ডাঙৰটো মন্দিৰৰ উপৰিভাগৰ গোটেই পাদদেশত খোদিত আবেষ্টনীৰ মাজৰ চিকাৰৰ প্ৰতিকৃতিত তিনি হাল নে চাৰি হাল চোৱাৰী উট আৰু গৰুগাড়ী আছে — — এইবোৰ অসমীয়া মানুহৰ বাবে আচহুৱা । নিজৰ দেৱদেৱীলৈ উচৰ্গা কৰি আপোন খিয়াতি ৰাখি থৈ যোৱাটোৱেই এই ওচৰা-উচৰিকৈ থকা বৃহদাকাৰ পুখৰীবোৰ খন্দাৰ একমাত্ৰ সাম্ভাব্য কাৰণ হ'ব পাৰে । এনেবোৰ অযথা কামৰ বাবে ইমান প্ৰচুৰ শ্ৰম অপব্যয় কৰাটোত আমি দুখ পাইছোঁ নিশ্চয়—কিন্তু অতিকৈ আচৰিত

৫। সাগৰকেইখনৰ নাম এনেকুৱা হ'ব—

| | | | |
|---|---|---|---|
| ১ | Jye Sagur | — Dug | by Rudro Sing |
| ২। | Goree Sagur | — Dug | by Sivah Sing |
| ৩। | Uthai Sagur | — ,, | by Luchmi Sing |
| ৪। | Siriah Sagur | — ,, | by a queen of Siwah Singh Phoolessurree |
| ৫। | Luchmi Sagur | — ,, | by Ralloo Burputtra Gohain |
| ৬। | Messaghur | — ,, | by Purmuttur Sing |

হৈছোঁ, এই প্ৰকাণ্ড কামবোৰ হাতত ল'বৰ বাবে অতি সহজ ভাৱেই অনুমতি দিয়া অসমৰ সেই বৃহৎ জনগোষ্ঠীটোৰ কথা ভাবি। যোৱাকালি নিচেই পুৱাতে আমি এলানি প্ৰাচীৰৰ (৬) কাষেদি আহিলোঁ—আমাক কোৱা হৈছিল যে পাহাৰমালাৰ পৰা এই প্ৰাচীৰ একেবাৰে নদীলৈকে বিস্তৃত (প্ৰকৃততে গোটেইবোৰ প্ৰাচীৰতে একে কথাই খাটে)। পশ্চিম আৰু দক্ষিণলৈ গড়েৰে সৈতে এইটো আছিল এক প্ৰকাণ্ড মথাউৰী। কি কাৰণত সাজিছিল নাজানোঁ, কিন্তু প্ৰদেশখনৰ অন্যান্য ঠাইতো প্ৰায় সদায়েই এনে প্ৰকাণ্ড প্ৰকাণ্ড প্ৰাচীৰৰ শাৰী দেখিবলৈ পোৱা যায়—এতিয়ালৈকে পুখুৰীবোৰতকৈও বৃহদাকাৰৰ। আজি চমু কৰোঁ বুলি আমি যোৰহাট-ৰংপুৰ ৰবপথেৰে আহিছিলোঁ কিন্তু যিমানখন হাবি-জঙ্ঘল, আৰু মাজে মাজে ইমান ভগা-ছিগা, যে শেষত আমি পথৰুৱা বাটকে ল'লোঁ। আৰু আমি অহা সেইবাটো সমানেই বেয়া আছিল। আমাৰ বাট আছিল বৰ-আলিৰ দক্ষিণ, আৰু আমি ভাবোঁ ৰংপুৰৰো দক্ষিণফালে, পাহাৰৰ পৰা অহা এটা বিৰাট বঁকিয়া অৱশেষৰ লগে লগে। পাহাৰৰ পৰা কাঠ অনাৰ সুবিধাৰ বাবে হেনো এই ৰাস্তা নিৰ্মাণ কৰা হৈছিল। ইয়াৰ কাষেদিয়ে আহি আমি ৰংপুৰ পালোঁ। এতিয়ালৈকে আমি দক্ষিণপাৰৰ যিখিনি মাটি অতিক্ৰম কৰি আহিছোঁ, সেয়া আগেয়ে আমি পোৱা উত্তৰপাৰৰ ৰজাৰ কৰতলগত মাটিতকৈ সম্পূৰ্ণ বেলেগ। সেয়া বৰ কুমলীয়া মাটি আছিল, আৰু তিনিমাহৰ লেঠেৰিনিছিগা খৰাং বতৰ সত্বেও মাটিৰ উপৰিভাগ নাঙলৰ বাবে ঠিক হিচাপতে কুমলীয়া হৈয়েই আছিল— আৰু প্ৰকৃততে সাধাৰণভাৱে নাঙল চলোৱা আৰম্ভও হৈছিল। কিন্তু এইপাৰে মাটি হ'ল একেবাৰে লোহাৰ দৰে টান, বগা চগৰা—ফাটি টুকুৰা টুকুৰ হৈ সেয়া সৰু সৰু ঘন বৰ্গক্ষেত্ৰ (cubes) ত পৰিণত হয়। পুৱাৰ নিয়ৰত মাটিৰ উপৰিভাগ পিচল হৈ পৰাৰ বাবে খোজকঢ়াটো বিৰক্তিৰ, ঘোঁৰাত উঠাটো মাৰাত্মক। ইয়াত ফুৰামেলা কৰাটোৰেই অপ্ৰীতিকৰ। গতানুগতিক-ভাৱেই ইয়াতো মোক বহু লোকে আঙুৰি ধৰি মৃত আৰু দেশ এৰি যোৱা লোকৰ হৈয়ো কৰ দিব লগা হোৱা কথাটোলৈ ওজৰ-আপত্তি কৰে। অন্যান্য লোকৰ ভিতৰত ৰজাৰ হাতীৰ বাবে ঘাঁহ কটা

৬। চিন্তামণিগড় (Seetamaoneghur) নামে জনাজাত। মুছলমানক (Mahometans) বাধা দিবলৈ জয়ধ্বজসিংহই (Jeidiy Sing) গড়টো সাজি উলিয়াইছিল।



কেইজনমানে ক'লে যে ঘাঁহ নেকাটিলে তেওঁলোকে ডবল কৰ দিব লাগে, আৰু ঘাঁহ কাটি নেখাই মৰিব লাগে। তেওঁলোকৰ কৰও বাকীবোৰৰ দৰেই—পাইকে প্ৰতি তিনি টকা। এতিয়া আমাৰ দেশত ব্যক্তিগত কৰ উঠাই দিয়া হৈছে! আৰু বৰসেনাপতিয়ে লগোৱা লঘু বিধৰ কৰৰ পাচত আৰু আমাৰ চাহবাগিছাত, কিম্বা বিষয়া-সকলৰ তাত বা শদিয়াৰ মিশ্যনেৰী সকলৰ তলত ইমান বেচি দৰ্মহা পাই থকা লোকৰ সৈতে ৰজাই আৰু তেওঁৰ দেশত পাইকপ্ৰথা সৰহ দিন চলাই ৰখাটো টান হৈ পৰিবগৈ। আৰু যি পৰিবৰ্তন সম্প্ৰতি আহিব ধৰিছে, সিয়েই এই ৰজাক আৰু অসুবিধাত পেলাব -

মিঃ গ্ৰিফিথে মোৰ দিনটোৰ এই বিবৰণৰ তলতে এইখিনি কথা সুমুৱাই দিছে—

অজি দুই-তিনি মাহ আগতে স্থাপন কৰা ৰংপুৰ থানাখন এইদৰে গঠন কৰা হৈছে ঃ

১ জন দাৰোগা, প্ৰতি বছৰে ........................ ৪০ টকা
১ জন জমাদাৰ, যি
কাৰাগাৰৰো জমাদাৰ, প্ৰতি বছৰে............ ১০ টকা
১ জন মহৰী.................. ঐ .................. ২২ টকা
২ জন বৰকণ্ডাজ............ ঐ ................ ৮ টকা
২ জন পিয়দা ............... ঐ ................ ৬ টকা।

তেওঁলোকে নগদ হিচাপে টকা একো নাপায়, কিন্তু পাইক (লিগচৌ)ৰ দৰেই মাটি আৰু কৰ-ৰেহাই ভোগ কৰি কাৰ্য্যতঃ ওপৰৰ হিচাপৰ টকা পায়।

—০০—

# উনবিংশ শতিকাৰ অসমীয়া সমাজ আৰু মানসিকতা ঃ মিশ্যনেৰীৰ সাক্ষ্য

[উনবিংশ শতিকাৰ অসমীয়া সমাজ, অসমীয়া মানুহৰ দৃষ্টিভঙ্গি, বিশ্বাস আৰু চিন্তাধাৰাৰ বিষয়ে জানিবলৈ হলে আমেৰিকান বেপ্টিষ্ট মিশ্যনেৰীসকলৰ লেখাৰ ওপৰত বিশেষভাবে নিৰ্ভৰ কৰিব লগীয়া হয়। মিশ্যনেৰীসকলে তেওঁলোকৰ লেখাসমূহৰ মাজে মাজে অসমীয়া সমাজৰ আচাৰ-বিচাৰ, মানুহৰ বিচিত্ৰ আচৰণ আৰু লোক-বিশ্বাসসমূহৰ ফালে ভুমুকি মাৰি চাইছে আৰু সেইবোৰৰ চিত্তাকৰ্ষক বিবৰণ দাঙি ধৰিছে। ইয়াত দুগৰাকী মিশ্যনেৰীৰ লেখাৰ পৰা অসমীয়া সমাজ আৰু মানসিকতাৰ বিষয়ে কিছু পৰিচয় দিয়া হ'ল। মিশ্যনেৰী দুগৰাকীৰে প্ৰথম গৰাকী নেথন ব্ৰাউন শতিকাৰ প্ৰথমাৰ্দ্ধত অসমলৈ আহিছিল আৰু দ্বিতীয় গৰাকী মিল্‌ড্ৰেড্‌ মাৰ্চটন আহিছিল শতিকাৰ শেষৰ ফালে। নেথন ব্ৰাউনৰ লেখাসমূহ গোটাই তেওঁৰ পত্নী এলিজা ব্ৰাউনে "The Whole World Kin" নামৰ গ্ৰন্থখন লেখি উলিয়াই ১৮৯০ চনত ফিলাডেল্‌ফিয়াৰ পৰা প্ৰকাশ কৰে। মাৰ্চ্‌টনে অৱশ্যে তেওঁ লেখা "Korno Siga" (কৰ্ণছিগা=কাণফটা) নামৰ কিতাপখন ১৮৮৯ চনতে ফিলাডেলফিয়াৰ পৰা প্ৰকাশ কৰে। গ্ৰন্থখনৰ আগকথাত J. M. Hyot-এ লিখিছে যে গ্ৰন্থখনত মিশ্যনেৰীৰ কৰ্ম আৰু অভিজ্ঞতাৰ বাস্তৱ বৰ্ণনা আছে যদিও "the persons acting appear under assumed instead of their real names." (পৃঃ ৭)।

দুয়োখন গ্ৰন্থৰে টোকাসমূহ ড° নবেন কলিতাৰ সৌজন্যত পোৱা গৈছে।]

## ॥ নেথন ব্ৰাউনে দেখা পোৱা উমানন্দ ॥

গছ-গছনি আৰু এটা মন্দিৰেৰে সুশোভিত উমানন্দ দেখিবলৈ



বৰ শুৱনী। বনৰীয়া ম'ৰা চৰাই আৰু বান্দৰৰ আশ্ৰয় স্থল। পুৰোহিতসকলে ইহঁতক বৰ পবিত্ৰ জীৱ বুলি ভাবে। দেশখন ইংৰাজে লোৱাৰ পিচৰ পৰা ভালেমান বছৰ ধৰি চৰকাৰে ইয়াত থকা বিপুল কলেৱৰৰ এটা বৃদ্ধ বান্দৰক মাহেকীয়া বিশ টকা পেন্সন দি ভৰণ-পোষণ দি আছিল। (পৃঃ ১২০)

## ॥ ১৮৩৮ চনৰ ৩ অক্টোবৰ ॥

আজি সন্ধিয়া চন্দ্ৰগ্ৰহণ, প্ৰায় পূৰ্ণগ্ৰাসেই। এনে ঘটনাক খিলঞ্জীয়া মানুহখিনিয়ে বিপদৰ অমঙ্গলীয়া চিন বুলি ভাবে। চন্দ্ৰ-গ্ৰহণনো কেনেকৈ হয়, এই বিষয়ে তেওঁলোকৰ কোনো ধাৰণা নাই। তেওঁলোকে ধৰি লয় যে ৰাহু নামৰ দৈত্য এটাই চন্দ্ৰক গিলি পেলায়। সেয়ে এই দৈত্যটোক ভয় দেখুৱাই আঁতৰাই পঠাবলৈকে তেওঁলোকে আটাহ পাৰে আৰু ঢবা-কাঁহ আদি বজায়। (পৃঃ ১৬৬)

## ॥ কানি ভূত ॥

কেবা বছৰো ধৰি আমাৰ মালী হিচাপে এজন গোড়া বৃদ্ধ হিন্দু মানুহে কাম কৰি আছিল। মানুহজন বহু দিনৰ পৰা অসুখত ভুগি আছিল আৰু শুকাই-খীনাই জঁকাটোৰ লেখীয়া হৈছিল। এদিন সি ঘৰৰ ভিতৰলৈ সোমাই আহিল। তাৰ গাত কঁপনি, মুখখন ভেঙুচীয়া, বিষত গাটোও বেঁকা হৈছে। বুকুৰ মাজলৈ হাতকোচাই কলে যে তাৰ গাত ডাইনী লম্ভিছে আৰু সোনকালে সি মৰি থাকিব। ডাইনীয়ে খাই প্ৰায় শেষেই কৰিছে, মাথোন কুটাডাল হেন হৈ কোনোমতে আছে। এবছৰৰ ভিতৰতে প্ৰলাপ বকি বকি সি মৰি থাকিল। ডাইনীজনী আচলতে কানিহে। (পৃঃ ১৬৭)

## ॥ শিৱসাগৰ পুখুৰী আৰু পদব্ৰজে ব্ৰাউনৰ অসম ভ্ৰমণ ॥

প্ৰতিটো শীতত ইয়াত (শিৱসাগৰ পুখুৰীত) আশ্ৰয় লবলৈ বনৰীয়া ৰাজহাঁহবোৰ আহে। মিঃ ব্ৰাউনে এইবোৰৰ বিষয়ে বৰ আগ্ৰহৰে বক্তব্য আগবঢ়াব পাৰে। ইহঁতক কেতিয়াও গুলীওৱা নহৈছিল। হিন্দুসকলে ভাবে যে পুখুৰীৰ পানী যিহেতু শিৱৰ কাৰণে

পবিত্ৰ, গতিকে তেওঁৰ চৰাই-চিৰিকতি বধ কৰাটো নিশ্চয় পাপ হ'ব।

অৱশ্যে স্থানীয় মানুহে এইটোও বিশ্বাস কৰে যে পুখুৰীত চৰি থাকোঁতে ইহঁতক বধ কৰাটো সম্ভৱো নহয়। পুখুৰী বা মন্দিৰটোৰ পবিত্ৰতা নষ্ট কৰাৰ ফল স্বৰূপে ইংৰাজ, বঙালী আৰু ব্ৰাহ্মণ আদি বহু মানুহ অতি কষ্ট ভোগ কৰি মৃত্যুৰ মুখত পৰা বুলি অনেক আখ্যানো শুনিবলৈ পোৱা যায়।

আনুমানিক ১৭২২ চনত ৰজা শিৱসিংহই এই পুখুৰীটো খন্দাইছিল। বৰষুণৰ পানী এৰাই চলিবলৈকে একেটা খৰালি কালতে ইয়াক খান্দি সম্পূৰ্ণ কৰিছিল। শুনিবলৈ পোৱা মতে এই কামত দহ লাখ মানুহ নিয়োগ কৰা হৈছিল আৰু ইহাত সিহাতকৈ মাটিৰ পাচি কঢ়িয়াব পৰাকৈ মানুহবোৰক শাৰী পাতি কামত লগোৱা হৈছিল। পুখুৰীৰ মাটিৰেই চাৰিওফালৰ ঢাপটো হৈছিল আৰু সেইটো এটা ৰাস্তা হৈ পৰিছিল। তাত চাৰিওফালে গড়খাৱৈ দি ঘেৰি দিয়া হৈছিল। গড়খাৱৈটোৱেই বাহিৰৰ পুখুৰী। গোটেই কামটো ( পুখুৰীটো ) চৌকোণীয়া বৰ্গক্ষেত্ৰতকৈ সামান্যহে পৃথক। ভিতৰ পুখুৰীটোৰ বেৰ প্ৰায় দুমাইল হ'ব, পৃষ্ঠভাগ ১১৪ একৰ আৰু দ বিশৰ পৰা চল্লিশ ফুটৰ ভিতৰত। ( পৃঃ ২১৯ । )

ভালেমান স্থানীয় মানুহে মিশ্যনেৰীসকলক লগ পাবলৈ ধৰিলে। এওঁলোকৰ নতুন শিক্ষা কি, সেইবিষয়েও পুৰোহিতসকলে প্ৰশ্ন কৰিবলৈ ধৰিলে। এদিনাখন এখন পঢ়াশালিৰ ব্ৰাহ্মণ লৰাখিনি আহিল। পুৰোহিতৰ বগা পোছাককে সিহঁতে পিন্ধি আহিছিল। বিদেশী পাদুৰীয়ে সিহঁতক গোলফটো দেখুৱাইছিল আৰু বিস্ময়কৰ মন্তব্য দি কৈছিল যে পৃথিৱীখন বল এটাৰ দৰেই ঘূৰণীয়া আৰু কোনো ঢোকা নোহোৱাকৈ মহাকাশত ওলমি থাকে। তেওঁ যেতিয়া বগা মানুহে বাস কৰা ভৱিৰ তলফালে থকা দেশবোৰৰ কথা কৈছিল আৰু বিশেষকৈ জাহাজত উঠি তলফালে থক্য অপৰূপ মহাসাগৰৰ লুণীয়া পানীৰ অকণো ঢোলোকনি নোখোৱাকৈ বিৰাট ঢৌ ভাঙি অহাৰ আশ্চৰ্যজনক বিৱৰণ দিছিল, তেতিয়া সিহঁতে তেওঁক উপকথাৰ ৰাজকোঁৱৰ বুলিয়েই ভাবিছিল। ( পৃঃ ২২১ )

কেতিয়াবা কেতিয়াবা সমাজৰ ওপৰ শ্ৰেণীৰ মানুহো ব্ৰাউনৰ ওচৰলৈ আহিছিল। আনতকৈ এওঁলোকে প্ৰবল বিৰোধিতা কৰিছিল, আনকি অপবিত্ৰ হোৱাৰ ভয়ত বিধৰ্মীৰ কিতাপ-পত্ৰ চুবলৈকো নুখুজিছিল। অৱশ্যে বুদ্ধিমত্তা থকা দুই এজন ব্ৰাহ্মণে নতুন তত্ত্বোৰৰ বিষয়ে আলোচনা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। ( পৃঃ ২২৪ । )



এবাৰ এজন মুছলমান লোকে শালগ্ৰাম এটা আনি ব্ৰাউনক দিছিলহি। ব্ৰাউনে সেইটো নিজৰ চ'ৰাঘৰত টেবুল এখনতে থৈ দিছিল। ব্ৰাহ্মণ পণ্ডিত এজনে ব্ৰাউনৰ এই কাৰ্য দেখা পাই তেওঁৰ মৃত্যু অৱশ্যম্ভাৱী বুলি ভয় দেখুৱাইছিল। ( পৃঃ ২২৬-৭ )।

১৮৪২ চনৰ জুন মাহৰ ২২ তাৰিখে ব্ৰাউনৰ জন্মদিন। এতিয়া তেওঁৰ বয়স ৩৫ বছৰ হ'ল। সেই চনৰে ২৫ অক্টোবৰৰ দিনাখন এজন মিৰি লোকক ফাঁচীকাঠত তোলা হৈছিল। ফাঁচীৰ আগদিনাখন ব্ৰাউনে তাক চাবলৈ গৈছিল। মানুহটোৱে বৰকৈ কান্দিছিল। ( পৃঃ ২৩০ )

ইতিমধ্যে এটা উত্তেজনামূলক ঘটনা ঘটিল। মিঃ চি— এজন ইংৰাজ ডাক্তৰ, তেওঁ অলপতে এই দেশ পাইছিলহি। তেতিয়াও তেওঁ হিন্দুৰ ধৰ্মীয় অনুভূতিৰ শক্তি আৰু আৱেগৰ কথা জনা নাছিল। তেওঁ কেণ্টনমেণ্টৰ ভিতৰতে গৰু এটা কাটিলে। চিপাহীসকল প্ৰথমতে আতঙ্কিত হ'ল আৰু উন্মত্ত হৈ পৰিল। কিয়নো সাধাৰণ মানুহ এজনক মৰাতকৈয়ো এইটো বেচি দেবস্বাপহাৰক পাপ কাম আছিল। সিহঁতে ( চিপাহীবোৰে ) উন্মত্ত দল হৈ তেওঁৰ ঘৰ ঘেৰাও কৰিলে। তেওঁ জীৱন বচাবলৈ বাধ্য হৈ পলাব লগীয়া হৈছিল। ইয়াৰ পিচত এদিন পোন্ধৰ-বিশজনমান মানুহে লাখুটিৰে সু-সজিত হৈ বাটত খাপ দি থাকি তেওঁক বৰ বেয়া ধৰণে মাৰকিল কৰিলে। চিপাহীসকল বৰ্তমান এনেদৰে উত্তেজিত আৰু আয়ত্তৰ বাহিৰ হ'ল যে মিঃ চি—বাধ্য হৈ সপৰিয়ালে পুখুৰীৰ ( শিৱসাগৰ ) পাৰলৈ স্থানান্তৰিত হ'ব লগা হ'ল। নহলে তেওঁক পুনৰ আক্ৰমণ কৰিব পাৰে।

দেশখনত এই নিৰীহ জীৱজাতিক ( গৰুক ) উপযুক্ত শুশ্ৰূষা কৰিবলৈ যি অভাৱ দেখা গৈছিল, তাকেই মাথোন ভক্তিৰে পূৰা কৰা হৈছিল। স্থানীয় লোকসকলে গৰুক 'আই' আৰু 'বোপাই' বুলি ভাবে। কিয়নো তেওঁলোকে ভাবে যে তেওঁলোকৰ কোনো স্বৰ্গগত আত্মীয়ৰ আত্মাই এই গোজাতিৰ দেহত ঠাই লৈ আছেহি। গতিকে গোবধীক পাপী বুলি অমঙ্গলৰ কাৰণ হিচাপে ভাবে। (পৃঃ ২৩৫-৬)

কথাৰ মূৰত ব্ৰাহ্মণ এজনে কলে যে পৃথিৱীখন আঠোটা হাতীয়ে ধৰি আছে আৰু হাতীকেইটা এটা ডাঙৰ সাপৰ আঠখন ফণাত উঠি আছে। সাপটো এটা কাছৰ পিঠিত আছে। তেতিয়া ব্ৰাউনে সুধিলে যে কাছটো কাৰ ওপৰত থাকে ? অৱশেষত ব্ৰাউনে

পৃথিৱীৰ সিটো ফাল অৰ্থাৎ তেওঁলোকৰ ভৰিৰ তলফালে থকা আমেৰিকাৰ কথা কলে আৰু কেনেকৈ ভাৰতলৈ আহিল বুজাই দিলে। ব্ৰাহ্মণজনে বৰ আচৰিত মানিলে। (পৃঃ ৪৩-৫)।

গোহাইসকলে ব্ৰাউনক বৰ আন্তৰিকতাৰে আদৰিছিল। কিন্তু গোসাঁইসকলে হলে বগা বৰ্ণৰ ছাঁকে নসহিছিল। তথাপি এবাৰ মোৱামৰাৰ গোসাঁইঘৰলৈ যাব পাৰিছিল। গোসাঁইজনাই তেওঁ দিয়া কিতাপ-পত্ৰ লৈছিল আৰু দুৱাৰ মুখৰ পৰাই দেখা দি অকণমান সময় বৈ কথা পাতিছিল। চাহাবক কল আৰু অলপ গাখীৰ দিবলৈ লিগিৰীহঁতক নিৰ্দেশ দি তেওঁ ভিতৰলৈ সোমাই গৈছিল। গোসাঁইজনৰ বয়স সম্ভৱ ৮০ বছৰমান হ'ব। গোসাইৰ লিগিৰাই চাহাবক অলপ বেয়া পাইছিল, কিয়নো চাহাবে গোসাঁইক নিয়ম মতে 'ঈশ্বৰ' বুলি সম্বোধন কৰা নাছিল। (পৃঃ ২৫০)।

ব্ৰাউনে প্ৰাচীন টাই-নীতি মানি চলা মানুহৰ ঘৰলৈকো গৈছিল ঃ "শলগুৰি আলিৰ গাওঁবোৰলৈ গৈছিলোঁ। দেখি আচৰিত হৈছিলোঁ যে ইয়াত বহুসংখ্যক দোৱনীয়া বা পুৰণি আহোম লোকে এতিয়াও নিজৰ পুৰণি ৰীতি-নীতি, যেনে— চাননকলৰ দৰে ওখ ঘৰ আৰু মূল ভাষাৰ জ্ঞান অটুট ৰাখিছিল। তেওঁলোকে অসমীয়া পঢ়িব নাজানিছিল। কিন্তু প্ৰাচীন টাই ধৰ্মৰ বিষয়ে লেখা নিজৰে গ্ৰন্থ আছিল।" (পৃঃ ২৫১)

হিন্দুসকলৰ কাৰণে এইটো বৰ তাৎপৰ্য্যপূৰ্ণ কথা যে সিংহল দেশখন কোম্পানীৰ আমোলত থাকিব পাৰে বুলি তেওঁলোকে কেতিয়াও বিশ্বাস কৰিব নুখুজিছিল।[১] (পৃঃ ২৫২)

১৮৪৪ চনৰ ডিচেম্বৰ মাহত ব্ৰাউন মধ্য আৰু নামনি অসমত এক বিস্তাৰিত ভ্ৰমণৰ কাৰণে ওলাল। তেওঁ শিৱসাগৰৰ পৰা গুৱাহাটীলৈকে দুশ মাইল পথ প্ৰায়ে খোজকাঢ়িয়েই ভ্ৰমণ কৰিছিল। দলটোত তেওঁ, নিধি লেবি আৰু আঠোটা কুলি আছিল। দিখৌৰ পথেৰে ১৪ তাৰিখ শনিবাৰে যাত্ৰা আৰম্ভ কৰিছিল। স্বাস্থ্য বেয়া কাৰণে নিধিয়ে ঘোঁৰাত উঠি গৈছিল। তেওঁলোকে দিনে ২০ / ৩০ মাইল অতিক্ৰম কৰিছিল। (পৃঃ ২৫৩)

যাত্ৰাৰ পিচত দেওবাৰে প্ৰথম তেওঁলোক বৈছিল গৈ নামডাঙৰ শিলসাঁকোৰ ওচৰত এখন মাছমৰীয়া গাৱঁত। পিচদিনা যোৰহাটৰ ফালে বাট বুলিছিল। বাটত ছশ-সাতশমান কুলিয়ে ঘাই পথছোৱা

* ১। সিংহল বা লঙ্কা যিহেতু ৰাৱণৰ ৰাক্ষসৰ দেশ !



মেৰামতি কৰি থকা পাইছিল। বুধবাৰে গধূলিপৰত যোৰহাটত উপস্থিত হ'ল। যোৰহাটত কেইজনমান ব্ৰাহ্মণৰ সৈতে আলোচনাত বহিছিল। প্ৰসঙ্গত হিন্দুসকলে কৈছিল— "পৰমব্ৰহ্ম সৃষ্টিৰ প্ৰতিটো বস্তুতে আছে। যত জীৱ-জঙ্গম-কীট-পটঙ্গম— সকলোতে পৰমাত্মাৰ প্ৰকাশ। এইবোৰ জীয়াই থকা মানে তেওঁ চেতনা দি আছে, এইবোৰে চলা-ফুৰা কৰা মানে তেৱেঁই চলা চলা-ফুৰা কৰা, আৰু এইবোৰ মৃত্যু হোৱা মানে অন্তঃস্থ ঈশ্বৰে নিজৰ বাসস্থান পৰিৱৰ্তন কৰা।"

এদিনাখন তেওঁক চাবলৈ অহা কেইজনমান হিন্দুক ব্ৰাউনে এটা প্ৰিজম দেখুৱাইছিল। সেইটো তেওঁ খিৰিকীৰ ভগা কাচেৰেই সাজি লৈছিল। তাৰ ভিতৰত পানী ভৰাই দি তেওঁ ইন্দ্ৰধনু দেখুৱাইছিল বেৰতে। প্ৰিজমৰ পৰা সৃষ্টি হোৱা বৰ্ণালী বিশ্লেষণে হিন্দু ধৰ্মৰ অলঙ্কৃত চোকাত আঘাত হানিছিল।[২] (পৃঃ ২৫৪)

পিচত আন এদিনাখন ডেকা ৰাজকোঁৱৰক ৰামধেনুৰ বিষয়ে বুজাবলৈ নিধিক প্ৰিজমটো দি পঠাইছিল। কোঁৱৰে এখন আকাশবন্তি দি পঠাইছিল পাদুৰীলৈ। বন-জঙ্ঘলত ফুৰোঁতে সেইটো ভাগিব পাৰে বুলি পাদুৰীয়ে বিনম্ৰভাৱে ওভোটাই পঠাইছিল। (পৃঃ ২৫৫)

এদিন ধৰি খোজ কাঢ়ি তেওঁলোক আমগুৰি পালেগৈ। ঠাইখন আন এটা ঘাই পথ ঢোদৰ আলিৰ কাষত, অতি মনোৰম। পিচদিনা দেওবাৰে নিধিৰ সৈতে ব্ৰাউনে ওচৰৰ গাঁওবোৰত এপাক মাৰিলে। তেতিয়া পথাৰত ধান কাটি থকা কিছুমান মানুহে তেওঁলোকক দেখা পায়েই পলাই পটং দিলে। মানুহখিনিয়ে হয়তো ভাবিছিল তেওঁলোক কোনো বিষয়া হ'ব পাৰে আৰু বস্তু-বাহানি কঢ়িয়াবলৈ তেওঁলোকক কুলি ধৰিবলৈ আহিছে। (পৃঃ ২৫৬)

গোলাঘাট ঠাইখনত ধনশিৰি নদীৰ পাৰত নতুনকৈ পতা সৈন্যৰ ছাউনী আছিল। ইয়াতে নিধিৰ ঘোঁৰাটো বাঘে মাৰে। ইয়াৰ পিচত ধনশিৰি নৈৰ দক্ষিণ কূলেৰে তেওঁলোক আগবাঢ়িল। চাকৰ এজনে নধৰা হলে কলিয়নী জান পাৰ হওঁতে ব্ৰাউন মৰিলেই-হেঁতেন। তেওঁলোক আহি বোকাখাট পালেহি। ইয়াত এজোপা বৰ ডাঙৰ বটগছ আছিল। গছজোপাই ৬৩০ ফুট ঠাই আগুৰি

২। মিশ্যনেৰীসকলে হিন্দুধৰ্মৰ বিৰুদ্ধে নানা কাম কৰিছিল আৰু মানুহৰ মনত বিস্ময় জগাবলৈ ভেলিক-বাজি দেখুৱাইছিল। ইয়াৰ পৰা মিশ্যনেৰীসকলে আসুৰিক আনন্দ পাইছিল। এওঁলোকৰ চিন্তাচৰ্চাত বাস্তববুদ্ধি আছিল, কিন্তু হিন্দুৰ আধ্যাত্মিকতা নাছিল।

আছিল। ইয়াৰ এটা ডালৰ ধোন্দ এটাৰ ব্যাস ২১ ফুট হ'ব আৰু বাৰজন মানুহে ধুমুহা-বৰষুণত সহজে আশ্ৰয় লব পাৰে। (পৃঃ ২৫৮)

ব্ৰাউনৰ দল নগাঁও পালেহি (সোমবাৰ)। ইয়াৰ আগতে হাবিয়লীয়া বাট এৰি পুৰণি নগাঁৱৰ পৰা নতুন নগাঁৱলৈ এই দহ মাইল পথত লেথাৰিনিছিগা গাঁও।

"গুৱনী বুঢ়া গছবোৰে দুয়ো কাষৰ পৰা পথত ছাঁ পেলাইছে। ইয়েই গাঁওখন অসমৰ ভিতৰতে এখন ধুনীয়া গাঁও কৰি সজাইছে। অৱশ্যে নতুন কুঠীটো ঘন জন-বসতিৰ গাঁৱৰ পৰা কিছু আঁতৰত। ইয়াতে মৰমৰ ভাই-ভনী ব্ৰন্সনহঁতক সুস্বাস্থ্যত লগ পালোঁহি।"[৩]

ব্ৰাউনৰ পৰবৰ্তী ভ্ৰমণছোৱাত ব্ৰন্সন্ ডাঙৰীয়া নিজৰ হাতী আৰু তম্বুৰে সৈতে সহযাত্ৰী হ'ল। বিশাল নদীখনৰ (ব্ৰহ্মপুত্ৰ) উত্তৰ কূলেৰে নিম্ন ভূমিছোৱাৰে বাট বুলি কামৰূপ আৰু দৰঙত কৰা বিশ দিনৰ ভ্ৰমণ অতি লাভজনক হৈছিল। বিভিন্ন জনজাতিৰ চৰিত্ৰ, সামৰ্থ, ভাষা আৰু ধৰ্মৰ বিষয়ে বহু কথা শিকিব পাৰিলে। তেওঁলোকে দেখিবলৈ পালে যে নামনি অসমত প্ৰায় তিনি শৰ পৰা চাৰি শ মানৰ ভিতৰত ধৰ্ম্মীয় অনুষ্ঠান আছে আৰু সেইবোৰৰ ভূমি আৰু বংশানুক্ৰমিক অধিকাৰ আছে। খৃষ্ট ধৰ্ম আৰু সভ্যতা বিস্তাৰৰ ক্ষেত্ৰত এই অনুষ্ঠানবোৰ শক্তিশালী বাধা স্বৰূপ আছিল। এই অনুষ্ঠানবোৰক সত্ৰ বুলি কোৱা হৈছিল. পুৰোহিতজনক গোসাঁই আৰু অনুগত বা শিষ্যসকলক ভকত বোলা হৈছিল। শেষৰ মানুহখিনি দৰাচলতে সত্ৰৰ পৰম্পৰাগত দাস আছিল বুলিব পাৰি। এওঁলোকে মূল পুৰোহিতজনক দেৱতাৰ দৰে পূজা কৰিছিল। ধাৰণা কৰা মতেই গোসাঁইসকলে বিদেশী ধৰ্মৰ লোকৰ বিৰোধিতা কৰিছিল আৰু তেওঁলোকৰ পুৰণি বন্ধু ৰজাসকলৰ ৰক্ষনাবেক্ষনত উৎপীড়নো কৰিছিল। পৃঃ ২৬০)

---

৩। ১৮৪০ চনৰ ১৩ মাৰ্চত ব্ৰন্সনে জয়পুৰৰ পৰা নিজৰ কুঠী নগা পৰ্বতলৈ স্থানান্তৰিত কৰিছিল যদিও বেমাৰ-আজাৰ আৰু জন-জাতিৰ গণ্ডগোলৰ কাৰণে ১৮৪১ চনত নগাঁৱলৈ উঠি আহে। কেপ্তেইন গৰ্ডনৰ সহযোগত ইয়াত তেওঁ "Nowgong Orphan Institution" খন মুকলি কৰে। ব্ৰাউনৰ মতে এই স্কুলখনেই মিশ্যনেৰীৰ কাম-কাজৰ কাৰণে স্থায়ী আৰু গুৰুত্বপূৰ্ণ কেন্দ্ৰ আছিল। বৰ্তমান নগাঁও মিশ্যন ছোৱালী স্কুলখন পূৰ্বৰ অৰ্ফেন্ ইন্ষ্টিটিউটৰ অন্তিম ৰূপ।



কেৱল ধৰ্মৰ নামটোৱে অসমীয়া মানুহৰ ওপৰত বৰ প্ৰভাৱ পেলাইছিল। ধাৰ্মিকসকলে ৰুদ্ৰাক্ষৰ মালাত 'ৰাম-ৰাম-ৰাম' জপ কৰিছিল আৰু নিতৌ পাঁচ হাজাৰবাৰ ৰাম নাম জপ কৰিলে অতি ধাৰ্মিক হয় বুলি ভবা হৈছিল। অতি আচহুৱা বৈশিষ্ট্য হ'ল এইটোহে যে মুখত সেই পবিত্ৰ নাম লৈ থাকোঁতেই মৃত্যু হ'লে পোনপটিয়াকৈ স্বৰ্গলৈ যাব পাৰে বুলি ভাবিছিল আৰু উপাস্য দেৱতাৰ দূতসকলে দৈত্যৰ হাতৰ মুঠিৰ পৰা ৰক্ষা কৰিছিল বুলি ভাবিছিল।

গুৱাহাটী আৰু তেজপুৰৰ মাজত তেওঁলোকে কছাৰী গাওঁ পাইছিল। "এইটো বৰ দুখৰ কথা যে হিন্দুধৰ্মই অধিক ৰূপত বিস্তাৰ লাভ কৰাৰ আগতেই এই মনোযোগ আকৰ্ষণ কৰিব পৰা মানুহখিনিৰ (কছাৰী) মাজত সৰ্বশক্তি প্ৰয়োগ কৰি মিশ্যনেৰীৰ কাম কৰিবলৈ দৰঙত এজনো মিশ্যনেৰী নাছিল।" এওঁলোকে যি কোনো কিতাপ পঢ়িব পাৰিছিল। (পৃঃ ২৬১)।

দৰঙৰ এটা অংশ দৃষ্টিয়ে মণিব পৰালৈকে খেতিৰ পথাৰ আছিল। মাজীকুচিত (Majikhusi) ভালেকেইখন উন্নত কছাৰী গাওঁ আছিল। বিদেশীক চাবলৈ তাৰপৰা শ শ মানুহ আহিছিল। তেওঁলোকে পঢ়িব নাজানিছিল আৰু স্কুল পাতিলেও পঢ়িবলৈ আগ্ৰহ কৰা নাছিল। ব্ৰাউনে প্ৰিজমটো দেখুৱাই সিহঁতক আকৰ্ষণ কৰিবলৈ বিচাৰিছিল। প্ৰথমতে সিহঁতে ভয় খাইছিল, কিন্তু পিচলৈ একো বিপদ নহয় বুলি জানি দলে দলে চাবলৈ আহিছিল। (পৃঃ ২৬২)

দৰঙৰ পৰা ব্ৰাউনহঁত কামৰূপত সোমাল আৰু বৈদ্যৰ গড়ত এৰাতি থাকিল। ইয়াৰ পৰা যাওঁতে এদিন হঠাৎ মিশ্যনেৰীৰ গাড়ী এখন স্কুলৰ ওচৰত ৰ'ল। তাত ষাঠি কি সত্তৰজন ধুনীয়া লৰাই বঙলা মাধ্যমত দেশীয় শিক্ষা গ্ৰহণ কৰিছিল।

এদিন শনিবাৰে ৰাতি তেওঁলোক এখন ডাঙৰ সত্ৰৰ কাষত ৰ'ল। তালৈ বহুত মানুহ আহি প্ৰিজম্, গোলক, ঘড়ী আৰু একৰ্ডিয়ানখন চালেহি। তেওঁলোকে খৃষ্টধৰ্মৰ বিষয়ে অসমীয়াত লেখা কিতাপ নিবিচাৰি একৰ্ডিয়ানত বজোৱা বঙালী ভজন শুনিহে ভাল পাইছিল।

পিচদিনা গাওঁ অঞ্চলত ঘুৰি ফুৰি অহাৰ পিচত এজন গোসাঁয়ে ব্ৰাউনক মাতি নি তেওঁৰ ঘৰত থকা কৃষ্ণৰ পূৰ্ণাঙ্গ মূৰ্তি এটা দেখুৱালে আৰু কলে যে তেওঁৰ পৰিয়ালৰ তিৰোতাবোৰে বগা

মানুহ দেখা নাই কাৰণে তেওঁক চাব খুজিছে। হিন্দু নিয়মমতে উচ্চ বৰ্ণৰ তিৰোতাই বাহিৰলৈ ওলাই অহা নিয়ম নহয় কাৰণে মিশ্যনেৰীজনকে তালৈ নৈ যোৱা হৈছিল। এওঁলোককো তেওঁ একডিয়ান আৰু ঘড়ী দেখুৱালে। (পৃঃ ২৬৩)

তাৰ পৰা গৈ সোমবাৰে আবেলি হাজো পালে। ইয়াত ধৰ্মৰ নামত বেয়াকৈ কুকৰ্ম চলিছে। মন্দিৰৰ দেৱদাসীৰ সংখ্যা দুই বা তিনি হাজাৰৰ ভিতৰত হ'ব। (পৃঃ ২৬৪)

ৰাতিপুৱা সোনকালে উঠি হালোৱা জলপান খোৱাৰ আগতেই গুৱাহাটী পালোঁহি। ইয়াতে ১৮৪৫ চনৰ জানুৱাৰী মাহৰ ২৫ তাৰিখ শনিবাৰে গুৱাহাটী, নগাওঁ আৰু শিৱসাগৰ তিনিটা শাখা কৰি "The Baptist Church of Assam" গঠন কৰা হ'ল আৰু বাৰ্কাৰ ডাঙৰীয়াক গুৱাহাটী শাখাৰ পেষ্টৰ নিৰ্বাচিত কৰা হ'ল। (পৃঃ ২৬৫)

কলঙৰ পাৰে পাৰে আহি পহিলা ফেব্ৰুৱাৰীৰ দিনা নগাওঁ পোৱা হ'ল। ৩ ফেব্ৰুৱাৰীৰ দিনা আবেলি দুই বজাত এটা ভয়ানক ভূমিকম্প হ'ল। ৬ ফেব্ৰুৱাৰীৰ দিনা দুজন সহকাৰী পিটাৰ আৰু নিধিৰ সৈতে ব্ৰন্সন আৰু ব্ৰাউনে বাৰ মাইল জঙ্ঘল ভাঙি বৰদোৱা পালেগৈ। ...... ইয়াতে শিলত থকা শংকৰদেৱৰ পবিত্ৰ ভৰিৰ খোজ (পদশিলা) বৰ শ্ৰদ্ধাৰে উপাসনা কৰা হৈছিল। ভাৰৰীয়াৰ চোঁঘৰৰ লেখীয়া নামঘৰ এটাতে মিশ্যনেৰীসকলে ৰাতিটো কটালে। মূৰৰ ওপৰত দৈত্য-দানৱ, বাঘ-সাপ আদিৰ চোঁ-মুখা আদি পাতল পোহৰৰ মাজেদিয়েই চিনিব পৰা হৈছিল।

* * *

মাৰ্টটন ডাঙৰীয়ানীয়ে এদিন ৰাতি শিয়ালবোৰে শ বোৰ টানি হুলস্থূল কৰি থকা এটা ভয়াবহ পৰিবেশ দেখিবলৈ পাইছিল। এই প্ৰসঙ্গত এজন বূঢ়া চাহখেতিয়কে ধেমালিতে তেওঁক কৈছিল যে শ এটা পোৱাৰ পিচত শিয়ালে কি কয় তেওঁ বুজিছে নে নাই?

তেওঁ (বুঢ়াজনে শিয়ালৰ মাতৰ লগত তাল মিলাই) কলে যে শিয়ালটোৱে প্ৰথমতে সকলো শিয়ালক জনাই কয় – "Dead Hindoo–Dead Hindoo"। তেতিয়া ইবিলাক শিয়ালে কয় "Where ? Where ?" তেতিয়া প্ৰথমতে শটো দেখাটোৱে কয়— "Here, oh, here !"—এইদৰে কৈ থকা শুনি মই আচৰিত হৈছিলোঁ যে সিহঁতৰ চিঞৰ-বাখৰবোৰ প্ৰকৃততে চাহ খেতিয়কজনৰ মাতৰ লগত একে হৈ পৰিছে।



মই অসম এৰাৰ আগতেই নদীত মৰা শ পেলোৱাটো চৰকাৰে বন্ধ কৰি দিয়া কাৰণে বৰ শান্তি পাইছোঁ। কিয়নো প্ৰত্যেকেই খোৱা এই নদীৰ পানীখিনি (অসমত কুঁৱা নাছিল) অন্ততঃ পবিত্ৰ হৈছে। অসমৰ নদীবোৰত ঘঁৰিয়াল ভৰি থাকে, ইয়াৰে বহুতে মানুহ খায়। অসমত বছৰি বহুতো স্থানীয় মানুহক ঘঁৰিয়ালে ধৰে। তথাপি এই বিপদ সত্বেও মুনিহ-তিৰোতা আৰু ল'ৰা-ছোৱালীয়ে সদায় নদীতেই গা ধোৱে। (পৃঃ ৪৩)

পৃথিবীত এনে কোনো অন্য মানুহ নাই, যি অসমীয়াৰ দৰে ভূতৰ দ্বাৰা পীড়িত হয়। মুখ লগাটো এনে এটা দৈত্য যি অহৰ্নিশে মানুহলৈ জুমি চাই থাকে। সেই কাৰণে ইয়াৰ পৰা আঁতৰত থাকিবলৈ বহুতো উপায় উদ্ভাৱন কৰি লোৱা হৈছে। খাবৰ সময়ত এজন অসমীয়া মানুহলৈ চোৱা অনুচিত, কিয়নো মুখ লগোৱা ভূতটোৱে মানুহজনৰ চকুৰ মাধ্যমেৰে চাব পাৰে আৰু আহাৰ আৰু খাওঁতাজনক অভিশপ্ত কৰিব পাৰে। অসমীয়া মানুহৰ খোৱাৰ মজিয়াখন থকা কোঠালিটোৱেই হৈছে আটাইতকৈ অন্ধকাৰ ঠাই আৰু মানুহৰ দৃষ্টিৰ পৰা আঁতৰত। কেঁচুৱাটো ধুনীয়া বুলি অসমীয়া তিৰোতা এজনীক কোৱা অনুচিত। নহলে ভূতটোৱে শুনিলে তাক মাৰি পেলাব পাৰে। ·· এজনী অসমীয়া মাতৃয়ে সদ্য জন্মা নিজৰ কেঁচুৱাটোক যতমানে পাৰে জঘন্য নামেৰে মতা মই শুনিছিলোঁ। তাই এনে ব্যৱহাৰ কৰাৰ কাৰণ আছিল যাতে ভূতটোৱে কেঁচুৱাটো নিব পৰাকৈ উপযুক্ত নহয় বুলি ভাবে। ল'ৰা-ছোৱালীক বেয়া নাম দিয়াৰ কাৰণো এইটোৱেই। কেইবাটাও ল'ৰা-ছোৱালী হেৰুৱাই এজন মানুহে শেষৰ সন্তানটোক "ঘিণ" নাম দিছিল আৰু ই জীয়াই আছিল। মানুহজন খৃষ্টান হোৱাৰ পিচতো তেওঁৰ সেই বিশ্বাস যোৱা নাছিল।[৪]

৪। এনে বদ্ধমূল বিশ্বাস এৰিব নোৱাৰাৰ উদাহৰণ এই শতিকাতো পোৱা হৈছে। এবাৰ নগাঁও লোকেল ব'ৰ্ডৰ নিৰ্বাচনৰ সময়ত বাগানত কাম কৰা এদল বনুৱাক লৈ খৃষ্টধৰ্ম প্ৰচাৰকৰ তৰ্ক হৈছিল। বনুৱাখিনিও নকৈ খৃষ্টান হৈছিল। কিন্তু তেওঁলোকে কালিপূজা এৰা নাছিল। লোকেল ব'ৰ্ডৰ নিৰ্বাচনৰ কামত নগাঁৱৰ বিশিষ্ট নাগৰিক শ্ৰীমোহন চন্দ্ৰ মহন্ত ডাঙৰীয়া সেইফালে যাওঁতে দলটোৰ পৰা তেখেতক আপত্তি দৰ্শোৱা হৈছিল এই বুলি— "খৃষ্টান হলোঁ বুলি নিজৰ ধৰ্ম এৰিব পায়নে ?"

অসমীয়া মানুহে আন্ধাৰ ভয় কৰিছিল আৰু কেঁচুৱাক আন্ধাৰত অকলে নথৈছিল। মোৰ কেঁচুৱাটো অন্ধাৰত শুৱাই থোৱা দেখি এজনী মানুহে কৈছিল— "হায়, হায়, মেম লোগ ভূতৰ কথা ন জানে।" ( পৃঃ ৪৫-৮ )

কলেৰাক আটাইতকৈ বেয়া আৰু ভয়াবহ ভূত বুলি বিশ্বাস কৰা হৈছিল। দিনে-ৰাতিয়ে এই ভূত ঘূৰি ফুৰে আৰু যাকে মন যায় তাকে মাৰে। গাৱঁত কলেৰা লাগিলে বেমাৰৰ নামটো ফুচ-ফুচাইহে কোৱা নিয়ম। বহুতে আকৌ "আচলটো" (Great One) বুলিহে কয়। ( পৃঃ ৪৯ )

আমাৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ অহা পাহাৰীয়া ছোৱালীহঁতৰ ভিতৰত এজনী চকচকীয়া মৰম লগা ছোৱালীও আছিল। তাইক আমি কাছে বুলি মাতিছিলোঁ। তাই প্ৰথমতে গা-ধুব নুখুজিছিল। কিয়নো গা-ধোৱা সিহঁতৰ নিয়ম নহয়। এদিন লেখিকাৰ আহল-বহল দাপোনত হঠাৎ তাই নিজক দেখিবলৈ পালে আৰু তাত এটা বনৰীয়া জন্তু থকা বুলি চিঞৰি দিলে। এই সুযোগতে লেখিকাই তাইক বঢ়াই-বুজাই গা-ধুবলৈ পঠালে। গা-ধুই আহি তাই মূৰ ফনিয়ালে আৰু দাপোনত তাইৰ নিজৰ ধুনীয়া চেহেৰা দেখিবলৈ পালে। তাৰ পিচৰ পৰাহে তাই গা-ধুবলৈ ধৰা হ'ল। ( পৃঃ ১০০-৩ )

অসমৰ হিন্দুসকল দুৰ্ঘোৰ ধোৰাঁখোৱা মানুহ। মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী সকলোৱে ধপাত আৰু তামোল খায়। প্ৰাপ্তবয়স্ক প্ৰায় লোকেই ভিন ভিন ভাবেই কানি খায়। প্ৰায় অৰ্বাচীন কাললৈকে পাহাৰীয়া মানুহ কানি আসক্ত নাছিল আৰু খৃষ্টান দেশবোৰে নিশিকোৱালৈকে অসমীয়া মানুহেও পানীয় হিচাপে ব্ৰেণ্ডি খাব নাজানিছিল। পাহাৰীয়া মানুহে ভাতৰে কৰা লাউপানী খায় প্ৰতিদিনেই ; কিন্তু কেতিয়াবাহে মতলীয়া হোৱা দেখা যায়। ( পৃঃ ১২৮ )

অসমীয়া মাইকী মানুহবিলাক লাহৰী আৰু শুৱনী। তেওঁলোকে মৰম লগা আকৰ্ষণীয় বস্ত্ৰ বৰ ভাল পায়।

—oo—

# উনবিংশ শতিকাৰ যুগসন্ধিত অসমীয়া সমাজ আৰু সংস্কৃতি

ডঃ সৰ্ব্বেশ্বৰ ৰাজগুৰু

(১)

উনবিংশ শতিকাটো অসমীয়া সমাজ আৰু সংস্কৃতিৰ কাৰণে আছিল আন এটা যুগসন্ধি। একোটা জাতিৰ জাতীয় জীৱনৰ সন্দৰ্ভত বিশেষ তাৎপৰ্য্যপূৰ্ণ বুলি পৰিগণিত হ'ব পৰা কেইবাটাও তাৎপৰ্য্যপূৰ্ণ ঘটনাৰ কাৰণে এই শতিকাটো অসমীয়া জাতীয় * জীৱনৰ কাৰণে উল্লেখযোগ্য। সেই ঘটনাকেইটা হৈছে ভাৰতৰ আন আন ৰাজ্যৰ দৰে অসমতো ঘটা ৰাজনৈতিক তথা প্ৰশাসনীয় পৰিবৰ্ত্তন, অৰ্থাৎ অসমৰ পূৰ্বৰ স্বতন্তৰীয়া আহোম শাসনৰ ঠাইত বৃটিছ শাসন প্ৰবৰ্ত্তন। অৱশ্যে ভাৰতৰ আন আন ৰাজ্যতকৈ অসমলৈ এই পৰিবৰ্ত্তন বা বৃটিছ শাসন পাছতহে আহিছিল। সি যি নহওক, এইটোৱেই আছিল আমাৰ অসমীয়া সমাজ তথা ভাৰতীয় সমাজৰ কাৰণে মূল ঘটনা আৰু এই ঘটনাক কেন্দ্ৰ কৰিয়েই বৃহৎ ভাৰতীয় সমাজ বা আমাৰ অসমীয়া সমাজলৈ নানান পৰিবৰ্তন আহিছিল। অসম তথা ভাৰতৰ পৰা অসমীয়া তথা ভাৰতীয় সভ্যতা – সংস্কৃতি মূলোৎপাত কৰি তাৰ ঠাইত পশ্চিমীয়া সভ্যতা—সংস্কৃতি স্থাপন কৰা, বৃটিছ শাসন বাহাল ৰখা, বেপাৰ-বাণিজ্য আৰু প্ৰশাসনীয় নীতিৰে অসম তথা ভাৰতক অৰ্থনৈতিক ভাবে শোষণ কৰা, শাসনৰ সুবিধাৰ কাৰণে একেখন সমাজত অনৈক্যৰ বীজ সিঁচি ভাগ ভাগ কৰি দুৰ্বল কৰা আদি এই সাম্ৰাজ্যবাদী শাসনৰ মূল লক্ষ্য আছিল যদিও এই প্ৰশাসন তথা বৃটিছ সংস্পৰ্শৰ যোগেদিয়েই বিশাল ভাৰতীয় সমাজ সংস্কৃতিৰ লগতে অসমীয়া সমাজ-সংস্কৃতিয়েও ভালেখিনি সুফল লাভ কৰিছিল। এই প্ৰবন্ধত অসমীয়া সমাজ-সংস্কৃতিয়ে লাভ কৰা সেই সুফল-কুফলবোৰৰ কথাকেই অতি সংক্ষিপ্ত ভাবে আলোচনা কৰা হ'ব। কোৱা নিষ্প্ৰয়োজন যে উনবিংশ শতিকাৰ

*অসমীয়া জাতিক উপজাতি নুবুলি এটা পূৰ্ণাঙ্গ জাতি ( Nation ) বুলি অভিহিত কৰিব পৰা সকলো লক্ষণ আৰু যুক্তি অসমীয়া জাতিৰ আছে।— লিখক

যুগ-সন্ধিৰ অসমীয়া সমাজ-সংস্কৃতিৰ বিষয়ে আলোচনা কৰা মানেই আন কথাত অসমীয়া সমাজ আৰু সংস্কৃতিত পাশ্চাত্য প্ৰভাৱ আৰু তাৰ প্ৰতিক্ৰিয়াৰ বিষয়ে আলোচনা কৰা।

(২)

মোৱামৰীয়া আৰু মানৰ আক্ৰমণত সকলো প্ৰকাৰ বিপৰ্য্যয়ৰ সন্মুখীন হৈ দুৰ্বল হোৱা অসমীয়া জাতিয়ে মানৰ আক্ৰমণৰ পৰা ৰক্ষা কৰা বৃটিছ জাতিক নোপোৱাই পোৱাদি পাইছিল আৰু সেয়ে বৃটিছ জাতিৰ অন্তৰত অসমদেশখন গ্ৰাস কৰাৰ মনোভাৱ এটাও যে আছিল তাৰ ভু পোৱা নাছিল। কিন্তু পাছলৈ গোজেই গজালি হ'ল; মানক খেদি অসমখন অসমীয়াক থান্-থিত্ লগাই থ'বলৈ অহা বৃটিছ জাতিয়ে শেষ আহোম ৰজাজনকে সিংহাসনৰ পৰা খেদাই অসমৰ ৰাজনৈতিক ক্ষমতা সম্পূৰ্ণ আয়ত্ব কৰি ললে।

ৰাজনৈতিক ক্ষমতা আয়ত্ব কৰাৰ পাছৰ খোজতেই এওঁলোকৰ শাসন যন্ত্ৰ চলোৱা আৰু বেপাৰ-বাণিজ্য চলোৱাৰ উদ্দেশ্যে কিছুমান শিক্ষিত ডেকা উলিওৱা উদ্দেশ্যেৰেই ভাৰতৰ আন ঠাইত প্ৰবৰ্ত্তন কৰাৰ দৰে অসমতো পশ্চিমীয়া শিক্ষা প্ৰবৰ্ত্তন কৰিলে। ভালেখিনি সু-গুণ থকা এই শিক্ষা পদ্ধতিৰ প্ৰধান দুগু-ণ হ'ল বাস্তৱ বিমুখিতা; এই শিক্ষা সম্পূৰ্ণ শিক্ষা নাছিল। কেৱল কেৰাণী আৰু কিছুমান তলতীয়া বিষয়া সৃষ্টি কৰাই আছিল এই শিক্ষাৰ প্ৰধান উদ্দেশ্য। বাস্তৱ জীৱনৰ সন্মুখীন হ'ব পৰা পূৰ্ণাঙ্গ শিক্ষাৰে শিক্ষিত হ'লে যে এই ডেকাসকলক তেওঁলোকৰ বহতীয়া কৰিব নোৱাৰিব। *দ্বিতীয়তে এই শিক্ষাৰ উদ্দেশ্য আছিল শিক্ষাৰ্থী সকলক নিজৰ সভ্যতা সংস্কৃতিৰ পৰা আঁতৰাই আনি পশ্চিমীয়া সভ্যতাৰে প্ৰভাবান্বিত কৰা, নিজৰ সভ্যতা সংস্কৃতিক ঘৃণা কৰি পশ্চিমীয়া সভ্যতা সংস্কৃতিক প্ৰশংসা কৰিবলৈ শিকোৱা আৰু পশ্চিমৰ সভ্যতা সংস্কৃতি গ্ৰহণ কৰোৱা। এই কাৰ্য্যত খৃষ্টিয়ান মিছনেৰী সকলে বিশেষ আগভাগ লৈছিল আৰু তেওঁলোকক তেওঁলোকৰ চৰকাৰেও সহায় কৰিছিল। অসমত অসমীয়াৰ ভাষাৰ ঠাইত বঙলা ভাষা চলা কালত (১৮৩৬—১৮৭২ খৃঃ) বঙলা ভাষা উঠাই পুনৰ অসমীয়া ভাষা প্ৰবৰ্ত্তন কৰাত খৃষ্টিয়ান

*দুখৰ কথা স্বাধীনতা লাভৰ ৩৩/৩৪ বছৰৰ পাচতো সেঃ সেই শিক্ষা পদ্ধতিৰ সংশোধন কৰি, দেশৰ ঐতিহ্য আৰু সভ্যতা সংস্কৃতিৰ লগত সম্বন্ধ ৰক্ষা কৰি শিক্ষাৰ্থীক আত্মনিৰ্ভৰশীল আৰু স্বধীনচিতীয়া কৰি গঢ়ি তুলিব পৰা শিক্ষা পদ্ধতি এটা গঢ়ি তোলা নহ'ল।—লিখক



মিছনেৰী সকলক বিশেষ অৰিহনা আছিল যদিও শিক্ষাৰ্থী সকলক খৃষ্টিয়ান ধৰ্মলৈ ৰূপান্তৰ কৰি সেই অৰিহণা সুদেমূলে আদায় কৰাৰ পৰোক্ষ অথচ প্ৰবল চেষ্টা এটাও তেওঁলোকৰ এই প্ৰচেষ্টাৰ অন্তৰালত আছিল। বৃটিছৰ শাসনৰ অসমীয়া জাতিৰ প্ৰতি তৃতীয়টো ৰাম টাঙোন হ'ল অৰ্থনৈতিক ভাবে শোষণ কৰা। বৃটিছৰ বেহা-বেপাৰ অসমত চলাবৰ কাৰণে আৰু যাতে ভবিষ্যতেও অসমীয়া জাতি অৰ্থনৈতিক ভাবে সবল হৈ উঠিব নোৱাৰে সেই বাবে বিভিন্ন প্ৰকাৰৰ প্ৰশাসনীয় নীতি আৰু কাৰ্য্যৰে আহোম ৰজাৰ আমোলত গঢ়ি উঠা শিল্পবোৰ ক্ৰমে ধ্বংস কৰি পেলাইছিল।

অন্যান্য শিল্পৰ কথা বাদ দিও আহোম আমোলত যিখন দেশৰ তিৰোতাৰ পক্ষে দিনে সূতা কটা, তাঁতবোৱা বাধ্য বাধক আছিল আৰু যিখন দেশৰ তিৰোতাই নিজৰ পৰিয়ালৰ উপৰিও ব্যৱসায় বাণিজ্যৰ কাৰণে বিভিন্ন প্ৰকাৰৰ অজস্ৰ কাপোৰ বৈ উলিয়াইছিল, সেইখন দেশৰ তিৰোতাই সূতাকটা এৰি মাৰোৱাৰী (কে ৰা) গোলাৰপৰা ইংলেণ্ডৰ মানচেষ্টাৰৰ পৰা অহা সূতা আনি তাঁত ববলৈ ধৰা হ'ল আৰু ক্ৰমে তাঁতবোৱা কাৰ্য্যও শিথিল হোৱাত ঘৰত ইংলেণ্ডৰ মিলত তৈয়াৰী কাপোৰৰ ব্যৱহাৰ দিনকদিনে বৃদ্ধি পাবলৈ ধৰিলে। অসমীয়া সমাজ-সংস্কৃতিৰ কাৰণে নিষ্ঠুৰ আৰু কৰুণ ঘটনাটো হ'ল বৃটিছ শাসনৰ বিভেদ নীতি। নৱ-বৈষ্ণৱ আন্দোলন আৰু আহোম শাসনৰ প্ৰভাৱত সম্প্ৰীতি বিৰাজ কৰা আৰু গাঢ়ভাবে ঐক্যবদ্ধ হোৱা অসম আৰু অসমীয়া সমাজখনত (ভাৰতীয় সমাজখনতো) অনৈক্যৰ বীজ সিচি অসমীয়া জাতিটো ক্ৰমে দুৰ্বল কৰি তুলিবলৈ এটা ধাৰাবাহিক প্ৰচেষ্টা এওঁলোকে চলাইছিল।

নৱ-বৈষ্ণৱ আন্দোলন আৰু আহোম শাসনৰ প্ৰভাৱত পূবে শদিয়াৰ পৰা পশ্চিমে ধুবুৰী পৰ্য্যন্ত ব্ৰহ্মপুত্ৰ উপত্যকা, ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ, পূব আৰু দক্ষিণে থকা পাহাৰী অঞ্চল আৰু মণিপুৰ, জয়ন্তীয়া, খাচীয়া আৰু কোঁচ ৰাজ্যৰ সৈতে এই সমগ্ৰ অঞ্চলটোত এখন বৃহৎ অসমীয়া সমাজ তথা এটা বৃহৎ অসমীয়া জাতি গঢ় লৈ উঠিছিল। বৃটিছ শাসকসকলে তেওঁলোকৰ বিভেদ নীতিৰ প্ৰথম পদক্ষেপতে পাহাৰী জাতিবিলাকক অসমীয়াৰ লগৰ পৰা আঁতৰাই নিলে আৰু তেওঁলোকৰ মাজত অসমীয়া তথা ভাৰতীয় বিদ্বেষী মনোভাব জগাই তুলিলে। তাৰ পাচতে এওঁলোকক খৃষ্টিয়ান ধৰ্মত দীক্ষিত কৰি পশ্চিমীয়া সভ্যতাৰে সভ্য কৰি তোলাৰ অভিযান আৰম্ভ কৰিলে। তৃতীয়তে শুনিবলৈ শুৱলা সংখ্যালঘু চুক্তি (Communal award)ৰ

নামত সাম্প্ৰদায়িক ভেটিত নিৰ্বাচন প্ৰথা প্ৰবৰ্ত্তন কৰি (ভাৰততো) ভৈয়ামৰ অধিবাসীসকলৰ মাজতে অনৈক্য অসূয়া, সাম্প্ৰদায়িক মনোভাব গভীৰ কৰি তুলিলে। বৃটিছ শাসনৰ অসমীয়া জাতি তথা ভাৰতীয় জাতিৰ প্ৰতি এইটোৱেই আছিল আটাইতকৈ নিষ্ঠুৰ শত্ৰুৱালি।* এনেবোৰেই আছিল উনবিংশ শতিকাৰ তৃতীয় দশকতে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা আহি বিংশ শতিকাৰ পঞ্চম দশকলৈ শাসন কৰা বৃটিছ জাতিৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰতি কৰা প্ৰধান অপকাৰ।

(৩)

বৃটিছ শাসনৰ পৰা অসমীয়া সমাজ-সংস্কৃতিয়ে পোৱা সু-ফলখিনিও সমানে, বা কিছু পৰিমাণে বেছিহে, উল্লেখযোগ্য। আধুনিক ভাবধাৰা আৰু বিজ্ঞান-শিল্প আদিৰে পৃথিবীৰ ভিতৰতে সন্মুখত বৃটিছ জাতিৰ লগত সংস্পৰ্শলৈ বা সংঘৰ্ষলৈ নহা হ'লে অসমীয়া জাতিৰ ক্ৰমোন্নতিৰ ঐতিহাসিক প্ৰক্ৰিয়াই কিছু মন্থৰ হ'লহেঁতেন। আটাইতকৈ প্ৰধান কথা বৃটিছজাতিৰ সংস্পৰ্শলৈ আহি এই উনবিংশ শতিকাতেই অসমীয়া জাতিৰ আধুনিক বিজ্ঞান আৰু শিল্পৰ লগত প্ৰথম পৰিচয় হয়। বিজ্ঞানৰ জন্ম বা সূচনা ভাৰতত হৈছিল যদিও সই, বিজ্ঞানে পৰিপক্কতা লাভ কৰিছিল পশ্চিমতহে। আধুনিক বিজ্ঞানৰ সেই সফলৰ প্ৰভাৱ ইংৰাজ জাতিৰ যোগেদি অসমেও ভোগ কৰিবলৈ পালে। বিজ্ঞান আৰু শিল্প উদ্যোগে সমান্তৰাল ভাবে গতি কৰে। অষ্টাদশ শতিকাৰ ৬ষ্ঠ দশকৰ পৰা উনবিংশ শতিকাৰ দ্বিতীয় দশকলৈ এই কালছোৱা ইংলেণ্ড তথা ইউৰোপত শিল্প বিপ্লৱৰ যুগ। এই কালছোৱাতেই ইংলেণ্ডত বৈজ্ঞানিকসকলে শিল্পউদ্যোগত বৈপ্লৱিক পৰিবৰ্ত্তন অনা ভালেমান নতুন যন্ত্ৰ উদ্ভাৱন কৰে। শিল্প উদ্যোগৰ যোগেদি ইংলেণ্ডে অসম তথা ভাৰতক শোষণ কৰিছিল যদিও বৃটিছ শাসনৰ সংস্পৰ্শত এই বিজ্ঞান আৰু শিল্প উদ্যোগৰ পৰিচয়ে অসমীয়া সমাজক ক্ৰমোন্নতিৰ আধুনিক প্ৰক্ৰিয়াৰ লগত পৰিচয় কৰোৱাটোও বিশেষ

* স্বাধীনতা লাভৰ পাছতো এই সাম্প্ৰদায়িক নিৰ্বাচন বন্ধ নহ'ল; স্বাধীনতা লাভৰ পূৰ্ব্ববৰ্তী কালৰ ঐক্যবদ্ধ সমাজখনত অনৈক্য আৰু অসূয়া বেছিকৈহে বৃদ্ধি পাবলৈ ধৰিলে। বৃটিছ শাসনৰ কালত একে প্ৰশাসনৰ তলত থকা নগাপাহাৰ, অৰুণাচল, মেঘালয়, মিজোৰামক অসম আৰু অসমীয়াৰ সংস্পৰ্শৰ পৰা ফালি নি বেলেগ প্ৰশাসনৰ গোট কৰা হ'ল।—লিখক



উল্লেখযোগ্য ঘটনা। তেনেকৈয়ে আধুনিক যুগৰ চিন্তাপ্ৰণালীৰ গণতান্ত্ৰিক ভাবধাৰা আৰু যুক্তিবাদী (rationaslitic) চিন্তাৰ লগতো অসমীয়া সমাজৰ প্ৰথম পৰিচয় ঘটে বৃটিছৰ সংস্পৰ্শত উনবিংশ শতিকাতেই। ষোড়শ শতিকাৰ পৰা ইংলেণ্ডে চিন্তাজগতৰ বিভিন্ন দিশত নাম কৰা বেকন, স্পেঞ্চাৰ ডাৰউইন, গডউইন, জনষ্টুৱাৰ্ট মিল, ৰিকাৰ্ড, গিবন্ আদি ভালেমান মনীষীৰ জন্ম দিয়ে। উনবিংশ শতাব্দীত এইসকল লোকৰ ভাবজগতৰ উপৰিও গ্ৰীক, ইটালী ফ্ৰাঞ্চ, জাৰ্মান আদিৰ অলেখ মনীষীৰ ভাব-জগতৰ লগত অসমীয়া সমাজৰ ভাব-জগতৰ ইংৰাজী শিক্ষাৰ মাধ্যমত আদান-প্ৰদান হয়। এই ক্ষেত্ৰত জোনাকী কাকতক কেন্দ্ৰ কৰি থকা কলিকতীয়া অসমীয়া ছাত্ৰসকলৰ বৰঙণিয়েই আছিল প্ৰধান। আগৰ ধৰ্মসাপেক্ষে শিক্ষা পদ্ধতিৰ ঠাইত ধৰ্মনিৰপেক্ষ শিক্ষা পদ্ধতিৰ প্ৰচলন হ'ল। পুৰোহিত, মোল্লা, ধৰ্মযাজকেই ক'লে যে শুদ্ধ হ'ব বা মানিব লাগিব সেই দিন উকলি গ'ল; যুক্তিবাদী প্ৰভাবৰ ফলত পুৰোহিত, মোল্লা বা ধৰ্মযাজকৰ কথা কিয় মানিব লাগিব, কেনেকৈ শুদ্ধ হ'ল, তাক বিশ্লেষণ কৰি যুক্তিৰে বুজাই দিলেহে সেই কথা মানি লোৱা দিনৰ সূত্ৰপাত হ'ল। ইয়াৰেই ফলস্বৰূপে বেদ, মহাকাব্য, পুৰাণ আদিৰ, যুক্তিবাদী চিন্তাৰ ভিত্তিত, পুনৰ বিশ্লেষণ, পুনৰ মূল্যায়নৰ যুগৰ সূচনা হ'ল। বেজবৰুৱাই শঙ্কৰদেৱ, মাধৱদেৱৰ কীৰ্ত্তন, দশম, ঘোষা বা এওঁলোকৰ চৰিত পুথিৰ পুনৰ মূল্যায়ন কৰিলে; এওঁলোকৰ চিন্তা প্ৰণালীৰ ওপৰত গৱেষণা কৰা যুগৰ সূচনা হ'ল। বুৰঞ্জী, পুৰণি স্মৃতি চিহ্ন, পুৰণি ধৰ্মশাস্ত্ৰৰ বৈজ্ঞানিক অধ্যয়ন, বৈজ্ঞানিক সম্পাদন আৰু এইবোৰৰ সংৰক্ষণৰ কাৰণে পুৰাতত্ব বিভাগ ভাৰতৰ আন আন প্ৰদেশৰ লগতে অসমতো প্ৰতিষ্ঠা হ'ল। গাঁঠিত জীৱ বান্ধি এঠাইৰ পৰা এঠাইলৈ গৈ পুথিচাওঁৰ পৰা পুথি বিচাৰি অনাৰ দিন ক্ৰমে আঁতৰি গ'ল; ছপা পুথিৰ আবিৰ্ভাৱ হ'ল। বাতৰি কাকতে ঐক্য প্ৰতিষ্ঠাত, মতৰ আদান-প্ৰদানত সহায় কৰা হ'ল। ছপাশাল আৰু বাতৰিকাকত আধুনিক যুগৰ দুপাত আমোঘ অস্ত্ৰ। উনবিংশ শতিকাত বৃটিছ শাসকৰ সংস্পৰ্শলৈ আহিহে অসমীয়া সমাজ আৰু সংস্কৃতিয়ে আধুনিক জগতৰ এই দুবিধ অত্যাৱশ্যকীয় অমূল্য সম্পদৰ প্ৰথম অধিকাৰী হয়।

অসমীয়া সমাজ-সংস্কৃতিলৈ উনবিংশ শতিকাৰ শ্ৰেষ্ঠ অৱদান হ'ল আধুনিক জাতীয়তাবাদ বা আধুনিক জাতীয়তাবোধ। স্বাৰ্থৰ সংঘৰ্ষই জাতীয়তাবাদৰ জন্ম দিয়ে।

* যেতিয়া অসমীয়াই দেখিবলৈ পালে যে তেওঁলোকৰ স্বাৰ্থত আঘাত হনা হৈছে, তেওঁলোকক বৃটিছ শাসকে শোষণ কৰিছে, তেওঁলোকৰ মৌলিক অধিকাৰ কাঢ়ি নিছে তেতিয়া অসমীয়া আৰু বৃটিছ শাসকৰ মাজত সংঘৰ্ষৰ সূচনা হ'ল। অসমীয়াৰ মনত অসমীয়াত্ব বা অসমীয়া জাতীয়তাবোধৰ জাগৰণ হ'ল। মণিৰাম দেৱান (১৮০৬–১৮৫৮) আৰু আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-১৮৫৯) এই দুজনেই আছিল অসমত জাতীয়তাবাদী ভাবৰ চেতনা জগোৱা পথ প্ৰদৰ্শক প্ৰগতিশীল জাতীয়তাবাদী নেতা। প্ৰথমজন আছিল চৰম বা উগ্ৰপন্থী, অৰ্থাৎ বৃটিছৰ লগত সংঘৰ্ষ কৰি অসমৰ উন্নতি সাধন কৰা, অৰ্থনীতিজ্ঞ ৰাজনীতিবিদ। আনজন আছিল নৰম পন্থী, অৰ্থাৎ বৃটিছৰ লগত মিলেৰে থাকি বৃটিছৰ সহায়তে অসম দেশখনক আধুনিক ভাবে উন্নতি কৰি তোলা, প্ৰগতিশীল মনোভাবৰ আধুনিক শিক্ষাৰে শিক্ষিত বৃটিছ প্ৰশাসনৰ উচ্চ পৰ্য্যায়ৰ কৰ্মচাৰী। তদুপৰি এই জাতীয়তাবাদী মনোভাবৰ সূচনাৰ পৰাই অসমীয়া সমাজতো ৰাজনৈতিক ভাবে এটা সৰ্বভাৰতীয় জাতীয়তাবোধৰ সূচনা হ'ল। আগেয়ে যে আমাৰ জাতীয়তাবোধ নাছিল বা সৰ্বভাৰতীয়বোধ নাছিল, এনে নহয়, আছিল। আমাৰ মহাপুৰুষ শঙ্কৰদেৱকে ধৰি ভাৰতৰ কোনো মহাপুৰুষে নিজৰ ৰাজ্যৰ কথা কোৱা নাই, ভাৰতৰ কথাহে কৈ গৈছে। কিন্তু সেই ভাৰতীয়-বোধ আৰু আজিৰ ভাৰতীয়বোধৰ পাৰ্থক্য আছে। পাৰ্থক্য এই খিনিতেই যে সেই ভাৰতীয়বোধৰ ভিত্তি আছিল সংস্কৃতি আৰু আজিৰ ভাৰতীয়বোধৰ ভিত্তি সংস্কৃতি, ৰাজনীতি আৰু অৰ্থনীতি কেউটাকে কেন্দ্ৰ কৰি। তেতিয়াৰ দিনত শ্ৰীনগৰৰ পৰা কণ্যাকুমাৰিকালৈ আৰু শদিয়াৰ পৰা দ্বাৰকালৈ সকলোৰে এক ভাৰতীয় আছিল বেদ, ৰামায়ণ, মহাভাৰত, বাল্মীকি, ব্যাস, কালিদাস, ৰাম, কৃষ্ণ, বুদ্ধ, শঙ্কৰদেৱ, ৰামকৃষ্ণ, মহাত্মাগান্ধী; ব্ৰহ্মপুত্ৰ, গঙ্গা, গোদাবাৰী আদিৰ নদীৰ নামত। এতিয়াৰ দৰে এক প্ৰশাসনীয় ব্যৱস্থা, এক মুদ্ৰা ব্যৱস্থা, এক অৰ্থনীতিৰ, বা, নগাওঁ জিলাৰ কোনোবা এখন গাওঁৰ নিম্ন প্ৰাইমেৰী বিদ্যালয়ৰ শিক্ষক এজনৰ দাবী পূৰণৰ নিমিত্তে সদৌ ভাৰতৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ শিক্ষক সকলে দাবী দিবস পালন কৰাৰ নিচিনা, ঐক্য নাছিল। এই সৰ্বভাৰতীয়বোধ জগোৱাৰ প্ৰধান অস্ত্ৰ প্ৰেছ আৰু বাতৰিকাকতৰ অধিকাৰ হবলৈ অসমীয়া সমাজে প্ৰথম সুবিধা পালে উনবিংশ শতিকাতেই বৃটিছ শাসনৰ সংস্পৰ্শত

*বৰ্ত্তমান অসমত দেখা দিয়া আন্দোলনো তাৰে এটি উজ্বল উদাহৰণ। লিখক

(২৭ পৃষ্ঠাত চাওক)

# উনবিংশ শতিকাৰ শিক্ষা ব্যৱস্থা

নন্দ তালুকদাৰ

খৃষ্টপূৰ্ব যুগৰে পৰা অসমৰ শিক্ষা ব্যৱস্থাৰ নিদৰ্শন বিবিধ শিলালিপি কাব্যগ্ৰন্থ আদিত পোৱা যায়। অতীজত সংস্কৃতটোল চতুষ্পাঠীবোৰ আছিল শিক্ষাৰ কেন্দ্ৰ। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱেও বাল্যকালত গৈ মহেন্দ্ৰ কন্দলীৰ টোলত শিক্ষা গ্ৰহণ কৰিছিল। বৈষ্ণৱ যুগত সত্ৰবোৰ আছিল বিবিধ শিক্ষাৰ ঘাই কেন্দ্ৰ। আহোম পণ্ডিত-সকলে আহোম ভাষাৰে শিক্ষা দান কৰিছিল। দুই চাৰিয়ে টোলৰ সংস্কৃত শিক্ষাতে আবদ্ধ নাথাকি নদীয়াৰ শান্তিপুৰ, নবদ্বীপ, কাশী বা বাৰানসী প্ৰভৃতি ঠাইলৈকো গৈ সংস্কৃত শিক্ষা গ্ৰহণ কৰিছিল। এনেভাবে উচ্চ শিক্ষা লাভ কৰা ছাত্ৰসকলে উভতি আহি নিজে নিজে টোল খুলিছিল। টোলত শিক্ষাদান আৰু শিক্ষা গ্ৰহণ কৰা সৰহভাগেই উচ্চ বংশৰ কায়স্থ।

গাৰ্লীয়া পাঠশালাবোৰ প্ৰাচীন শিক্ষানুষ্ঠান। মুছলমান সম্প্ৰদায়ৰ মাজত শিক্ষানুষ্ঠান আছিল মাদ্ৰাছা আৰু মোকতাববোৰ। প্ৰাক বৃটিছ যুগৰ শিক্ষা ব্যৱস্থা ধৰ্মৰ ঠেক গণ্ডীৰ মাজতে সীমাবদ্ধ। এনে শিক্ষা ব্যৱস্থাত মানসিক দিগন্ত প্ৰসাৰণৰ বাবে সুযোগ নাছিল।

---

(২৬ পৃষ্ঠাৰ পিচৰ পৰা)

অহা খৃষ্টিয়ান মিছনেৰী সকলে পতা অৰুণোদয় কাকতৰ যোগেদি। এনেবোৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক পৰিবৰ্তনৰ যোগেদিয়েই উনবিংশ শতিকাত অসমীয়া সমাজ আৰু সংস্কৃতিয়ে ঐতিহাসিক ভাবে ক্ৰমোন্নতিৰ এটা বেলেগ যুগত প্ৰবেশ কৰে আৰু সেয়ে উনবিংশ শতিকাটো অসমীয়া সমাজ আৰু সংস্কৃতিৰ আন এটা তাৎপৰ্যপূৰ্ণ যুগসন্ধি। অসমীয়া সমাজ আৰু সংস্কৃতিৰ এই যুগসন্ধিৰ জেৰ এতিয়াও চলি আছে। ষোড়শ শতিকাৰ গতিশীলতা আৰু জীৱনী শক্তি ঘূৰাই আনিবলৈ অসমীয়া সমাজ আৰু সংস্কৃতিক আৰু কিমান দিন লাগিব ?**

ইয়াণ্ডাবু সন্ধিৰ চৰ্ত্ত মতে অসমৰ শাসনভাৰ ইংৰাজৰ হাতলৈ অহাত মিঃ ডেভিদ স্কট অসমৰ কমিচনাৰ আৰু গবৰ্ণৰ জেনেৰেলৰ এজেণ্ট নিযুক্ত হৈছিল। মিঃ স্কটে অসমৰ শিক্ষা ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ১৮২৬ খৃঃৰ অক্টোবৰ মাহত ১১ খন স্কুল স্থাপন কৰিছিল। গুৱাহাটী, নীলাচল, পাতিদৰং, হাজো, বজালী, শিলা, বিশ্বনাথ, নগাওঁ দেশদৰং (মঙ্গলদৈ) প্ৰতি ঠাইতে একোখন আৰু নদুৱাৰত দুখন স্কুল স্থাপন কৰিছিল। উক্ত স্কুলৰ শিক্ষকসকলক নগদ ধনেৰে দৰমহা নিদি ৩০ পুৰা মাটি বিনা খাজনাই দখল কৰিবলৈ দিয়া হৈছিল। অঙ্কণ, আয়ুৰ্বেদ, জ্যোতিষ, ভাগৱত, ৰামায়ণ, আছিল পাঠ্য-ক্ৰমৰ ভিতৰত।

১৮৩১ খৃঃত মিঃ আদাম হোৱাইটে মিঃ জেমচ ৰোৱে নামৰ এজন মিছনাৰীৰ হতুৱাই গুৱাহাটীত স্থাপন কৰিছিল এখন ইংৰাজী স্কুল। এইখনেই অসমৰ প্ৰথম ইংৰাজী শিক্ষানুষ্ঠান। কিন্তু শিক্ষানুষ্ঠানখন সৰহ দিন নচলিল।

মিঃ ফ্ৰান্সিচ জেন্‌কিন্স অসমৰ কমিচনাৰ নিযুক্ত হোৱাৰে পৰা অসমত ইংৰাজী শিক্ষাৰ প্ৰচলনত গুৰুত্ব আৰোপ কৰে। তেওঁ বুজিছিল স্থানীয়লোকক শিক্ষা-দীক্ষা দি চৰকাৰী কামত সুমুৱাব নোৱাৰিলে জনসাধাৰণক সন্তুষ্ট কৰাটো সহজ নহয়। শাসন ভাৰ লৈয়ে তেওঁ দেখিছিল শাসন যন্ত্ৰ চলোৱাত ইংৰাজক সহায় কৰা সৰহ ভাগ আমোলা মহৰী অসমৰ বাহিৰৰ পৰা অহা অনা অসমীয়ালোক।

ইংৰাজী লিখাত গুৰুত্ব আৰোপ কৰি জেনকিন্সে গুৱাহাটী, দৰং, নগাওঁ আৰু বিশ্বনাথত চাৰিখন ইংৰাজী স্কুল স্থাপনৰ বাবে প্ৰস্তাব আগবঢ়ালে। ভাৰত চৰকাৰলৈ প্ৰস্তাৱ আগবঢ়াই অনুমতিলৈ বৈ নাথাকি প্ৰথমতে গুৱাহাটীত স্কুল স্থাপনৰ বাবে মন কৰি স্থানীয় ভাবে ১৭৫০ টকা সংগ্ৰহ কৰিলে। সেই সময়ত গুৱাহাটীৰ বাসিন্দা ৬০০০ জন।

১৮৩৫ খৃঃ ৰ জুলাই মাহত অসমৰ প্ৰথম ইংৰাজী শিক্ষা-নুষ্ঠান গুৱাহাটী গবৰ্নমেণ্ট চেমিনাৰী ( *The Gowhatty Government Seminery* ) মিঃ জেনকিন্সৰ সৌজন্যত আৰম্ভ হ'ল। মিঃ চিঙ্গাৰ স্কুলখনৰ প্ৰথম প্ৰধান শিক্ষক। ৫৮ জন ছাত্ৰ লৈ অক্টোবৰ মাহৰ পৰা নিয়মীয়া পাঠদানৰ সূচনা হ'ল। প্ৰথম বছৰ স্কুলখনৰ শিক্ষাৰ মাধ্যম আছিল ইংৰাজী।

১৮৩৬ খৃঃ ত স্কুল খনৰ বাবে প্ৰথমতে এহেজাৰ টকা দান স্বৰূপে আগবঢ়াইছিল গুৱাহাটীৰ সদৰ আমিন যজ্ঞৰাম খাৰঘৰীয়া ফুকনে। পিছৰ বছৰ অৰ্থাৎ ১৮৩৭ খৃঃত কোচ বিহাৰৰ মহাৰজা আৰু ধৰ্ম্মৰাম চৌধুৰীয়ে ক্ৰমে ১০৬০ আৰু ১০০০ টকা দান স্বৰূপে আগ বঢ়াইছিল। আৰু দিহিঙীয়া গোঁসায়ে দান দিছিলে ৫০০ টকা।



১৮৩৬ খৃঃৰ পৰা গুৱাহাটী চেমিনাৰীত ইংৰাজীৰ লগতে বঙলা সংস্কৃত আৰু পাৰ্চী ভাষাতো শিক্ষা দান কৰা হৈছিল। বৃটিছ ৰাজত্বৰ প্ৰথম দহ বছৰ কাল অসমৰ প্ৰশাসনীয় আৰু শিক্ষনীয় ভাষা আছিল অসমীয়া। কিন্তু ১৮৩৬ খৃঃ ৰ পৰাই অসমৰ শাসকীয় আৰু পঢ়াশলীয়া ভাষা অসমীয়াৰ ঠাইত হ'ল বঙলা। সেইবছৰৰে মাৰ্চ মাহৰ আমেৰিকান বেপ্তিষ্ট মিছনাৰী ৰেভঃ নেথান ব্ৰাউন আৰু অলিভাৰ টি কাটাৰ দম্পতী আহি শদিয়াত উপস্থিত হল। তেওঁলোকে লগত আনিছিল এটি ছপা যন্ত্ৰ। এই প্ৰথম ছপা যন্ত্ৰটি যেনিবা অসমৰ বাবে মুক্তি দূত।

অকল গুৱাহাটী চেমিনাৰীতে সীমাবদ্ধ নাথাকি পাণ্ডু কামাখ্যা, বেলতলা আৰু উত্তৰ গুৱাহাটীতো একোখন ইংৰাজী স্কুল স্থাপন কৰিছিল।

লাহে লাহে গুৱাহাটী চেমিনাৰীৰ ছাত্ৰ সংখ্যা বাঢ়ি আহিবলৈ ধৰিলে. ১৮৩৭ খৃঃত ১৫৪, আৰু ১৮৩৮ খৃঃত ১৯৪ জনলৈ বৃদ্ধি হ'ল। ১৮৩৭ খৃঃ ৰ এপ্ৰিল মাহৰ পৰা ৰবিন্সন স্কুল খনৰ অস্থায়ী প্ৰধান শিক্ষক আৰু ১৮৩৮ খৃঃ ৰ এপ্ৰিলৰ পৰা স্থায়ী প্ৰধান শিক্ষক। Mr. J. Pawson, Mr. J. F. Delanongered, জগত চন্দ্ৰ মুখাৰ্জী, গোপীনাথ শৰ্মা, বাচাৰাম শৰ্মা ইন্দ্ৰ বেইন প্ৰভৃতি স্কুলত সময়ে সময়ে শিক্ষা দান কৰা শিক্ষক। চিঙ্গাৰৰ দৰমহা ১৫০ টকা, ৰবিন্সনৰ ৩০০ টকা, Pawson আৰু Delanongerede ৰ ১২৫ টকা, বাকীবোৰ শিক্ষকৰ দৰমহা কাৰোবাৰ ৩০ টকা কাৰোবাৰ ২০ টকা।

১৮৪৪ খৃঃ ত ৰবিন্সন স্কুল সমূহৰ ইন্সপেক্টৰ নিযুক্ত হয়। তেৱেঁই অসমৰ প্ৰথম ইন্সপেক্টৰ অৱ স্কুলচ। ১৮৬৩ খৃঃত কৰ্মৰত অৱস্থাতে নাজিৰাত তেওঁৰ মৃত্যু হয়। অসমৰ শিক্ষাৰ অগ্ৰগতিত ৰবিন্সনৰ দান অসীম। শিক্ষাবিদ ৰবিন্সন আছিল এগৰাকী বুৰঞ্জীবিদ আৰু ভাষাবিদ। তেওঁৰ A Grammar of the Assamese Language (১৮৩৯) অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ। A Descriptive Account of Assam ৰবিন্সনৰ দ্বিতীয় গ্ৰন্থ।

গুৱাহাটী চেমিনাৰীৰ শ্ৰেণী সমূহ জুনিয়ৰ আৰু চিনিয়ৰ

দুই ভাগত বিভক্ত। প্রতিটো বিভাগতে চাৰিটাকৈ শ্ৰেণী। সেই সমূহত ছাত্ৰসকলক student নুবুলি scholar বুলি কোৱা হৈছিল। প্ৰথম অৱস্থাত স্কুললৈ অহাৰ কোনো নিৰ্দ্ধাৰিত সময় নাই, যেতিয়া সময় পায় শ্ৰেণীলৈ সোমাই আহে। পিছত প্ৰধান শিক্ষকে অভিভাবক সকলক মাতি আনি ১১ বজাত স্কুললৈ অহাৰ নিৰ্দ্ধাৰিত সময় বান্ধি দিয়ে। ১১ বজাৰ পিছত স্কুলৰ গেট বন্ধ।

সেই সময়ত গুৱাহাটীত কোনো যান-বাহনৰ প্ৰচলন নাছিল। জেনকিন্সৰ এখন ফ্ৰিটন গাড়ী আছিল। সেই খনৰে মাজে মাজে ছাত্ৰ সকলক অনা নিয়া কৰিছিল।

১৮৪১ খৃঃত অসমৰ দ্বিতীয় খন ইংৰাজী স্কুল স্থাপন হয় শিৱসাগৰত। মিঃ ডি চুজা শিৱসাগৰ স্কুলৰ প্ৰথম প্ৰধান শিক্ষক। ৰাম সাগৰ আৰু উবিধৰ শৰ্মা আন দুজন শিক্ষক। শিৱসাগৰ স্কুল স্থাপনৰ বাবেও স্থানীয় লোকৰ পৰা ৭৪৭ টকা বৰঙণি স্বৰূপে সংগ্ৰহ কৰিছিল।

গোৱালপাৰা স্কুলৰ জন্ম ১৮৪২ খৃঃত। স্কুলখনৰ বাবে ১০,৩৫০ টকা বৰঙণি সংগ্ৰহ কৰা হৈছিল। ১৮৪৫-৪৬ খৃঃত স্কুলখনৰ ছাত্ৰ সংখ্যা ১৪৮ জন। ইয়াৰ ভিতৰত ইংৰাজী পঢ়া ছাত্ৰৰ সংখ্যা ১৮ জন। ১৮৫৫ খৃঃত স্কুলৰ শিক্ষক মণ্ডলীৰ ভিতৰত আছিল প্ৰসন্ন কুমাৰ গুপ্ত, কিশোৰী কিশোৰ ৰয়, সুন্দৰমোহন বন্দোপাধ্যায়, চকতুল্লা প্ৰভৃতি। শিৱসাগৰ আৰু গোৱালপাৰা স্কুলৰ ইংৰাজী বিভাগৰ অৱস্থা হতাশজনক।

অসমত প্ৰথমতে প্ৰাথমিক শিক্ষাৰ অৱস্থা আছিল শোকলগা। মিলছৰ ৰিপোৰ্টত আছে "Captain Butler of Nowgong District stated in 1838 perhaps thirty educated individuals could not be found in this district and that universal ignorance pervaded the whole community without distinction. He added, 'time have changed in the course of thirteen years, hundreds of boys have gone forth from these little village school able to read and write.'

মিলচে অসম ভ্ৰমণ কৰা কালছোৱাত ১৮৫৩ খৃঃত অসমত প্ৰাথমিক স্কুলৰ সংখ্যা ৭১ খন। ইয়াৰ ভিতৰত কামৰূপ ২৬, নগাওঁ ১৩, লক্ষীমপুৰ ১০, গোৱালপাৰা ১০, শিৱসাগৰ ৭, আৰু



দৰং ৯ খন।

ৰবিন্সনক ইন্সপেক্টৰ নিযুক্ত কৰাৰ ঘাই উদ্দেশ্য আছিল অসমৰ পঢ়াশালীবোৰৰ মান ( Standard ) উন্নীত কৰা আৰু একেমানৰ নিৰ্দ্ধাৰিত পাঠ্যক্ৰম প্ৰচলন কৰা।

তেওঁৰ বিৱৰণ মতে ১৮৪৩ খৃঃৰ এপ্ৰিলৰ পূৰ্বে অসমত স্কুলৰ সংখ্যা নগাওঁ ১২, দৰং ৫, কামৰূপ ২০, লক্ষীমপুৰ ৩, আৰু শিৱসাগৰ ১০ খন। ১৮৪৫ খৃঃত চৰকাৰৰ দ্বাৰা পৰিচালিত স্কুলৰ সংখ্যা ৫৮ খন। সৰহ ভাগ স্কুলতে একোজন শিক্ষক। দুই চাৰিখন স্কুলতহে দুজনকৈ শিক্ষক। সৰহ ভাগ স্কুলতে তিনিটা বা চাৰিটা শ্ৰেণী। বৰপেটা, নামবৰভাগ, তেজপুৰ আৰু নগাঁও স্কুলত ছয়টাকৈ শ্ৰেণী। সৰুক্ষেত্ৰী, ৰামদিয়া, নাজিৰা, ডিব্ৰুগড় স্কুলত শ্ৰেণীৰ সংখ্যা পাঁচটা আৰু একমাত্ৰ গোৱালপাৰা স্কুলৰ শ্ৰেণীৰ সংখ্যা সাতটা।

১৮৫১-৫২ খৃঃত শিৱসাগৰ স্কুলৰ দ্বিতীয় শ্ৰেণীত অসম বুৰঞ্জী পঢ়োৱা হৈছিল। ইয়াৰ বাহিৰে আন কোনো স্কুলতে অসম বুৰঞ্জী পঢ়োৱাৰ নিদৰ্শন নাই।

উনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত অসমৰ শিক্ষা বিস্তাৰত আমেৰিকান মিছনাৰীৰ দান সৰ্ব্বাধিক। বিশেষকৈ স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত মিছনাৰীসকল অগ্ৰণী। মিছনাৰীসকলে শদিয়াত থিতাপি লৈয়ে স্থাপন কৰিছিল দুখন স্কুল, এখন লৰাৰ এখন ছোৱালীৰ বাবে। টাই আৰু অসমীয়া ভাষাত স্কুল দুখনত শিক্ষা দান কৰা হৈছিল। পাঠ্যপুথিৰ অভাৱলৈ দৃষ্টি ৰাখি নেথান ব্ৰাউনে নিজেই দুয়োটি ভাষাতে পাঠ্য পুথি ৰচনা কৰিছিল। শিৱসাগৰ, গুৱাহাটি, নগাওঁ আৰু নাজিৰাতো মিছনাৰী সকলে সুকীয়াকৈ ছোৱালী স্কুল স্থাপন কৰিছিল। অকল শিৱসাগৰ জিলাতে মিছনাৰী সকলে স্থাপন কৰিছিল ১৪ খন স্কুল। নগাওঁতো ভালেকেইখন স্কুল স্থাপন কৰিছিল। মিছনাৰী স্কুলৰ শিক্ষাৰ মাধ্যম অসমীয়া।

ৰবিন্সন ইন্সপেক্টৰ হোৱাৰ পিছতে গুৱাহাটী চেমিনাৰীৰ লগতে স্থাপন কৰিছিল নৰ্ম্মাল স্কুল এখন। নৰ্ম্মাল স্কুলৰ ছাত্ৰ সকলক মাহে ৩ টকাকৈ বৃত্তি দিয়া হৈছিল। ১৮৫৫ খৃঃৰ পৰা সুকীয়াকৈ নৰ্ম্মাল স্কুল স্থাপন কৰা হয়।

স্কুলৰ সংখ্যা বাঢ়ি অহাত ৰবিন্সনৰ পক্ষে সকলোবোৰ স্কুল পৰিদৰ্শন কৰাটো সম্ভৱ নাছিল। ১৮৫৫ খৃঃত পাঁচটি চৱ ইন্সপেক্টৰ অৱ স্কুলৰ পদৰ সৃষ্টি কৰিছিল। ৰবিন্সনৰ মৃত্যুৰ পিছত মিঃ মুৰে

(*Mr. Murry*) স্কুল সমূহৰ ইন্সপেক্টৰ নিযুক্ত হয়।

ইতিমধ্যে ১৮৫৭ খৃঃ ত কলিকতা বিশ্ববিদ্যালয় স্থাপন কৰা হয়। ১৮৫৫ খৃঃ ত কলিকতা বিশ্ববিদ্যালয়ে গুৱাহাটী চেমিনাৰীক এণ্ট্ৰেন্স মহলালৈ স্বীকৃতি দিয়ে। ১৮৬১ খৃঃত প্ৰথমতে লীলাময় দাস আৰু কামাখ্যা দাস গুৱাহাটীৰ পৰা এট্ৰেন্স মহলাত উত্তীৰ্ণ হৈছিল। ১৮৬৪ খৃঃত উক্ত স্কুলৰ পৰা একে লগে আনন্দৰাম বৰুৱা, মাধৱ চন্দ্ৰ বৰদলৈ, জালনুৰ আলি আহম্মদ আৰু শিৱৰাম বৰা এন্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

ইন্সপেক্টৰ নিযুক্ত হৈ মিঃ মুৰেই অসমত কলেজীয়া শিক্ষাৰ প্ৰচলনত গুৰুত্ব আৰোপ কৰিছিল। অসমত সুকীয়াকৈ কলেজ পতাৰ সম্ভাৱনা নেদেখি গুৱাহাটী চেমিনাৰীতে ১৮৬৬ খৃঃত এফ, এ শ্ৰেণী খুলিছিল। ১৮৭০ খৃঃৰ পৰা উক্ত স্কুলতে আইনৰ এল, এ শ্ৰেণীও খোলা হৈছিল। তেতিয়াৰে পৰা স্কুলখনৰ নাম হয় কলেজিয়েট স্কুল। লক্ষীৰাম দাস এম, এ, বি, এল কলেজিয়েট স্কুলৰ প্ৰথম অধ্যক্ষ বা প্ৰধান শিক্ষক। চন্দ্ৰমোহন গোস্বামী, দীননাথ সেন, নবকুমাৰ ভট্টাচাৰ্য্য, আন আন শিক্ষক। আইনৰ শিক্ষক তাৰা চন্দ্ৰ বেনাৰ্জী এম এ. বি এল। বি এ জগন্নাথ বৰুৱা, মানিক চন্দ্ৰ বৰুৱা, 'অভিমন্যু বধ কাব্যৰ ৰচক ৰমাকান্ত চৌধুৰী, কালিৰাম দাস, কালীনাথ শৰ্ম্মা প্ৰভৃতি গুৱাহাটী কলেজিয়েট স্কুলৰ পৰা এফ এ পাচ কৰা ছাত্ৰ। ছাত্ৰ সংখ্যা আশানুৰূপ নহয়, ফলাফল হতাশজনক, খৰছ বেচি আদি নানান অজুহাত দেখুৱাই ১৮৭৬ খৃঃত গুৱাহাটী কলেজিয়েট স্কুলৰ এফ এ আৰু আইনৰ শ্ৰেণী বন্ধ কৰি দিয়া হ'ল। গুৱাহাটী স্কুল পুনৰ এণ্ট্ৰেন্স মহলাৰ স্কুলত পৰিণত হ'ল।

মিলচ অসমলৈ অহাৰ পূৰ্বৰে পৰা অসমত বঙলা ভাষাৰ ঠাইত অসমীয়া ভাষা প্ৰচলন হ'ব লাগে বুলি নানান আবেদন নিবেদন জনাই আছিল। মিলচৰ ওচৰতো পুনৰ নিবেদন জনাইছিল। আনন্দৰাম ঢেকিয়াল ফুকনে মিলচক দিয়া প্ৰতিবেদনত যুক্তিসহকাৰে অসমীয়া ভাষা প্ৰচলনৰ বাবে দাবি জনাইছিল। উদ্দাৰচিত্তে মিছনাৰী সকলেও অসমীয়া প্ৰচলনৰ বাবে সময়ে সময়ে দৃঢ় মত পোষণ কৰিছিল। ১৮৪৬ খৃঃত মিছনাৰী সকলেই প্ৰকাশ কৰিছিল প্ৰথম অসমীয়া সংবাদ পত্ৰ 'অৰুণোদই'। মিলচেও আবেদন নিবেদনৰ প্ৰতি সঁহাৰি জনাই অসমীয়া প্ৰচলনৰ বাবে দৃঢ়তাৰে হয়ভৰ দি কৈছিল "An English youth is not taught Latin until he is well grounded in English and in the same manner an Assamese should not be taught a foreign language until he knows his own."



অৱশেষত সকলো দিশ গভীৰভাবে পৰ্য্যালোচনা কৰি লেফটেনেণ্ট গৱনৰ জৰ্জ কেম্বেলে ১৮৭৩ খৃঃ ৰ ৯ এপ্ৰিলৰ পৰা অসমৰ পঢ়াশালী আৰু আদালতত বঙলা ভাষাৰ সলনি অসমীয়া প্ৰচলনৰ নিৰ্দেশ দিলে। অসমীয়া ভাষা প্ৰচলনৰ লগে লগে অসমীয়া পাঠ্য পুথিৰ অভাবো আতৰিল।

১৮৮০ খৃঃৰ পৰা লোকেলবোৰ্ড স্থাপন কৰা হয়। ১৮৮২ খৃঃত চৰকাৰে গঠন কৰা হাণ্টাৰ কমিচনৰ প্ৰতিবেদন অনুসাৰে অসমৰ প্ৰাথমিক স্কুলবোৰৰ পৰিচালনাৰ ভাৰ প্ৰাদেশিক চৰকাৰৰ হাতৰ পৰা লোকেলবোৰ্ড আৰু মিউনিচিপালিটিৰ হাতলৈ যায়। ১৮৭৩-৭৪ খৃঃত অসমত প্ৰাথমিক স্কুলৰ সংখ্যা হৈছিল ৫৯৩ খন। ১৮৮৯-৯০ খৃঃত ১৯২৫ খন।

১৮৬৩-৬৪ খৃঃত অসমত হাইস্কুলৰ সংখ্যা আছিল মাত্ৰ ২ খন। ১৮৭৩-৭৪ খৃঃত অসমত হাইস্কুল ৭ খনলৈ বৃদ্ধি হয়। ইয়াৰে ৬ খন চৰকাৰী আৰু ১ খন বেচৰকাৰী। ১৮৯৮-৯৯ খৃঃত হাইস্কুলৰ সংখ্যা ১৩ খন। ইয়াৰে ৮ খন চৰকাৰী, ১ খন সাহায্য-প্ৰাপ্ত আৰু ৪ খন বেচৰকাৰী।

অসমত উচ্চ শিক্ষাৰ অনুষ্ঠান কলেজ এখন স্থাপন কৰিবৰ বাবে যদিও নানান ধৰণৰ আবেদন নিবেদন আন্দোলন কৰা হৈছিল, তথাপি উনবিংশ শতিকাৰ শেষ দশকলৈকে কলেজ এখনৰ জন্ম হোৱা নাছিল। অসমৰ প্ৰথম কলেজ কটন কলেজ স্থাপন হয় ১৯০১ খৃঃত। ফ্ৰেডাৰিক উইলিয়ম চুদমাৰ্চন কটন কলেজৰ প্ৰথম অধ্যক্ষ।

---

সহায় লোৱা গ্ৰন্থসমূহ—

1. Dr. H. K. Barpujari— Assam in the Days of Company, 1963. A Short History of the Higher Education in Assam, The Golden Jubilee Volume, Cotton College 1951-52.
2. General Report on Public Instruction in the Lower Province of Bengal Presidency 1836-60.
3. Dr. S. Saikia—History of Education.

৩৪ পৃষ্ঠাত চাওক

# উনবিংশ শতিকাৰ অসমৰ চিত্ৰকলা

ড° নৰেন কলিতা

উনবিংশ শতিকাত চিত্ৰিত অসমৰ চিত্ৰসম্পদ সংখ্যাত তাকৰ। চিত্ৰকলাৰ ক্ষেত্ৰত অষ্টাদশ শতিকাই অসমৰ কাৰণে গৌৰৱৰ সময় আৰু এই শতিকাতে পৰম্পৰাগত ( Conventional ) আৰু বহিঃ অসমৰ প্ৰভাৱ লৈ ভালেখিনি চিত্ৰ ৰচিত হৈছিল। অসমৰ সৰহ সংখ্যক চিত্ৰ আৰু পুথিচিত্ৰ অষ্টাদশ শতিকাৰ দান।

দেশত ঘটা অন্তৰ্বিপ্লৱ আৰু উনবিংশ শতিকাৰ আৰম্ভণীৰ পৰাই বিৰাজ কৰা ৰাজনৈতিক আৰু সামাজিক অস্থিৰতাৰ কাৰণে চিত্ৰশিল্প চৰ্চাত বাধা পৰিছিল। ৰজাঘৰীয়া পৃষ্ঠপোষকতা আৰু সত্ৰ-সভাৰ মনোযোগিতা— এই দুটা ক্ষেত্ৰই আছিল পূৰ্বৰ শতিকা দুটাত চিত্ৰৰচনাৰ কাৰণে বিশেষ অনুপ্ৰেৰণাৰ স্থল। কিন্তু উনবিংশ শতিকাৰ আৰম্ভণীৰ পৰাই ৰজাঘৰ নিষ্প্ৰভ হ'বলৈ ধৰে আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰি গা কৰি উঠা সত্ৰসমূহো লগে লগে নিষ্প্ৰভ হ'বলৈ ধৰে। সত্ৰ-সমাজত ইয়াৰ আগতে পুথিলেখা আৰু অলঙ্কৰণ কৰা অথবা চিত্ৰিত কৰা কামটোক যি পবিত্ৰ কাম বুলি ভবা হৈছিল, ৰাজনৈতিক আৰু সামাজিক অস্থিৰতাৰ সময়ত সি দুই এজন খনিকৰৰ বিলাসীতালৈহে পৰ্যবসিত হৈছিল। কোম্পানী আমোলৰ পট্টন আৰু চল্লিশৰ দশকৰ মাজভাগৰ পৰা প্ৰিজম-একৰ্ডিয়ান আদি পশ্চিমৰ

৩৩ পৃষ্ঠাৰ পিচৰ পৰা

4. Dr. A. Chakrabarty— History of Education in Assam, 1826-1919 ( unpublished ).
5. Regulation For the School and Colleges, 1841.
6. V. H. Sward—Baptist in Assam.
7. নন্দ তালুকদাৰ— সম্বাদ পত্ৰৰ ৰ'দ কাচলিত অসমীয়া সাহিত্য।



নানান ন ন বস্তুৰে মিশ্যনাৰীসকলে অসমীয়া মানুহক ভেলিক-বাজি দেখুৱাই খৃষ্টধৰ্মলৈ আকৰ্ষণ কৰিবলৈ জোৰ প্ৰচেষ্টা চলোৱাৰ ফল স্বৰূপে শিচ-ভকতৰ কথাই নাই গোঁসাই মহন্তৰ মনতো খেলিমেলিৰ সৃষ্টি হৈছিল। অসমীয়া মানুহৰ পূৰ্বৰ সংস্কাৰৰ তুলনাত মিশ্যনেৰী-সকলৰ বৈজ্ঞানিক যুক্তি খণ্ডন কৰিবলৈ কঠিন হৈ পৰিছিল আৰু পুৰণি সংস্কাৰবোৰ জহি-খহি যোৱাৰ উপক্ৰম হৈছিল। অন্তৰ্বিপ্লৱ আৰু বহিঃ আক্ৰমণৰ কাৰণে ৰজাৰ টোলত চিত্ৰৰচনা বন্ধ হোৱাৰ উপক্ৰম হৈছিল অথবা বন্ধ হৈছিল যদিও আহোম ৰাজত্বৰ শেষ পৰ্যায়লৈকে ৰজাৰ ঘৰৰ পৰা খনিকৰৰ পৰিয়াললৈ ৰোজ-বাজ দি থকা হৈছিল। একমাত্ৰ সত্ৰসমূহ আছিল, য'ত চিত্ৰৰচনাৰ সম্ভাৱনা আছিল। কিন্তু মানৰ আক্ৰমণৰ কাৰণে দেশ আৰু সমাজ লণ্ডভণ্ড হৈছিল; সেয়ে বৃটিছে মানক খেদি দেশখনত শান্তি প্ৰতিষ্ঠা কৰিবলৈ ধৰা সময়লৈকে সত্ৰসমূহতো শিল্পচৰ্চাৰ পৰিবেশ নোহোৱাকৈ আছিল। কিন্তু বৃটিছে শাসন কৰিবলৈ লোৱাৰ পিচত জীৱন-নিৰ্বাহৰ দৃষ্টিভঙ্গিৰ পৰিবৰ্তন ঘটা, সমাজ-জীৱনলৈ অহা নতুন আদৰ্শ আদিয়েও দেশত ক্ৰিয়া কৰিছিল। লগে লগে শিক্ষা-দীক্ষা সকলোতে পুৰণিৰ পৰিবৰ্তে বৃটিছৰ শিক্ষাৰ পট্টন, অৰ্থকৰী শিক্ষাৰ প্ৰবৰ্তন আৰু কামৰ মূল্য পূৰ্বৰ বিনিময় পদ্ধতিৰে কৰাতকৈ অৰ্থৰে কৰিবলৈ ধৰাত সমাজলৈ নতুন মূল্যবোধৰ চিন্তা আহিছিল। মুঠতে ৰজাঘৰৰ দিনৰ সত্ৰ-সমূহৰ জেউতি কমি আহিছিল। বহু সময়ত চাহাব শাসকসকলে সত্ৰৰ প্ৰতি অবজ্ঞা দেখুৱাইছিল আৰু সত্ৰক লঘু-লাঞ্ছনা নকৰাকৈয়ো থকা নাছিল। নিজৰ ধৰ্ম-উপাসনা নিৰাপদ নাছিল আৰু পশ্চিমীয়া শিক্ষাত শিক্ষিত দুই-এক স্থানীয় লোকে সত্ৰৰ অপবাদৰ কথাও খোলাখুলিভাবে লেখিছিল। সত্ৰৰ পূৰ্বৰ কৰামুঠীয়া শাসন আৰু প্ৰতিপত্তিৰ পৰা মুক্তিৰ কথাও দুই-একে ভাবিছিল। ৰাজকীয় শাসনৰ পৰিসমাপ্তি ঘটাৰ লগে লগে সত্ৰসমূহ নিঠৰুৱা হৈ পৰিছিল। সত্ৰ-সমূহত নিত্য-নৈমিত্তিক কাম আৰু শৰণ-ভজনৰ কাম আদিৰ বাহিৰে অন্য শিল্প চৰ্চাৰ পৰিবেশ প্ৰায় নোহোৱা হৈছিল। ফল স্বৰূপে চৰ্চা নোহোৱাৰ কাৰণে প্ৰাচীন ধাৰাৰ চিত্ৰশৈলী অষ্টাদশ শতিকাতেই জকমকীয়া হৈ উঠি উনবিংশ শতিকাৰ লগে লগে নিষ্প্ৰভ হবলৈ ধৰিছিল। দৰাচলতে অনুশীলন নাথাকিলে উচ্চ পৰ্যায়ৰ শিল্পবস্তু লাভ কৰাৰ আশা কৰিব নোৱাৰি। গতিকে শিল্প-সম্ভাৰত ৰচনাৰ বৈচিত্ৰহীনতা আহি পৰাতো স্বাভাৱিক। উনবিংশ শতিকাত সাৰ্থক চিত্ৰ-ৰচনাৰ

অভাৱ পৰিলক্ষিত হৈছিল আৰু এই ক্ষেত্ৰত অনুশীলন নোহোৱাটোৱেই ইয়াৰ কাৰণ।

এইবোৰ কাৰণতে উনবিংশ শতিকাত অসমত পুথিচিত্ৰন বা অলঙ্কৰণৰ কাম কমিবলৈ ধৰে। অৱশ্যে শতিকাটোত কিমান পুথি চিত্ৰিত হৈছিল, সেই বিষয়ে সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰি। কম সংখ্যক পুথিয়েই এতিয়া পোহৰলৈ আহিছে। আমাৰ প্ৰবন্ধত উল্লেখ কৰা পুথিসমূহৰে দুখন ক্ৰমে বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ আৰু কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত হৈ আছে; বাকীখিনি আমাৰ নিজা সংগ্ৰহৰ। ড° ৰজতানন্দ দাশগুপ্তই তেওঁৰ গৱেষণা গ্ৰন্থখনিত উনবিংশ শতিকাত চিত্ৰিত পুথি থোৱা বাকচৰ চিত্ৰৰ পোহৰছবি দিছে। ড° দাশগুপ্তই এই প্ৰসঙ্গত গোৱালপাৰা জিলাত বাহিৰে অসমৰ অন্য ঠাইত পুথি থোৱা বাকচ চিত্ৰিত কৰা ৰীতি প্ৰচলিত নাছিল বুলি উল্লেখ কৰিছে যদিও দৰাচলতে কথাষাৰ সঠিক নহয়। কেৱল নগাঁও জিলাতেই আমি এনেকুৱা ভালেমান চিত্ৰ পাইছোঁ। বৰ্তমান প্ৰবন্ধৰ পৰিসৰত এইবোৰৰ আলোচনা বাহুল্য হ'ব। এই প্ৰসঙ্গত এটা সুকীয়া প্ৰবন্ধৰ সমল আছে।

এতিয়ালৈকে পোৱা পুথিচিত্ৰবোৰক দুটা পৰ্যায়ত ভাগ কৰিব পাৰি। প্ৰথম ভাগটোৱে চিত্ৰৰচনাৰ পুৰণি ধাৰা এটাৰ ঐতিহ্য বহন কৰিছে আৰু দ্বিতীয় ভাগৰ চিত্ৰসমূহে বৃটিছৰ আগমনৰ ফলত অহা এটা পৰিবৰ্তিত ধাৰাৰ চিনাকি দিছে। অৱশ্যে দ্বিতীয় ধাৰাটো একেবাৰে পৰিপূৰ্ণভাৱে প্ৰথম ধাৰাটোৰ পৰা মুক্ত হ'ব পৰা নাই। তলত শতিকাটোৰ পুথিচিত্ৰসমূহ বৰ্ষানুক্ৰমিকভাৱে আলোচনা কৰা হ'ল।

(১) সচিত্ৰ ভাগৱত: অসম চৰকাৰৰ ইতিহাস আৰু পুৰাতত্ব বিভাগত সংৰক্ষিত এই পুথিখন (নং ১৯৯৭) তেজপুৰৰ বসন্ত কুমাৰ বৰুৱাৰ ঘৰৰ পৰা ক্ৰয় কৰা হয়। পুথিখনৰ অন্তিম পাতখিলাত (১০১) "শাকে ৰসানেত্ৰমুনীন্দু সংখ্যে" বুলি লেখাৰ পৰা পুথিখন ১৭২৬ শকৰ ৰচনা বুলি জনা যায়। এই ফালৰ পৰা পুথিখনক ১৮০৪ খৃষ্টাব্দ অৰ্থাৎ উনবিংশ শতিকাৰ প্ৰথম চিত্ৰিত পুথি বুলি গণ্য কৰিব পাৰি। পুথিখনৰ অন্তিম পাতখিলাত "মূৰ্তিৰচনা-ন্বিতাষ্টমস্কন্ধ পদবন্ধং লিখিতবান্" পদশাৰীৰ পৰা পুথিখন ভাগৱতৰ অষ্টমস্কন্ধ বুলি জনা যায়।

অষ্টাদশ শতিকাৰ প্ৰথমাৰ্দ্ধতো অষ্টম স্কন্ধৰ একোটা অংশৰ চিত্ৰৰূপ দিয়া পোৱা যায়। কিন্তু অষ্টাদশ শতিকাৰ তুলনাত এই



পথিখনৰ চিত্ৰ নিম্ন খাপৰ আৰু ইয়াত অৱক্ষয়ৰ চিন বৰ স্পষ্ট। দুই এটা ৰূপবন্ধ বাদ দিলে সামগ্ৰিকভাৱে এনাটমি মুঠেই সন্তোষজনক নহয়। পুৰাতত্ব বিভাগতে সংৰক্ষিত সত্তৰ অষ্টাদশ শতিকাৰ আগভাগৰ "তীৰ্থ কৌমুদী"ৰ (চিত্ৰকাৰে য'ত পৰম্পৰাগত লোকশৈলীক জ্যামিতিক চানেকিৰ আধাৰত কৃতিত্বৰে অভিব্যক্তিবাদী সম্পৰীক্ষা চলাইছে বুলি ক'ব পাৰি) স্বতঃস্ফুৰ্ত আকৃতি বিকৃতকৰণৰ (distortion) পৰিবৰ্তে ইয়াৰ ৰূপবন্ধ ৰচনাত প্ৰাথমিক পৰ্যায়ৰ হাত আৰু লেখনী পৰিচালনা পৰিস্ফুট হৈছে। এনাটমি-অধ্যয়ন-ব্যৰ্থতাৰ কাৰণে ৰূপবন্ধ সমূহ নিতান্ত পুতলা লেখীয়া হৈছে।

আমি গভীৰভাৱে বিশ্বাস কৰোঁ যে চিত্ৰভাগৱতৰ পূৰ্বৰ পৰাই অসমত এক লোকচিত্ৰশৈলী বৰ্তি আছিল আৰু চিত্ৰভাগৱতে এই শৈলীত নাটকীয় আৰু নৃত্যব্যঞ্জক (আঙ্গিক) ভঙ্গি দি এক শিষ্ট শৈলী গঢ়ি তোলাত কৃতকাৰ্যতা লাভ কৰিছিল। চিত্ৰভাগৱতৰ পৰম্পৰাত ৰচিত অষ্টাদশ শতিকাৰ চিত্ৰসমূহত পূৰ্বৰ নৃত্যব্যঞ্জনা বহু পৰিমাণে বাদ পৰি অভিনয়ব্যঞ্জক একোটা মুহূৰ্ত, চৰিত্ৰৰ ক্ৰিয়াপ্ৰধান গতি অথবা তাৰেই স্থিৰ ৰূপ প্ৰকাশ পাবলৈ ধৰে। মোগল শৈলীৰ প্ৰভাৱ আহিলেও পৰম্পৰাগত চিত্ৰত চিত্ৰভাগৱতৰ দৰেই বিমৰ্ত পৰ্বতী আৰু তাৰ উচ্চ পৰ্যায়ৰ নন্দন মূল্য অষ্টাদশ শতিকাতো পূৰ্ণ পয়োভৰেৰে ৰক্ষিত হয়। কিন্তু বিমূৰ্ত পৰ্বতীক চিত্ৰভাগৱতে ৰূপবন্ধনত নৃত্যছন্দেৰে যিদৰে হাব-ভাবচঞ্চল আৰু লাৱণ্যময় কৰি তুলিছিল, অষ্টাদশ শতিকাত তেনে লাৱণ্য বহু পৰিমাণে আহিছে ৰূপবন্ধবোৰৰ সংস্থাপন বৈচিত্ৰৰ পৰাহে। তাকে কৰিবলৈ যাওঁতে স্থাপত্য-প্ৰকৰণৰ ব্যৱহাৰ বেচি প্ৰকট হৈ পৰিছে। এই প্ৰসঙ্গত গীতগোবিন্দ, আনন্দলহৰী, সচিত্ৰ-ৰত্নাৱলী, অষ্টম স্কন্ধ (ব্যক্তিগত সংৰক্ষণ) — এই থূল পুথিৰ চিত্ৰলৈ চালে ৰূপবন্ধ সংস্থাপনৰ কাৰণে স্থাপত্য-প্ৰকৰণৰ প্ৰচুৰ ব্যৱহাৰ দেখিবলৈ পোৱা যাব।[১] কিন্তু উনবিংশ শতিকাৰ চিত্ৰত লাৱণ্য হ্ৰাস পাবলৈ ধৰে আৰু পৰ্বতী ৰচনাত মুক্তিৰ প্ৰৱনতা আহি পৰিলেও সপ্তদশ-অষ্টাদশ শতিকাত দেখিবলৈ পোৱা বৰ্ণৰ নিমজ গ্ৰাম (tone) প্ৰায়ে ৰুক্ষ হৈ পৰিবলৈ ধৰে। তথাপি এটা কথা থিক যে চিত্ৰভাগৱতে আৰম্ভ

১। এই থূল পুথিৰ চিত্ৰসমূহ অষ্টাদশ শতিকাৰ প্ৰথম তিনিটা বা চাৰিটা দশকৰ ভিতৰত ৰচনা কৰা হ'ব পাৰে। খনিকৰ একেজন নহলেও কেৱল চকু বিন্যাসতহে থকা সামান্য পাৰ্থক্যৰ ওপৰত নিৰ্ভৰ কৰি একে গোষ্ঠীৰ দুজন খনিকৰৰ ৰচনা বুলি অনুমান কৰিব পাৰি।

কৰা ৰূপবন্ধৰ ঠাঁচ, অলঙ্কৃত পোছাক পৰিচ্ছদ আদি অৱক্ষয়িত ৰূপত হলেও উনবিংশ শতিকালৈকে ছেগা-ছোৱোকাকৈ চলি থাকে।

এই পুথিখনৰ চিত্ৰসমূহতো বহু সময়ত চিত্ৰভাগৱতৰ দৰেই ৰূপবন্ধত জ্যামিতিৰ চানেকি আহি পৰিছে। কিন্তু চিত্ৰভাগৱতত এনে চানেকি দেহৰ লগত সংগতি থকা আৰু আসন-স্থানক ভেদে ভঙ্গিৰ লগত বিভাজনব্যৰ্থভাবে মিলি পৰা বিধৰ। কিন্তু এই পুথিখনত এনে চানেকিৰ বিষম ৰূপ দেখিবলৈ পোৱা যায়। শুকমুনি পৰিক্ষিতৰ শিক্ষাদান চিত্ৰখনত আসন ভঙ্গিলৈকে লক্ষ্য কৰিলে ত্ৰিভুজৰ বিষম সংযোজন সহজতে চকুত পৰিব। অৱশ্যে দুই এটা ৰূপবন্ধ যে মনোৰম হোৱা নাই এনে নহয়। ২৯ নং পাতখিলাত "অসুৰনাৰী হাঁহিছে" শীৰ্ষক চিত্ৰত নাৰীকেইগৰাকীৰ ৰূপবন্ধত কিৰাতনাৰীৰ দেহসৌষ্ঠৱ সাৰ্থকভাৱে প্ৰকাশ পাইছে। ইয়াত মুখাবয়ব সাধাৰণভাবে বিধিসিদ্ধ প্ৰ'ফাইল নহয়। কিন্তু মুখাবয়ব হলে ভাব প্ৰকাশক নহয়।

ঋজ্বাগত মথাবয়বত চকু দুটা বাহিৰৰ পৰা লগাই দিয়া যেন লাগে। চেলাউৰি প্ৰায় লগ লগা। এনে মুখাবয়বৰ ৰচনা-ৰীতিত ভোট-বৰ্মী প্ৰভাব স্পষ্ট। এনে আহি চিত্ৰভাগৱততো আছে, কিন্তু তন্ত্ৰচিত্ৰত এই আহি বেচি ঘনিষ্ঠভাবে পোৱা যায়। ৰূপ-বন্ধবোৰ তোড়ণৰ ভিতৰত ৰাখিছে যদিও তোড়ণবোৰ সমমাত্ৰিক আৰু চেপেলা। লীলায়িত চন্দ্ৰকলা নাই। পুথিখনত লতা বচাৰ পৰিবৰ্তে বৰণৰ কুট দিয়া হৈছে, কিন্তু সি লাৱণ্য বঢ়াব পৰাকৈ (যেনেকৈ "শঙ্খচূড় বধ"ত কৰা হৈছিল) গ্ৰামবদ্ধ নহয়।

## ২। নিমিনৱসিদ্ধ সংবাদ আৰু ভকতি প্ৰদীপ :—

প্ৰাচীন সত্ৰীয়া আহিত ১৮১৭ চনত চামগুৰি সত্ৰত চিত্ৰিত কৰা হয় 'নিমিনৱসিদ্ধ সংবাদ' আৰু 'ভকতি প্ৰদীপ'। শিল্পী-সত্ৰাধিকাৰৰ সত্ৰ হিচাপে প্ৰখ্যাত চামগুৰি সত্ৰ প্ৰধানকৈ কাঠৰ সুকুমাৰ কামৰ বাবে প্ৰসিদ্ধ। এই সত্ৰখনৰ পৰা লেখত বহুত পুথিচিত্ৰ পোৱাৰ আশা কৰা হয় যদিও কেৱল এই দুভাগ পুথিতহে ক্ৰমে ৭ আৰু ৩ খনকৈ মুঠ দহখন চিত্ৰ পোৱা হৈছে। চিত্ৰৰচনা পৰম্পৰাগত (Conventional) বা সত্ৰীয়া আহিৰ। এই আহিত আনুভূমিক বা প্ৰস্থক্ৰমত চিত্ৰৰচনা মূল বৈশিষ্ট্য। পুথিদুখনৰ আটাইকেইখন চিত্ৰত এই বৈশিষ্ট্য অক্ষত আছে। চিত্ৰভাগৱতকে ধৰি সত্ৰীয়া আহিত



চিত্ৰিত ভালেমান পুথিচিত্ৰত দেখিবলৈ পোৱাৰ দৰে ইয়াতো পৰ্বতীক (Background) নিস্তৰঙ্গ (Negative) আৰু লীলাচঞ্চল (Active) ক্ষেত্ৰত বিভাজন কৰা হৈছে। লীলাচঞ্চল ক্ষেত্ৰক লীলায়িত চন্দ্ৰকলাৰে বাৰ বান্ধি দিয়া হৈছে সত্ৰীয়া পৰম্পৰা মতেই।

চিত্ৰসমূহত লাৱণ্য-যোজনাৰ কাৰণে খনিকৰজনাই বিশেষ দৃষ্টি দিয়া নাছিল। বিশেষকৈ বৰ্ণ-প্ৰয়োগৰ ক্ষেত্ৰত তেওঁক বৰ অমনোযোগী যেন দেখা গৈছে। কিন্তু ৰেখ'ৰে ৰূপবন্ধ (form) ৰচনা কৰাত তেওঁ সুদক্ষ নোহোৱা নহয়। ৰেখাৰ শক্তিৰেই একোটা ৰূপবন্ধক সচল কৰি তুলিছে। চিত্ৰবোৰৰ মানব ৰূপবন্ধসমূহৰ এটা বৈশিষ্ট্য হৈছে এইবোৰৰ এটা বাহু অদৃশ্য হৈ থাকে; কিন্তু গা টঙালি বা আচলাখনৰ আউঠিৰেখাই তাৰ ব্যঞ্জনা দিয়ে। একাশৰীয়াকৈ দেখুওৱা মূৰ্তিৰ দৰ্শনীয় ফালটোৰ বিপৰীত ভাগ যিহেতু অদৃশ্য হৈ পৰাটোৰেই সম্ভৱ, সেয়ে এই বাহুটো সাধাৰণতে অদৃশ্য কৰি ৰখা হৈছে। কিন্তু দেহক ঋজ্বাগত ভঙ্গিত বিন্যাস কৰোঁতেও খনিকৰজনে সেই বাহুটো অদৃশ্য কৰিয়েই ৰাখিছে। নৱসিদ্ধৰ মূৰ্তিত অৱশ্যে এই বৈশিষ্ট্য নাই। চিত্ৰভাগৱতত এই বাহুটো আৰু বাহু-সংলগ্ন হাতখন কিছু আগবঢ়াই কৃত্ৰিম কৰা দেখা যায়। এই পুথি দুখনত ইয়াৰ বিপৰীতে অদৃশ্য কৰি কৃত্ৰিমতা ৰচনা কৰা হৈছে। পুথি দুখনত কেৱল মানব ৰূপবন্ধই আছে। বন-বিৰিখ বা অন্য জীৱজাতি কতো দেখুওৱা নাই। মানব ৰূপবন্ধৰ মুখাবয়ব ডিম্ব-গঢ়ৰ আৰু কেতিয়াবা সামান্য ডাঙৰ চতুষ্কোণ ক্ষেত্ৰৰ (ভকতি প্ৰদীপৰ তিনিওখন চিত্ৰ, পৃঃ ৩০ (ক), ৩২ আৰু ৩৩) ৰচনাৰীতিত বিন্যস্ত। ডিম্বাকৃতিৰ তিনি-চতুৰ্থাংশ মুখাবয়বো আছে (পৃঃ ২৭-নাৰীমূৰ্তি)। চকু মাছৰ দৰেই, মনোৰম নহলেও ডাঙৰ চানেকীয়া। কোনো কোনো মূৰ্তিত বৰণে চকুৰ আকৃতি ঢাকি ধৰিছে আৰু সেয়ে চকু নথকা যেন দেখা যায়। চকুৰ জ্যোতিৰে মুখাবয়বৰ জেউতি বঢ়োৱা অথবা মুখাবয়ব ভাবপ্ৰকাশক কৰি তোলাৰ প্ৰতি খনিকৰে মুঠেই দৃষ্টি দিয়া নাই। মুখাবয়ব সেই কাৰণে জঠৰ যেন দেখা গৈছে, কিন্তু আসনভঙ্গি আৰু হাত দিয়াৰ ভঙ্গিয়ে ৰূপবন্ধসমূহক কিছু সজীৱ কৰি তুলিছে। পৃঃ ৪ (ক)-চিত্ৰখনৰ ৰচনাত খনিকৰে নিজৰ উদ্ভাৱন দক্ষতা দেখুৱাব পাৰিছে, বিশেষকৈ নৱসিদ্ধৰ আসন অৱস্থানৰ মাজেৰে। ইয়াত ছজন সিদ্ধক পৰম্পৰাগত আনুভূমিকক্ৰতম ইজনৰ পিচত সিজনকৈ সংস্থাপন নকৰি টেৰেচীয়াকৈ অঙ্কণ কৰিছে। কিন্তু

এনেকৈ দেখুৱাবলৈ যাওঁতে বহি থকা আসনখনৰ যি ঘনত্ব দেখুৱাব লাগিছিল, সেইটো কৰা হোৱা নাই। ফলস্বৰূপে ৰূপবন্ধসমূহ ওপৰা-উপৰি ( Overlaping ) হৈছে আৰু অৱয়ব ৰচনাত কৃত্ৰিমতা আহি পৰিছে। কীৰিটিৰ মাজেৰে উদ্ভাসিত চূড়ামণি অস্বাভাৱিক ডাঙৰ, কিন্তু সিদ্ধসকলৰ খোপা আৰু নাবদৰ কেশবিন্যাস মনোৰম। খোপা আৰু কেশবিন্যাসৰ পৰা অনুমান কৰিব পাৰি যে খনিকৰজনে এই দিশত বিশেষ মনোযোগ দিছিল। বস্ত্ৰ-অলঙ্কাৰ সাধাৰণ, কিন্তু গা টঙালিখন চিত্ৰভাগৰতৰ দৰে একেই উৰণীয়া। বৰ্ণপ্ৰয়োগ সমমাত্ৰিক ( flat ) যদিও পৰিহিত বস্ত্ৰত একোটা গভীৰ ৰেখা টানি কৃত্ৰিমভাবে দেহৰেখাৰ চিনাকি দিয়াৰ খুজিছে। চুটি চুটি ৰেখাৰ ব্যৱহাৰ প্ৰায় পৰিহাৰ কৰি চলিছে, একে আয়াসতে টনা একোটা ৰেখাৰেই দেহৰ ভাঁজ, ভঙ্গি আদি তুলিছে। কিন্তু খনিকৰজনাৰ অমনোযোগিতাৰ কাৰণেই ৰেখা লাৱণ্যময় হোৱা নাই, কেৱল আকৃতি প্ৰকাশৰ মাধ্যমহে হৈছে। চন্দ্ৰকলাৰ বিন্যাসত ছন্দমাধুৰ্য হলে আছে। উনবিংশ শতিকাৰ আৰম্ভণীতে অসমীয়া চিত্ৰকলাৰ যি প্ৰকাশ এই পুথিদুখনতো ঘটিল, সেয়া সামগ্ৰিকভাবে অবক্ষয় হবলৈ ধৰা এটা ধাৰাৰেই প্ৰকাশ বুলি ভাবিব পাৰি।

## (৩) সচিত্ৰ পাৰিজাত হৰণ নাট:—

আইভেটি নসত্ৰত ১৮৩৫ চনত সেই সত্ৰৰ সত্ৰাধিকাৰ শশধৰ আতাই সচিত্ৰ কৰা মহাপৰুষ শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ' নাটখনি উনবিংশ শতিকাৰ পুথিচিত্ৰসমূহৰ ভিতৰত উচ্চ মানৰ সৃষ্টি। পুথিখন অসমাপ্ত আৰু শেষৰ তিনিটা পাতৰ মুঠ ছখন ফলক কেৱল ৰেখাঙ্কন কৰি থোৱা। তাৰে ক্ৰম হিচাপে প্ৰথম ফলকত পৰ্বতীত বৰ্ণপ্ৰয়োগ কৰা অৱস্থাতে আছে। শিল্পী-সত্ৰাধিকাৰ গৰাকী ঢুকোৱাটোৱেই চিত্ৰসমূহ অসমাপ্ত হৈ থকাৰ কাৰণ। অসমাপ্ত চিত্ৰসমূহৰ পৰা অসমত চিত্ৰ-ৰচনাৰ কলা-কৌশলৰ বিষয়ে ভালেখিনি তথ্য পাব পাৰি। আমাৰ অন্য এটা প্ৰবন্ধত এই তথ্যবোৰ আলোচনা কৰা হৈছে ( চিত্ৰলক্ষণ: ১৯৮১ চনৰ ফেব্ৰুৱাৰী সংখ্যা প্ৰকাশ )। এই কৌশল বা আঙ্গিকবোৰৰ ভিতৰত অতি মনোযোগ দিবলগীয়া বিষয়টো হৈছে একক নিৰ্দ্ধাৰণ। একক জোখ লোৱা বিন্দুবোৰ যদি একোটা সৰল ৰেখালৈ ৰূপান্তৰিত কৰা



হয়, তেনেহলে দেখিবলৈ পোৱা যাব যে এই ৰেখাবোৰে স্পেচক আনুভূমিক ছেদ কৰিছে আৰু পৰ্বতীৰ এই সমান্তৰাল সৰল-ৰেখাবোৰে অৱয়বৰ ভিন ভিন অঙ্গ বিশ্লেষণত তালমানৰ কাম কৰিছে। উল্লেখযোগ্য যে ৰেখাঙ্কণৰ পূৰ্বেই এই এককবোৰ নিৰ্দ্ধাৰণ কৰি লোৱা হৈছে আলেখ্যস্থানৰ কাষত লেখা বাক্য বা পদৰ শাৰীৰ লগত সমতা ৰাখি। ইয়াৰ পিচতহে অৱয়বৰ ৰেখাঙ্কণ কৰিছে। অনুসৃত এই কৌশলৰ পৰা এই কথা সহজে অনুমান কৰিব পাৰি যে একোটা অৱয়ব নিৰ্দিষ্ট তাল-মানত বিন্যস্ত আৰু আসন-স্থানকভেদে মূৰ্তিবোৰৰ উচ্চতাৰ হ্ৰাস-বৃদ্ধি নিৰূপিত হোৱাটোৱেই নিয়ম। আনফালে এনেদৰে তালমান নিৰ্ণিত হোৱাৰ কাৰণে অৱয়বৰ এনাটমি সুৰক্ষিত, সংহত আৰু স্বাভাৱিক হোৱাত সহায়ক হৈছে।

একক নিৰ্দ্ধাৰণ কৰি লোৱাৰ পিচতে অৱয়বৰ ৰেখাচিত্ৰ অঙ্কণ কৰা হৈছে। ৰেখাঙ্কণৰ বেলিকা দুটা স্বতন্ত্ৰ পৰ্যায় লক্ষ্য কৰিব পাৰি। প্ৰথম পৰ্যায়ত মূৰ্তিৰ আকৃতি তুলিছে আৰু দ্বিতীয় পৰ্যায়ত তাৰ আৱশ্যকীয় সংশোধন আৰু সংযোজন কৰিছে। এনে দুটা পৰ্যায়ত ৰেখাঙ্কণ কৰাটো শিল্পশাস্ত্ৰোক্ত কোনো ধৰাবন্ধা কৌশলৰ অনুসৰণ নহয়, শিল্পীৰ ক্ষেত্ৰত এইটো স্বাভাৱিক আৰু আৱশ্যকীয়ও। কিয়নো প্ৰথম পৰ্যায়ৰ ৰেখাঙ্কণৰ জৰিয়তেই সাধাৰণ আকৃতি তুলিব পাৰি অথবা সাধাৰণতে তোলা হয় যদিও দ্বিতীয় পৰ্যায়ৰ ৰেখাঙ্কণেহে সংশোধন, সংযোজন, বিয়োজনৰ জৰিয়তে অৱয়বৰ স্পষ্ট নিখুঁত ৰূপ সৃষ্টি কৰাত প্ৰকৃত অৰিহণা আগবঢ়ায়।

পাৰিজাত হৰণৰ চিত্ৰসমূহত ৰেখা মসৃন আৰু গতি প্ৰত্যয় সুলভ। ভাঁজবোৰত কাব্যিক মাধুৰ্য আছে। কেতিয়াবা বাহুমূলৰ পৰা কঁকাল হৈ ভৰিলৈ আগবঢ়া দেহৰেখত পৰিদৃশ্য ভাঁজবোৰত যেন সাঙ্গীতিক মূৰ্চনাহে উদ্ভাসিত হৈ উঠিছে, এনে অনুভৱ হয়। খনিকৰে এই সুদীৰ্ঘ পৰিক্ৰমণ তেওঁৰ লেখনীৰ এটা টানেৰেই কৰা নাই, এঠাইত বা দুঠাইত লেখনীক জিৰণি দিছে। কিন্তু বৰ্ণপ্ৰয়োগ কৰোঁতে জিৰণিৰ সেই খাজিখোৱা আপোনা-আপুনি সৰল হৈ ৰেখাৰ প্ৰবাহত আত্মসমৰ্পন কৰি শেষ লক্ষ্যলৈ বুলি গতি কৰে। সূক্ষ্ম মিহি ৰেখাৰ অবিস্মৰণীয় কৰ্মকুশলতা প্ৰকাশ পাইছে জালীৰ ওৰণি ৰচনাত। ইয়াত ৰেখাৰ বৈচিত্ৰময় প্ৰয়োগেৰে ট্ৰেন্স্পাৰেঞ্চি দেখুওৱা হৈছে। কেৱল

এয়ে নহয়, বৰ্ণগ্ৰামৰ (tonal effect) তাৰতম্যও দক্ষতাৰে দেখুওৱা হৈছে। এখন চিত্ৰত ইকৰা-খাগৰিৰে বোৱা বেৰ এখনত ৰেখাৰ প্ৰয়োগেৰেই বৰ্ণগ্ৰামৰ তাৰতম্য বৰ সুন্দৰকৈ প্ৰকাশ কৰা হৈছে। পূৰ্বৰ প্ৰথাগত আনুভূমিক ৰূপবন্ধ সংস্থাপনৰ ৰীতিৰ পৰা আঁতৰি আহি খনিকৰজনাই দুই এখন চিত্ৰত একে আনুভূমিক ক্ৰমতে বিশৃঙ্খল সংস্থাপনৰ মাজতো পৰিদৃশ্য হ'ব পৰা মধুৰ ঐক্য দেখুৱাবলৈ সক্ষম হৈছে। মুৰদানৱ বধৰ চিত্ৰখন এই ক্ষেত্ৰত শিল্পগুণেৰে সমৃদ্ধ বিশেষভাবে উল্লেখযোগ্য চিত্ৰ। এটা ৰূপবন্ধই ছাঁ কৰি ধৰিলে আন এটা ৰূপবন্ধৰ যিখিনি দেখা পোৱা যাব, তাকো দেখুৱাবলৈ খনিকৰে পাহৰা নাই। চিত্ৰখনত হাতীৰ গাটোৰে আঁৰ কৰি ধৰা মানুহ দুটাৰে এটাৰ তলভাগ আৰু মুৰৰ পাগুৰী আংশিক আৰু আনটোৰ কেৱল তলভাগৰ আংশিক দেখুৱাই খনিকৰে তেওঁৰ নিখুঁত প্ৰয়োগজ্ঞানৰ পৰিচয় দিব পাৰিছে। পোহৰলৈ অহা উনবিংশ শতিকাৰ পুথিচিত্ৰসমূহৰ ভিতৰত পাৰিজাত হৰণ একমাত্ৰ শ্ৰেষ্ঠ ৰচনা হ'ব পৰাৰ যোগ্যতা আছে।

(৪) কৰ্ণ পৰ্ব ঃ— কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত এই পুথিখনৰ ৰচনা সমাপ্ত হয় ১৭৬৩ শকৰ শাওন মাহৰ ২১ দিন যোৱাত শুক্ৰবাৰে। লেখক দুৰ্গাপঞ্চানন। আত্ম-পৰিচয়ৰ পৰা খনিকৰো একেজন বুলি অনুমান কৰিব পাৰি। এই প্ৰসঙ্গত তেওঁ লেখিছে "কিন্তু চিত্ৰকাৰ্যে বিশাৰদ শ্ৰীদুৰ্গাদাসে লেখে আদৰ্শত যেন দেখে"। চিত্ৰৰচনা প্ৰসঙ্গত "আদৰ্শত যেন দেখে" কথাষাৰ তাৎপৰ্য্যপূৰ্ণ। চিত্ৰ-সমূহলৈ লক্ষ্য কৰি চিত্ৰকৰৰ আহি যে ভাওনাই আছিল, সেই কথা অনুমান কৰিব পাৰি। কুৰুক্ষেত্ৰ সমৰ প্ৰকাশক গতিপ্ৰধান চিত্ৰই এই তুলাপতীয়া পুথিখনত আছে। বেশ-ভূষা, অলঙ্কাৰ আদিৰ ক্ষেত্ৰত অসমীয়া ভাওনাৰ আহাৰ্যভাগৰ গুৰুত্ব বিশেষ ৰকমে প্ৰকাশ পাইছে। আহাৰ্যক সামৰি গতিপ্ৰধান অভিনয় চিত্ৰসমূহৰ উপজীব্য হোৱাৰ কাৰণেই হয়তো লেখকে "আদৰ্শত যেন দেখে" কথাষাৰ উল্লেখ কৰিছে।

চিত্ৰ ৰচনা উচ্চস্তৰৰ নহলেও পৰম্পৰাৰ পৰা মুক্তিৰ আকাংখা ধৰিব পাৰি। প্ৰথম কথা হৈছে, পূৰ্বৰ চিৰাচৰিত আহিৰ চাৰিসীমা বন্ধা পৰ্বতী ইয়াত নাই। দ্বিতীয়তে একৰঙী বিমূৰ্ত পৰ্বতী ৰচনাও প্ৰায়ে পৰিহাৰ কৰিছে। অৱশ্যে পৰ্বতী যেতিয়া বৰণেৰে বুলাইছে, তেতিয়া পৰ্বতীৰ বৰণেই সীমাই সীমাই বৈ গৈছে। কিন্তু এইটো হলেও ৰূপবন্ধসমূহৰ বিবৰণত ই বাধা আৰোপ কৰা নাই। তৃতীয়তে আলেখ্যস্থানৰ সীমাৰ বাধ্য বাধ্যকতাৰ পৰা মুক্তি লাভ কৰি ৰূপবন্ধই প্ৰায়ে দুয়োফালৰ পাঁথৰ পৰা কেন্দ্ৰলৈ গতি কৰিছে। কেতিয়াবা এনে ভাব হয় যে পাঁথৰ শেষ প্ৰান্তৰ সিফালেও যেন বহু চৰিত্ৰই আগমন অপেক্ষাত বৈ আছে। এনে ব্যঞ্জনাই চিত্ৰৰ নন্দনতাত্বিক মূল্য বৃদ্ধি কৰিছে। ২৭ নং পাতখিলাত দেখুওৱা সাতোটা হাতীৰ সংস্থাপন বৈচিত্ৰ মন কৰিবলগীয়া। আহে নলৈকে আংশিক দৰ্শনীয় কৰি আৰু বাকীখিনি ছায়াঘন পৰ্বতীৰ বুকুত গোপন কৰি হাতীকেইটাক দৃষ্টিৰ পোনে পোনে দেখুৱাবলৈ সযত্ন প্ৰচেষ্টা চলিছে। গতিকে ইয়াত দৃষ্টিৰ গতি চিত্ৰৰ লগে লগে আনুভূমিক নহৈ পোনে পোনে পৰ্বতীৰ গভীৰলৈ সঞ্চৰণশীল হয়। একোটা দৃশ্যক অকল সমমাত্ৰিক ভাবে চোৱাৰ পৰিবৰ্তে এইজনা খনিকৰে বিভিন্ন কোণৰ পৰাও চাইছে আৰু খণ্ডিত ভাবেও চাইছে। নিজৰ দৃষ্টিৰ সীমাৰ মাজত যিখিনিয়েই উদ্ভাসিত হৈছে, আৰু তাৰ পূৰ্ণাঙ্গ ৰূপখিনি পূৰ্ণাঙ্গ ৰূপত আৰু আংশিকখিনি যথাদৃষ্ট ৰূপতে চিত্ৰিত কৰিছে। গতিকে ৰূপভেদ নিৰ্ণয়ৰ বেলিকা খনিকৰজনাৰ নতুন দৃষ্টিভঙ্গি লক্ষ্য কৰিব পাৰি। জীৱজন্তুৰ গতিশীল ৰূপ ৰচনাৰ ক্ষেত্ৰত একে আয়াসতে টনা ছন্দময় ৰেখাৰ লাৱণ্য ফুটি উঠিছে। ছন্দময় ৰেখাৰে ৰূপ ৰচনাত খনিকৰজনাৰ দক্ষতা প্ৰশংসনীয়। সেইদৰে একেলগে একেটা থুপতে দেখুৱাবলগীয়া কেইবাটা জীৱজন্তুৰ ভৰিখিনি স্পেচত সংস্থাপনৰ বেলিকা প্ৰায়ে অনুসৰণ কৰি অহা ব্যঞ্জনাৰ (Impression) পৰিবৰ্তে যথাযথ কৰি দেখুৱাইছে আৰু তাকে কৰিবলৈ যাওঁতে স্পেচক কোনো ৰকমে ভাৰাক্ৰান্ত কৰা নাই।

কিন্তু খনিকৰজনৰ ইমানখিনি কুশলতা থকা সত্বেও বৰ্ণৰ গ্ৰাম নিৰ্ণয় সুস্থভাৱে কৰিব পৰা নাই। পাতল ছায়াঘন বৰ্ণৰ প্ৰাচুৰ্য "শঙ্খচূড় বধ"ৰ চিত্ৰতো আছে ; কিন্তু তাত সেই সেই বৰ্ণ তাৰ গ্ৰাম-গুণৰ কাৰণে কান্তিময় হৈ পৰিছে, চিত্ৰত এক সমাহিত জ্যোতি সৃষ্টি কৰিছে। কিন্তু ইয়াত গ্ৰাম নিৰ্ণয়ৰ বিসঙ্গতি অথবা দুৰ্বলতাই চিত্ৰসমূহত কান্তি ৰচনা কৰিব পৰা নাই। বহু সময়ত বৰণ চমকাচমক হৈয়ো ৰৈছে। অলঙ্কৰণ প্ৰাচুৰ্যেৰে (Over decoration) জলক দিবলৈ চেষ্টা কৰি বৰ্ণগ্ৰামৰ বিসঙ্গতি গোপন কৰিবলৈ প্ৰয়াস কৰিছে। কিন্তু যিমানেই চেষ্টা কৰা নহওক কিয় ৰূপ আৰু বৰ্ণ পৰিপূৰক নহলে কোনোটোৱেই সাৰ্থক হ'ব নোৱাৰে। ৰচনাও তেতিয়া

নিস্মস্তৰতে থাকি যায়। কৰ্ণপৰ্বত এইটোৱেই ঘটিল আৰু সেয়ে ইয়াৰ চিত্ৰবাজিতো উনবিংশ শতিকাৰ অৱক্ষয় ধৰা পৰিছে।

(৫) ( পুথিৰ নাম অজ্ঞাত )

১৮৬৭ চনত কলিয়াবৰৰ চামগুৰি সত্ৰত আন এভাগ পুথি চিত্ৰিত কৰা হৈছিল। পুথিখনৰ কোনো নাম নাই ; কিন্তু বিষয়বস্তুৰ পৰা অনুমান কৰিব পাৰি যে এই পুথিখন স্বপ্নফল বিষয়ৰ। প্ৰতিখিলা পাত ( সাঁচিপাত ) ১০″×২″ জোখৰ। পাতবোৰৰ বাওঁফালে পাঁথত অকলশৰীয়া একোটা মূৰ্তি। বৰ্ণ আৰু ৰেখা পৰম্পৰাগত চিত্ৰশৈলীৰ। কোনো কোনো মূৰ্তিৰ ৰচনালাৱণ্য আছে।

অসমলৈ বৃটিছ আগমনৰ ভালেমান দিন পিচত সম্ভৱ গোহৰ-চিত্ৰ আৰু কেলেণ্ডাৰচিত্ৰৰ প্ৰভাৱত সত্তৰৰ দশকত চিত্ৰৰচনাৰ আহিৰ পৰিবৰ্তন হয় আৰু একেদৰে পানী ৰং আৰু চিয়াহীয়ে স্থান লবলৈ ধৰে। চিত্ৰৰ বাহক হিচাপে নতুন কাগজ ব্যৱহাৰ হোৱাটো লক্ষ্য কৰিব লগীয়া। কিছু পৰিমাণে ফটোগ্ৰাফীৰ আহিয়েও চিত্ৰৰচনাত ক্ৰিয়া কৰিছে। আনফালে সত্ৰীয়া পৰম্পৰাত ৰচনাকাৰ্য সমাপ্ত কৰাৰ কাৰণে তাৰো প্ৰভাৱ নোহোৱা নহয়। বৰ্ণবতনাৰে মুখাৱয়বৰ মডেলিং ন কৈ দেখা দিয়া আহিৰ। একেদৰে পানীৰঙৰ বিধি অনুযায়ী পাতল বৰ্ণৰ ওপৰত ডাঠ বা বলবান বৰ্ণৰ কাম নতুন আহিৰেই হোৱাটো সম্ভৱ। বৰ্ণ স্বচ্ছতা প্ৰাকৃতিক দৃশ্যবাজিত দেখিবলৈ পোৱা যায়। প্ৰাকৃতিক দৃশ্যৰ ৰূপায়ন কিছু পৰিমাণে টপ'গ্ৰাফিক ধৰণৰ।

নতুন ধাৰাৰ চিত্ৰসমূহ একমাত্ৰ জখলাবন্ধা সত্ৰৰ পৰা পোৱা হৈছে। এই চিত্ৰবোৰৰ লগতে ভালেখিনি তন্ত্ৰচিত্ৰও পোৱা হৈছে। তন্ত্ৰচিত্ৰখিনিৰ মাজত ১৭৭৮ শকৰ ৩০ আহিন তাৰিখ লেখি থোৱা আনন্দৰাম ঢেকিয়ালফুকন কৃত বাৰ্ষিক কৰ্মৰ তালিকা এখন পোৱা হৈছে আৰু ইয়াৰে বিপৰীত পিঠিত কালীৰ চিত্ৰ অঙ্কণ কৰা হৈছে। ইয়াৰ পৰা অনুমান কৰা হৈছে যে তন্ত্ৰচিত্ৰসমূহ উনবিংশ শতিকাৰ শেষাৰ্দ্ধৰ হ'ব। পুথিচিত্ৰ আৰু পুথিৰ মাজে মাজে থকা অন্যান্য একক চিত্ৰবোৰো উনবিংশ শতিকাৰ শেষাৰ্দ্ধৰ হোৱাটোৱেই সম্ভৱ। চিত্ৰসমূহ যে পুথিৰ প্ৰতিলিপি কৰাৰ পিচৰ কালৰ সেই কথা পুথিসমূহৰ পৰাই অনুমান কৰিব পাৰি। কিয়নো দেখা যায় আগতেই প্ৰতিলিপি কৰা পুথিৰ খালী থকা কোনোটো পিঠিতেহে খনিকৰে চিত্ৰ অঙ্কণ কৰিছে। সেইদৰে



সুকীয়া সাঁচিপাত এখিলাতো চিত্ৰ আঁকি পুথিৰ মাজত ভৰাই থৈছে। কেতিয়াবা কাগজত চিত্ৰ অঙ্কণ কৰি সেইখন ছপা পুথিৰ কাঠৰ বাকলিত আঠা দি থৈছে। আগতে প্ৰতিলিপি কৰা পুথিৰ খালী থকা পিঠিত অঙ্কণ কৰা চিত্ৰকেইখন পুথিকেইখন প্ৰতিলিপি কৰা সময়লৈ আগবঢ়াই নিব নোৱাৰি এই কাৰণেই যে কাগজত অঙ্কণ কৰি কাঠৰ বাকলিত আঠা দি থোৱা চিত্ৰৰ লগত এইবোৰৰ বিশেষ পাৰ্থক্য নাই। এই চিত্ৰসমূহত প্ৰয়োগ কৰা বৰ্ণ পূৰ্বৰ শতিকাবোৰৰ চিত্ৰসমূহৰ পৰাও পৃথক। এই চিত্ৰসমূহ উনবিংশ শতিকাৰ ষাঠীৰ দশকৰ পিচৰ হোৱাটোৱেই সম্ভৱ। তলত এই ধাৰাৰ চিত্ৰপুথি আৰু একক চিত্ৰসমূহৰ নাম উল্লেখ কৰা হ'ল—

(১) আদ্যদশম—পুথিখনত আখ্যান উপস্থাপক ভালেকেইখন চিত্ৰ আছে।

(২) সংস্কৃত ভাগৱত—১ম আৰু ২য় স্কন্ধ। পুথিখন তুলাপতীয়া। ২য় স্কন্ধৰ শেষত পুথি প্ৰতিলিপি কৰাৰ শক ১৬৮৬ লেখা আছে। আগতেই উল্লেখ কৰা হৈছে চিত্ৰসমূহ পুথি প্ৰতিলিপি কৰাৰ একে সময়ৰ নহয়। প্ৰাতটো স্কন্ধৰ প্ৰথম পাতটোৰ খালী থকা পিঠিত একোখনকৈ মুঠ দুখন চিত্ৰ আছে।

(৩) অনন্ত কন্দলিকৃত শেষ দশম। পুথিখন তুলাপতীয়া। কিন্তু এখিলা সাঁচিপাতৰ দুয়োফালে দুখন পূৰ্ণাঙ্গ চিত্ৰ আছে।

(৪) গোবৰ্দ্ধনগিৰি আৰু গোকুল ৰৰ্ণনাৰে সাঁচিগাতত অঁকা এখন একক চিত্ৰ।

(৫) প্ৰয়োগ ৰত্নমালা ব্যাকৰণ। কাগজত লিখা প্ৰথম পাতটোৰ খালী থকা পিঠিত পত্ৰলতা, পখী আৰু পতঙ্গৰ চিত্ৰ।

(৬) "শ্ৰীমদ্ভাগৱতে দশমস্কন্ধে পূৰ্বাৰ্ধে অধ্যায়ঃ ১"। ছপা পুথি। কিন্তু প্ৰথম পাতটোৰ খালী থকা পিঠিত উদ্ভৱ, শ্ৰীধৰস্বামী, বিষ্ণুপুৰী আৰু শ্ৰীশুকদেৱৰ চিত্ৰ।

(৭) এখন ডাঠ কাগজত একে পিঠিত এভাগত শ্ৰীশঙ্কৰ আৰু মাধৱ, আন ভাগত শ্ৰীচৈতন্য, ভক্ত হৰিদাস আৰু বিল্বমঙ্গলৰ চিত্ৰ।

(৮) শ্ৰীধৰ স্বামীৰ টীকাৰে শ্ৰীমদ্ভাগৱত গীতা। ছপা পুথি – ছপাৰ শক ১৮২২। পুথিখন বান্ধি থোৱা কাঠৰ বাকলি এচটাত সুকীয়া কাগজত অঙ্কণ কৰি আঠা দি থোৱা এখন চিত্ৰ। পুথিখনৰ ছপাৰ চন তাৰিখৰ পৰা চিত্ৰখনৰ সময় বিংশ

শতিকাৰ প্ৰথম দশক মানলৈ আনিব পাৰি। ছপা পুথিত আঁকি থোৱা আনখন চিত্ৰকো (৬) বিংশ শতিকাৰ ১ম দশকলৈ ধৰিব পাৰি।

(৯) কাঠৰ বাকলিত আঠা দি থোৱা আন এখন চিত্ৰত অধ্যাপক আৰু শিষ্যৰ ক্ৰমে পাঠ দান আৰু গ্ৰহণৰ দৃশ্য অঙ্কণ কৰা হৈছে। চিত্ৰখনত হাস্যভঙ্গি আছে। চিত্ৰখন কেৱল ৰেখাঙ্কণহে।

এই পুথিচিত্ৰসমূহৰ ভিতৰত আদ্য দশমৰ চিত্ৰসমূহ পুৰণি পৰম্পৰাৰ হলেও চিত্ৰায়নৰ কাৰণে ইয়াত সুকীয়া আলেখ্যাস্থান নিৰ্দ্ধাৰণ কৰা নাই। সম্ভৱ প্ৰতিলিপি কৰোঁতাজন নিজেই চিত্ৰকৰো আছিল সেয়ে পদৰ শাৰীৰ মাজত চিত্ৰসমূহ অঙ্কণ কৰি এনে দেখুৱাইছে যেন পদৰ বক্তব্যই চিত্ৰ হৈ ওলাই আহিছে। তালবন আৰু গোপ-গাইসমূহক বনাগ্নিয়ে ঘেৰি ধৰা আৰু কৃষ্ণই এটা দূৰত্বৰ পৰা নিৰ্ভয় দিয়া চিত্ৰ দুখন বৰ মনোৰম হৈছে। চিত্ৰ অঙ্কণৰ কাৰণে খনিকৰ জনে কেৱল চিয়াহী বৰ্ণহে ব্যৱহাৰ কৰিছে। হলেও চিত্ৰৰচনাত তেওঁৰ পাৰদৰ্শিতা অস্বীকাৰ কৰিব নোৱাৰি।

সামগ্ৰিকভাৱে উনবিংশ শতিকাৰ চিত্ৰত ধূসৰ বৰ্ণৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। সপ্তদশ শতিকাৰ চিত্ৰৰ উজ্বল বৰ্ণ অষ্টাদশ শতিকাতো অব্যাহত থকাৰ লগে লগে স্থানীয়ভাৱে গঢ় লৈ উঠা মোগল আহিৰ চিত্ৰসমূহত প্ৰধানকৈ নীলাভ বৰ্ণৰ বিভিন্ন ভেদ আৰু হৰিৎ বৰ্ণৰ গুৰুত্ব প্ৰকাশ পাইছিল। উনবিংশ শতিকাত পাৰিজাত হৰণ আৰু দুই এখন পুথিৰ চিত্ৰত হেঙুল-হাইতালৰ দৰে উজ্বল বৰ্ণৰ কাম হৈছিল যদিও কলা আৰু পাতল সেউজীয়া বৰণৰ আধিক্য আনবোৰ পুথিৰ চিত্ৰত বেচি ৰকমে দেখিবলৈ পোৱা যায়। আনফালে বৰ্ণপ্ৰয়োগৰ ক্ষেত্ৰত অমনোযোগিতাও বিশেষ ধৰণে লক্ষ্য কৰিব পাৰি। একমাত্ৰ পাৰিজাত হৰণত বাদে এই শতিকাৰ চিত্ৰত বিশেষ সাৰ্থকতা দেখিবলৈ পোৱা নাযায়। তথাপি অৱক্ষয়ৰ মাজতো সাঁচিপাত, তুলাপাতৰ লেখীয়া প্ৰাচীন আৰু কাগজৰ লেখীয়া নবীন বাহক সকলোতে চিত্ৰৰচনাৰ এক ছেগা-ছোৰোকা ধাৰা গোটেই শতিকাতে বৰ্ত্তি থকাটো লক্ষ্য কৰিব পাৰি।

—oo—

# মিশ্যনেৰীৰ অসমীয়া চৰ্চ্চা

ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী

'অৰুণোদই'ৰ প্ৰথম কবিতা 'কানিৰ বিবৰণ' (১৮৪৬) আঠশৰীয়া পদ্য, বৈষ্ণৱ গুৰু শঙ্কৰ নাইবা মাধৱৰ যিকোনো গীত বা ঘোষাতকৈ কাব্যগুণত নিকৃষ্ট; কিন্তু ই আমাৰ নজৰ নিবদ্ধ কৰালে আমাৰ সাধাৰণ বা দিনতীয়া জীৱনৰ এক আহকাললৈ। বৰ্ত্তমান জগতৰ কাব্য আৰু সাহিত্যই ঘাইকৈ জাগতিক সমস্যা লৈয়ে গঢ় লৈছে।

জ্ঞানৰ কথা আমি জানিছিলোঁ—উপনিষদে বিজ্ঞান অৰ্থাৎ ব্ৰহ্মজ্ঞানৰ কথা কৈছিল। সেই পৰম্পৰা চলি আছিল, কিন্তু মিশ্যনেৰীয়ে ক'লে ইংলণ্ড আমেৰিকা দেশৰ ব্যৱহাৰিক জ্ঞানৰ কথা: "সিবিলাকৰ পুৰুসানুক্ৰমৰে পৰা এনে গিয়ান বুধি আছিল, সেয়ে ন হই, কিন্তু আগৰ কালৰ ইংৰাজি মানুহ অসমিয়াতকৈও নিৰ্বুধি আছিল, তথাপি সিবিলাক এতিয়া অতিসই বুধিমন্ত আৰু সকলো কৰমতে নিপুন, আৰু বলে সক্তিএ পৰাক্ৰমি হৈ আছে।" (১৮৪৭)। মিশ্যনেৰীয়ে পৰকাল আওকাণ নকৰিলেও আমাৰ চকু বুৰঞ্জীলৈ, আৰু এখন বহল পৃথিৱীলৈ, টানি আনিলে। গৰুৰ বিষয়ে কৈছে চাওক: "গৰু প্ৰায় সকলো দেশতে আছে, কিন্তু ইউৰুপতে আমেৰিকাতে অতি ভাল জাতৰ গৰু পোৱা যায়, আৰু সেই দেশৰ গৰুবোৰ অসম দেশৰ ম'হবোৰৰ মান ডাঙ্গৰ।" (১৮৪৮)। 'বলদ গৰুৰ বিবৰণ' নামৰ এই ৰচনাখনতে শেষৰ ফালে যি 'খঙ্গাল ভতৰা' গৰুৰ কাহিনী আছে সি বৰ্ত্তমান যুগৰ চুটি গল্পৰ চানেকি—মানুহ আৰু জন্তুৰ সম্বন্ধ সহানুভূতিৰে চিত্ৰিত কৰা।

'অৰুণোদই'য়ে আমাক সাহিত্য দিলেনে নাই ক'বলৈ টান। কেতবোৰ ৰচনাত যে সাহিত্য-গুণ নাই এনে কথা ক'ব নোৱাৰি,

কিন্তু ইয়াৰ কৃতি হ'ল ই আমাৰ চকু চৌপাশে থকা সংসাৰ খনলৈ টানি আনিলে—এই সংসাৰৰ সৎব্যৱস্থা নোহোৱাকৈ সিখন সংসাৰ বা জগতৰ কথা চিন্তা কৰা যে কানীয়াৰ ধোঁৱাত জিলমিলাই থকা সপোনৰ বাহিৰে আন একো নহয়, এই কথালৈ আমাক সজাগ কৰি দিলে। দ্বিতীয়তে, ই আমাক বৰ্ত্তমান জগতৰ লগত জড়িত থকা কবিতা, গল্প, উপন্যাস, বুৰঞ্জী, ভ্ৰমণ, বিজ্ঞানৰ উন্নতি আদি বিষয়ৰ লগত সম্বন্ধ কৰাই দিলে ; সেই সেই বিষয়ত কিদৰে লিখিব লাগে তাৰ আহি দিলে। মূঠৰ ওপৰত, আমাৰ খাৰ টেঙা খাই থকা ঠৰঙা মনটোৰ পিঠিত এক বাঘচকা লগালে।

আৰু এটি ডাঙৰ কথা, 'অৰুণোদই'য়ে অসমীয়া গদ্যৰ ঠাঁচ কথ্যভাষাৰ ওপৰত নিৰ্ভৰ কৰি এটি সুষ্ঠ আহি থৈ গ'ল। আমাৰ যে কোৱা আৰু লিখিত ভাষাৰ মাজত ওচৰ সম্বন্ধ থকা আহি আগত নাছিল এনে নহয় ; দুই এক বুৰঞ্জী আৰু চৰিত-পুথিত ৰচনাৰ ঠাঁচ নিচেই সহজবোধ্য— আমাৰ সচৰাচৰ কৈ থকা ভঙ্গীৰ ওচৰ। ইংৰাজী আদি উন্নত সাহিত্য চৰ্চ্চা কৰিলে আৰু বৈজ্ঞানিকে ৰচনা কৰা ঠাঁচ লক্ষ্য কৰিলে দেখিবলৈ পোৱা যায় যে গদ্যৰ ভঙ্গী যিমানেই আড়ম্বৰহীন আৰু কথ্যভাষাৰ ওচৰ হয় সিমানেই সি কাৰ্য্যকৰী আৰু প্ৰশংসনীয়। 'অৰুণোদই'য়ে কথ্যভাষাৰ ঠাঁচকে ভালকৈ প্ৰতিষ্ঠা কৰি গ'ল। এই সহজ সৰল ঠাঁচকে হেমচন্দ্ৰ-গুণাভিৰামে অনুকৰণ কৰিলে। এই ঠাঁচেই দেখুৱাইছিল যে অসমীয়া ভাষাত তদ্ভৱ শব্দৰ সংখ্যা অধিক, আনহাতে বঙলা ভাষাত হ'লে তৎসম শব্দৰহে আধিক্য। বৰ্ত্তমান সময়ৰ লিখকে যেতিয়া লিখে— "বড়ো-অধ্যুষিত অঞ্চল", "সদ্যপ্ৰকাশিত", "অনস্বীকাৰ্য্য", "ৰভিয়াৰ সমীপৱৰ্ত্তী অঞ্চলত", কিতাপৰ নাম হয় 'উড্ডীন উত্তৰীয়' নাইবা 'প্ৰেক্ষাপট' ( কলিকতাৰ ৰেডিঅ'ত শুনিছোঁ— "বত্তমানেৰ প্ৰেক্ষাপটে কি আপনাদেৰ মনে পৰে........ "), তেতিয়া প্ৰশ্ন হয়, এওঁলোকে অসমীয়া লিখিছে নে অন্য এক ভাষাৰ মোহজালত পৰিছে। মিশ্যনেৰীয়ে উল্লেখ কৰিছে যে 'হিন্দু পাত্ৰিয়ত' নামে বঙলা কাকতে বোধ কৰিছে যে "আমি মুখেৰে কথা-বাৰ্ত্তা হোৱাৰে আৰু কিতাপ ৰচনা কৰা ভাষাৰে মাজত যিমান ভিন্ন হৈছে, সেইমান ভিন্ন হোৱা যে অতি অনুচিত, ইয়াত একো সংশয় নাই" ( ১৮৬১ )।

মিশ্যনেৰীয়ে কথ্যভাষাৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়া শব্দৰ আখৰজোঁটনিও সৰল কৰিবলৈ যত্ন কৰিছিল। প্ৰাকৃত আৰু অপভ্ৰংশতো



আখৰজোঁটনি সংস্কৃতৰ দৰে নহয়। "অৰুনোদই'ৰ আহিঁ চলাহেঁতেন আমাৰ ভাষাৰ শিকা হয়তো সহজ হ'লহেঁতেন। হেমচন্দ্ৰই আকৌ সংস্কৃতলৈ জাপ মাৰি অৱস্থাটো জটিল কৰা যেনহে লাগে। এই খিনিতে সাধু এটা মনত পৰিছে। গুণাভিৰাম আখৰজোঁটনি বিষয়ত উদাৰ আছিল। এদিন তেওঁ আহক হেমচন্দ্ৰ বৰুৱাৰ খবৰ লবলৈ। দুই পণ্ডিতে মুঢ়াত বহি কথা বতৰা হৈছে। কিবা এটা আখৰ জোঁটনি লৈ দুয়োৰে তৰ্কা তৰ্কি লাগিল। হেমচন্দ্ৰ বৰুৱাই খং তাপৰিব নোৱাৰি গুণাভিৰামক দিলে ঠেলা মাৰি, ইজন মুঢ়াৰ পৰা বাগৰি পৰিল। বৰ্ত্তমান সময়ত দুই এক পণ্ডিতে (হয়তো পণ্ডিতমন্য) হেমচন্দ্ৰ বৰুৱাকো 'বীট' কৰিছে, "সৌন্দৰ্য" "কাৰ্য" আদি শব্দৰ পৰা হেণ্ডেল ডাল উঠাই। সংস্কৃত "য়" যে অসমীয়াত "য" আৰু " ্য " দুটা ধ্বনিলৈ ৰূপান্তৰিত হ'ল তালৈ এওঁলোকৰ চকু নাই। আৰু শব্দ বা ভঙ্গীয়ে "লোকব্যৱহাৰেণ সিদ্ধ" হয়, এই তথ্যটো এওঁলোকৰ কাৰণে অজান বা অজ্ঞাত। পিচৰ কালত 'অৰুনোদই'ও হ'লগৈ 'অৰুণোদয়' আৰু তাৰ ভাষাও সংস্কৃতীয়া হ'বলৈ ধৰিলে। নিজৰ ভাষাৰ সম্ভাৰ কেতেখিনি জানি লৈহে লোকৰ ওচৰত হাত পাতিব লাগে। মিশ্যনেৰীয়ে ঠাইতে যি শাক-পাচলি পাইছিল, তাৰেহে আঞ্জা ৰান্ধিবলৈ যত্ন কৰিছিল ; সেই কাৰণেই "পাচনি" "পেৰেঙনি" আদি শব্দ ব্যৱহাৰ কৰিও বিদেশী ভাৱৰ ধাৰণা দিবলৈ যত্নবান হৈছিল। সেই কাৰণেই শব্দ সৃষ্টি কৰিলেও স্থানীয় পৰম্পৰা সম্বন্ধে বুজ লৈহে "লতাপনিয়ল" আদি শব্দ সৃষ্টি কৰিছিল। বিজ্ঞান বিষয়ক কথাও তেনেই ঘৰুৱা ঠাঁচত লিখিব পাৰিছিল। এনে আহিঁৰ আত্মসন্মানৰ লগত সম্বন্ধ। নিজৰ সম্ভাৰ এৰি লোকৰ বস্তু অদৰ্কাৰত ধাৰ বা চুৰ কৰিম আৰু আমাৰ ভাষা আৰু সংস্কৃতি (আমাৰ আবদাৰত) লোকে (যেনে ইন্দিৰামায়ে) সংৰক্ষণ কৰিব এনে ধাৰণা কৰা অসাৰ্থক যেন লাগে। মোৰ বিবেচনাত আমাক খৃষ্টান কৰিবলৈ হাবিয়াহ কৰা বিদেশী মিশ্যনেৰীয়ে "জ্ঞানাঞ্জনশলাকা" হে দি গ'ল। আৰু এটি উদাহৰণ দিবলৈ গ'লে ঃ গাঁৱলীয়া বচন, সাঁথৰ সাধুলৈ মিশ্যনেৰীয়েহে আমাৰ মন আকৰ্ষণ কৰিলে ; সামাজিক সমালোচনাৰ আহিঁও তেওঁলোকে দেখুৱালে, যেনে ন. ল. ফ. ই কৰা ধৰ্ম্মীয় বিকৃতিৰ বৰ্ণনাত। ***

# অসমীয়া ভাষাৰ বিষয়ে ড° নেথন ব্ৰাউন

[ যোৱাটো শতিকাত অসমীয়া ভাষাৰ বিষয়ে চলি থকা বাৰেণ্ডটা ভুল ধাৰণাক মিশ্যনেৰী সকলে যুক্তিৰে কাটিছিল। ড° নেথন ব্ৰাউন ( ১৮০৭-১৮৮৬ ) ৰ GRAMMATICAL NOTES ON THE ASSAMESE LANGUAGE ( ১৮৪৮ ) এই ক্ষেত্ৰত এটি লেখত ল'বলগীয়া, প্ৰাথমিক উদ্যোগ। দুখৰ বিষয়, ১৮৯৩ চনতে নগাঁৱৰ বেপ্টিষ্ট কেন্দ্ৰই উলিওৱা তৃতীয় তাঙৰণটিৰ পাচত এই পুথি আৰু ন-কৈ কাহানিও মুদ্ৰিত নহ'ল। ফলত ই এতিয়া একেবাৰে দুষ্প্ৰাপ্য।

পুথিখনৰ ভূমিকা হিচাপে ড° ব্ৰাউনে লিখা কথাখিনি এই বিশেষ সংখ্যাৰ পাঠকসকলৰ বাবে উদ্ধাৰ কৰি অনা হ'ল। ব্যৱহৃত তাঙৰণ ১৮৯৩ ৰ। পৃষ্ঠাৰ নিৰ্দ্দেশ দি যোৱা হৈছে। — সম্পাদক ]

The Assamese is often regarded as merely a corrupt form of the Bengali, by persons who become acquainted with that language previous to their arrival in Assam. Finding so large a proportion of words common to Bengali and Assamese, and not considering that this similarity necessarily results from the derivation of these languages from Sanskrit, the common parent of both, it has been hastily concluded that Assamese is but an uncouth jargon, formed by the incorporation of Bengali with the various dialects of the country. The / X / opinion that the present language of Bengal is the parent of Assamese, is irreconcilable with facts. It is well known that there had been no influx of



Bengalis into this province, prior to the Mohemmedan invasion; at which time the language was established in its present form. Very few Brahmans of Assam have any connection or fellowship with those of Bengal; they trace their origin to the upper province of India; and we accordingly find that Assamese, though saturated with Sanskrit, corresponds in other respects, especially in pronunciation, with the Hindustani rather than the Bengali. In fact the Assamese pronunciation of words derived from the Sanskrit is such as to render the supposition of a Bengali origin entirely inadmissible. A very prominent characteristic of this language is the pronunciation of the Sanskrit letters শ, ষ and স, like the guttural h or kh, corresponding with the Greek X; a sound unknown in Bengali. Traces of this pronunciation are still found in the language of Upper India; in the Brij Bhakha, (Bengali, bhasha,) or original language of Hindustan; and in the modern Hindustani, where we find dokh, guilt, instead of dosh: mah, month, instead of mas, &c. Had the Assamese been introduced from Bengal, the Bengali pronunciation would undoubtedly have accompanied it. For the two Sanskrit letters b and v, the Ben-/XI/gali alphabet has but one representative, ব b, while the Assamese contains ব and ৱ, pronounced b and w. Thus the name of the Hindu god Shiva in Bengali is pronounced Sib, in Assamese Hiwa; conclusively showing that the two languages, though derived from a common source, have no direct connection

30536/04

with each other. The pronuciation of চ and জ are also essentially different in Assamese and Bengali ; the former being pronounced in Bengal as ch. - in Assam invariably as S. জ in Bengali has the hard sound of the English J, in Assamese it is pronounced like Z, or rather like the French J. a slight sound of the consonant Y being combined with Z. as in the word azure, az-yure.

For beauty and softness, the Assamese language is much superior to the Bengali ; resembling in this respect the Hindustani. It is not inferior in copiousness, to any of the Indian languages, and is capable of indefinite extension by additions from the Sanskrit. The native Pandits, in fact, make no scruple to introduce, whenever necessity or convennience requires, any word, however unusual, that may be found in their sacred writings. This is a license which is often abused ; native writers being apt to adorn their compositions with a profusion of Sanskrit that is quite unnecessary, and renders their productions wholly unintelligible to the common people.

XII / The only Assamese books which can be regarded as a standard of good prose writing are the Buranjis, or histories, which have been written during the last two or three hundred years. Besides these there are but few prose works in existence. Translations of several mathematical and other Sanskrit works are to be found ; but the language is less pure than that of the Buranjis. Most of the sacred writings of the Assamese are in poetry ; which differs so widely from the spoken language that →

the student who wishes to acquire a correct style, should confine himself at the commencement of his studies, entirely to prose.

—(ঃঃ)—

# আনন্দৰাম ঢেকিয়াল ফুকনৰ আৰ্থ-সামাজিক চিন্তা আৰু তাৰ পটভূমি

ৰঞ্জিত নাৰায়ণ ডেকা

'হে অসম দেশ নিবাসি লোকসকল, তোমালোকে অলপ গমি চালেই জানিবা যে তোমালোকৰ দুৰবস্থাৰ হেতু তোমালোকেই ।'

আনন্দৰাম ঢেকিয়াল ফুকন

আজিৰ পৰা দুশ বছৰ আগতে ৰজা গৌৰীনাথ সিংহৰ ৰাজত্ব কালত ( ১৭৮০-১৭৯৪ ) লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী দ্ৰাবিড় দেশৰ পৰা অসমলৈ আহে । অসমৰ পশ্চিমত ইতিমধ্যে ইংৰাজসকলে গোজপুতি বহিছিল, শাসন আৰু ব্যৱসায় সম্পূৰ্ণ গ্ৰহতীয়া কৰিছিল । লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী এনেবোৰ পৰিবৰ্ত্তন আৰু বিনিময় প্ৰথাত টকা-পইচাৰ কিমান গুৰুত্ব তাক দেখি অহা লোক ! আনহাতে অসমত সেই সময়ত টকাৰ প্ৰচলন খুব কম আছিল আৰু অসমীয়া থলুৱা মানুহখিনিয়ে টকা-পইচাৰ মাধ্যমেৰে বেহা কৰাৰ বাবে নিজক লগাতকৈ যে অধিক উৎপাদন কৰিব লাগে তাকো বুজি নাপাইছিল । একধৰণৰ আকাল-ভঁৰাল-শূইন অৰ্থনীতি ।

পৰিয়ালৰ কনিষ্ঠতম সন্তান ব্ৰহ্মচাৰীৰ পৰিবাৰে অগ্ৰজ তিনিজন ককায়েকৰ পত্নীয়ে পোৱাৰ সমান অলঙ্কাৰ নাপালে ; বিশেষকৈ নাকৰ নথ নাছিল । 'ইয়াতে লক্ষ্মীনাৰায়ণে বিৰক্ত হৈ অনুমান কৰিলে— তেওঁৰ অগ্ৰজসকলৰ তেওঁৰ প্ৰতি সমুচিত স্নেহ নাই অথবা

তেওঁবিলাকৰ এনে অৱস্থা হৈছে যে স্বচ্ছলমতে থাকিব নোৱাৰিব।'[1] দ্রাবিড় দেশত নিজ পত্নী আৰু গৃহ পৰিত্যাগ কৰি, বাটতে অসম দেশ ইংৰাজৰ অধীন হয় নে নহয় তাৰো ভু লৈ, আৰ্থিক তাড়না আৰু জীৱনৰ বিভৱ ধাৰণাৰে পুষ্ট হৈ, মোৱামৰীয়া বিদ্ৰোহত (১৭৬৯-১৭৯২) দেশৰ শাসন-শৃংখলা, কৃষি-বাণিজ্যৰ লৰ্বাং-তবাং অৱস্থা আৰু প্ৰজা ভগনৰ সময়ত, অসমত থিতাপি ল'লেহি।

ব্ৰহ্মচাৰীয়ে টীয়কীয়া অধ্যাপকৰ ঘৰৰ পৰশুৰামক আৰু আন পাঁচজনক তোলনীয়া কৰিলে। বুদ্ধিমান আৰু বহুদৰ্শী ব্ৰহ্মচাৰী বুঢ়াগোহাঁই আৰু বিষয়াসকলৰ বৰ খাটনিয়াৰ হৈ উঠিল। কাপ্তান ৱেলচ্ চাহাবে মোৱামৰীয়াক খেদি ভটিয়াই গ'লত দেশত ভাল চিপাহী নথকা গুণে ব্ৰহ্মচাৰীয়ে শিখ আৰু হিন্দুস্থানী চিপাহী আনি কমলেশ্বৰ সিংহৰ দিনত (১৭৯৫-১৮১০) ৰজাৰ চিপাহী দলত মকৰল কৰালে; তাৰে কিছুমান হাদিৰাচকীতো ৰখালে। শাসকশ্ৰেণীৰ লগত প্ৰায় কান্ধসমনীয়া দোল লগাই ৰজা-বুঢ়াগোহাঁইক বুজ নিয়ালে যে অসমৰ উন্নতিৰ হকে বঙ্গদেশ আৰু হিন্দুস্থানৰ সৈতে যাতায়ত দৰ্কাৰ আৰু এই কাৰ্য্য তেওঁৰ দ্বাৰাহে সম্ভৱ।[2] ব্ৰহ্মচাৰীয়ে বুঢ়াগোহাঁই আৰু ৰজাক খাটি হাদীৰা চকি বা বঙালহাটত দুৱৰীয়া পদ ল'লে।

বঙ্গদেশৰ পৰা অসমলৈ বস্তুবোৱা নাওবোৰ লাকলভীয়া তোলাচীৰে চাই মাচুল উঠোৱা আৰু বছৰত এটা নিৰ্দিষ্ট পৰিমাণৰ মাচুল ৰাজ ভঁড়ালত শোধোৱা দুৱৰীয়াৰ মাই কাম আছিল। 'উজনীৰ পৰা ভাটীলৈ আৰু ভাটীৰ পৰা উজনীলৈ বেপাৰৰ যি বস্তু আছে তাক দুৱৰীয়াৰ ঘৰেই নিজেই লৈ নিজে কাৰবাৰ কৰিবলৈ ধৰিলে। অধিক কি প্ৰায় সমুদায় দেশখনৰে বেপাৰ গ্ৰহতীয়া হ'ল। বঙ্গালহাট, গুৱালপাৰা, নগৰবেৰা, গুৱাহাটী, দৰঙ্গ আৰু যোৰহাট নগৰত দুৱৰীয়াৰ ঘৰৰ পৰা গোলা দিয়া হ'ল। চিপাহী-চন্তৰী, মানুহ-বনুৱা অনেক হ'ল। বেপাৰৰ বাবে ২৪০ খন নাও আছিল।'[3] দেশীয় ৰাজনীতিত প্ৰৱেশ কৰি ব্যৱসায়ো বঢ়াই গ'ল।

ব্ৰহ্মচাৰীয়ে হাদিৰাচকী পৰশুৰামৰ নামত লগালে। পৰশুৰামে ৰাজশাসনতো ঠাই কৰাৰ মন কৰিলে। আহোমৰ শাসন

১ গুণাভিৰাম বৰুৱা ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ, পৃঃ ২ অসম প্ৰকাশন পৰিষদ।

২ ঐ পৃঃ ৮

৩ ঐ, পৃঃ ৯



পদ্ধতিত দুৱৰীয়া বা হাতখোৱা ৰজাৰ বৰচ'ৰাত উঠিব নোৱাৰিছিল। সেই নিমিত্তে পৰশুৰামে খাউণ্ডৰ আৰু খুড়াক ৰূপৰামে বেজৰ খেলত নাম লগালে। তেতিয়াৰে পৰা তেওঁলোক ৰজাৰ বৰচ'ৰাত উঠিব পৰা হ'ল। ধনবলৰ মাহাত্ম্য তেওঁলোকে বুজিলে।

কুকুৰাচোৱা ভূতন পুতেক সৎৰাম স্বৰ্গদেৱৰ প্ৰধান বল্লভ হৈ চাৰিঙীয়া ফুকন হ'ল আৰু তেওঁ বুঢ়াগোহাঁইক নিৰ্য্যাতন কৰিবলৈ পৰশুৰামক বঙালহাটৰ কিছুমান শিখ চিপাহী খুজিলে। বুঢ়াগোহাঁই আৰু তেওঁৰ দেউতাকৰ পৰা দুৱৰীয়া ঘৰৰ উন্নতি হোৱাৰ কথা সুঁৱৰি পৰশুৰামে চিপাহী পঠমকৈহে আনি দিব পাৰিব বুলি কলে। কাৰণ সৎৰামকো উপেক্ষা কৰা টান। কিন্তু এই কথা সদৰি হোৱাত বঙালহাটৰ বাবৰ টকা বাকী থকাৰ অজুহাতত ৰজাই পৰশুৰামক এদিন হাঁতীশালত বন্দী কৰি থবলৈ আজ্ঞা কৰিলে। অৱশ্যে বুঢ়াগোহাঁইৰ অনুগ্ৰহত সেই দণ্ডৰ পৰা ৰক্ষা পৰিল।

পৰশুৰাম ব্যৱসায়ী লোক আৰু ধনৰ পৰিমাণ বৃদ্ধি তেওঁৰ আপাহ। গতিকে ৰজাঘৰৰ খাটনীয়াৰ হৈ থকাৰ প্ৰয়োজনীয়তা তেওঁ বুজিছিল। এদিন হাঁতীশালত বন্দী হৈ থকাৰ আজ্ঞাৰ মন তেওঁ ভালকৈ আকলিছিল। ব্যৱসায় ব্যাহত নহবলৈ শাসকৰ শুভদৃষ্টি আৰু অনুগ্ৰহৰ অপৰিহাৰ্য্যতা বুজি ৰাজ আজ্ঞা পালন কৰি বদনবৰফুকনক ধৰিবৰ নিমিত্তে পৰশুৰামে লোক পঠিয়াইছিল।

পৰশুৰামৰ পুতেক হলিৰাম চৈধ্য বছৰ বয়সত দুৱৰীয়া পদ পায়। ১৮১৬ চনত হোৱা মানৰ আক্ৰমণত কেঞ্চাঁৰ লগতো কাৰবাৰী সম্পৰ্ক গঢ়ি উঠে। মেজৰ স্কট চাহাবে অসমৰ পৰা মানক খেদিলে আৰু চাহাবে 'দুৱৰীয়াৰ ঘৰৰ পৰা অসম দেশৰ বিষয়ে অনেক কথা জানিলে আৰু অনেক সাহায্য পালে।'[4] স্কট চাহাব উজনীলৈ যাওঁতে হলিৰামক লগত ললে। হলিৰাম স্কট চাহাবৰ প্ৰধান কাৰ্য্যকাৰক হৈ এই দেশত ফুৰে। এইদৰে অসমৰ নতুন শাসকসকলৰ লগতো সম্পৰ্ক স্থাপন হ'ল। হলিৰামক ৰজা চন্দ্ৰকান্ত সিংহই (১৮১০-১৮১৮) ঢেকিয়াল ফুকন বিষয় দিছিল আৰু সেই পদতে স্কট চাহাবেও স্বীকাৰ কৰিছিল।

১৮৩২ চনত হলিৰাম ঢেকিয়াল ফুকনৰ মৃত্যু হ'লত ৰজা পুৰন্দৰ সিংহই (১৮৩২-১৮৩৮) আনন্দৰামক তিনি বছৰ বয়সত ঢেকিয়াল ফুকনৰ বিষয় দিলে। ১৮৩৫ চনত গুৱাহাটীত স্থাপিত

৪ ঐ, পৃঃ ১৭

হোৱা প্ৰথম ইংৰাজী স্কুলত আনন্দৰামে ১৮৩৭ চনত ভৰ্ত্তি হ'ল। বগা বঙালৰ লগত ফুকনউকৰ ইমান নিবিড় সম্পৰ্ক আছিল যে মেথিউ আৰু জেনকিন্‌চ চাহাবে জোৰ কৰি মাকৰ অমততো আনন্দৰামক পঢ়িবলৈ কলিকতালৈ পঠালে। ১৮44 চনত ফুকন উভতিল আৰু তেতিয়া তেওঁৰ বয়স যোল্ল বছৰ।

কাববাৰী পৰিবেশ, ব্যৱসায়ৰ অভিজ্ঞতাপুষ্ট পৰিয়াল, শাসকবৰ্গৰ লগত (আহোম আৰু বগা বঙাল) সম্পৰ্ক ইংৰাজী শিক্ষা আৰু আধুনিক কলিকতা নগৰৰ অভিজ্ঞতা আদিৰ পটভূমিত ডাঙৰ হোৱা আনন্দৰাম সেই সময়ৰ বহতো আৰ্থ-সামাজিক সোঁতৰ লগত পৰিচিত আছিল। সেই পৰিচিতি আৰু পূৰঠ হৈছিল তেওঁৰ চাকৰিয়াল জীৱনৰ অভিজ্ঞতাৰ পৰা।

১৮৪৭ চনত লিখা 'ইংলণ্ডৰ বিবৰণ' আৰু আন লেখাত সিঁচৰিত হৈ থকা আৰ্থ-সামাজিক ধাৰণাবোৰ, কলিকতাৰ সদৰ দেৱানী আৰু নিজামত আদালতৰ বিচাৰক এ, জে, মফট মিলচ্‌ক ১৮৫৩ চনত ফুকনে দাখিল কৰা স্মাৰক পত্ৰত, পুৰঠ ৰূপত প্ৰকাশ পায়। ইতিমধ্যে ইংৰাজ শাসন অসমত আঠাইশ বছৰ চলিল। কিন্তু শাসন প্ৰণালী যুগুতাওঁতে দেশৰ লোকৰ সামাজিক আৰু আৰ্থিক অৱস্থা লক্ষ্য কৰা নহ'ল। তেওঁ সেই বিশেষ লক্ষণসমূহ আঙুলিয়াই দিলে। (১) অসমৰ মানুহে খেতি কৰি জীৱিকা আৰ্জে, (২) ডকাইতি কৰি জীৱিকা অৰ্জা লোক অসমত নাই, আনকি আঠে-পষেও ডকাইতি নকৰে, (৩) বঙ্গৰ দৰে ক্ষমতাশালী আৰু ধনী জমিদাৰ শ্ৰেণী অসমত নথকা গুণে ঘৰুৱা খৰিয়াল আৰু মৰামৰি কটাকটি অসমত নাই, (৪) ইংৰাজ শাসন সুচাৰুকৈ চলাৰ আন এটা কাৰণ মানুহৰ শান্তিপ্ৰিয়তা আৰু সহজ অভ্যাস, (৫) ইংৰাজৰ শাসন ভাল কিন্তু ই দেশৰ লোকৰ বিশেষধৰণৰ অভ্যাস আৰু অৱস্থাৰ লগত খাপ খাই পৰা নাই। মুক্ত আৰু উদাৰ সংবিধান থকা ইংলণ্ডৰ নিচিনা দেশ এখনৰ পৰা থলুৱা পৰিৱেশৰ লগত খাপ খোৱাকৈ শাসন পদ্ধতি এটা নিশ্চয় আশা কৰিব পাৰি। এই ক্ষেত্ৰত ইংৰাজসকল অৱশ্যে ব্যৰ্থ হৈছিল ঃ .......... notwithstanding the superiority of the British system of administration to any under which we have hitherto lived, it is not in its present form so well adapted to the peculiar condition and habits of the people as could reasonably be expected



from the liberal and free constitution of England. It has hitherto failed in its effects to improve in any material degree the condition and prosperity of the country, or even to repair the loss it had lately sustained from domestic wars and foreign invasions. vast extents of deserted villages meet the eye in various parts of the country, and the general aspect of the Province indicates the administration of an Asiatic Government rather than that of enlightened England.[৫]

ইংৰাজ চৰকাৰে চলোৱা ৰাজহ ব্যৱস্থা খেতি আৰু খেতিয়কৰ উন্নতি আগবঢ়োৱা বিধৰ হোৱা নাই। বঙ্গদেশত চলোৱা চিৰস্থায়ী বন্দবস্ত বা জমিদাৰী প্ৰথা অসমত প্ৰচলিত কৰাৰ ঘোৰ বিৰোধিতা কৰি যুক্তি দিছিল। (১) জমিদাৰসকলে চৰকাৰে বহওৱা ৰাজহতকৈ দুগুণ / তিনিগুণ বেচি ৰাজহ আদায় কৰিছিল, (২) জমিদাৰসকলে উৎপন্নবৃদ্ধি হবলৈ খেতিৰ উন্নতিৰ বাবে কোনো ধৰণৰ ব্যৱস্থা নলৈছিল, (৩) ৰাজহৰ মেটমৰ, বোজাৰ হেঁচাত সাধাৰণ খেতিয়ক জুৰুলা হৈছিল, (৪) আৰ্থিক সংকটত জুৰুলা হৈ দলবদ্ধ ডকাইতি বৃত্তি লৈছিল। এনে ব্যৱস্থাত নিচলা খেতিয়ক এজনে সম্পত্তিশালী আৰু মহাপ্ৰতাপী জমিদাৰৰ বিৰুদ্ধে পুলিচ-কেছাৰীত গোচৰ তৰি উচিত বিচাৰ পাব নোৱাৰে। 'A poor ryot would consider it next to madness to show any opposition against the will or inali·ation of his landlord. The Judicial and police system of the country can afford him no relief against extortion or injustice. and the landholder is to the poor Ryot too powerful an opponent to be coped with.'[৬]

এনেবোৰ কাৰণতে চিৰস্থায়ী বন্দবস্তৰ পৰিবৰ্তে অসমত ৰায়তী প্ৰথাৰ প্ৰচলন হব লাগে। প্ৰতিজন ৰায়তে তেওঁৰ মাটিৰ

৫ Anandaram Dhekial Phukan, Plea for Assam and Assamese, (ed. Maheswar Neog), Asom Sahitya Sabha. P. 60

৬ ঐ, পৃঃ ৬৬

গৰাকী হব আৰু ৰাজহ সংগ্ৰহ কৰা বিষয়াজনে (মৌজাদাৰ, পাটগিৰি আদি) কেৱল চৰকাৰে বান্ধি দিয়া ৰাজহহে আদায় কৰিব। ৰাজহ শোধোৱাৰ পাচত ৰায়তৰ হাতত থকা সাঁচতীয়া আয়খিনিয়ে ৰায়তক খেতিৰ উন্নতিৰ হকে ভাবিবলৈ উৎসাহ দিব।

ইংৰাজ শাসনৰ আঠাইশ বছৰত কৃষিৰ উন্নতিৰ কাৰণে একোকে কৰা নহ'ল। অসমত নিচলা খেতিয়কজনৰ পৰা সম্ভ্ৰান্ত-শ্ৰেণীলৈ সকলোৰে জীৱিকা খেতি। ফুকনে স্মাৰক পত্ৰত লিখিছিল ঃ "The Assamese, one and all from the poorest peasant to the nobility of the country, are devoted to agricultural pursuits. In ancient times, the sovereigns themselves had their private farms. In Bengal and other parts of India, tillage is exclusively the occupations of the cultivating class. There is however, not a single family in Assam that is not engaged in the culture of lands, and every family provides itself by agriculture with almost all the necessaries of life."[৭] এনে আৰ্থ-সমাজত কৃষি প্ৰণালীৰ উন্নতি সাধি আৰ্থিক উন্নতি নানিলে তাৰ কোনো উপায়েৰে সম্ভৱ নহয়। অসমৰ নিচিনা কৃষি প্ৰধান দেশত কৃষিৰ উন্নতিৰেহে আৰ্থিক অৱস্থা টনকিয়াল। ইয়াৰ বাবে জলসিঞ্চন ব্যৱস্থা, বানপানী আদিৰ দৰে প্ৰাকৃতিক দুৰ্য্যোগৰ পৰা অৰ্থাৱস্থা ৰক্ষা আৰু পৰিবহন ব্যৱস্থা উন্নত কৰাৰ বাবে আলি নিৰ্মাণ আদি হব লাগে। ১৮৩১ চনত অসমীয়া মানুহ এনে দুৰ্য্যোগৰ গৰাহত পৰি বিলৈ হোৱাৰ উদাহৰণ দি ফুকনে লিখিছিল কামৰূপ আৰু দৰঙৰ মানুহে এমুঠি চাউলৰ কাৰণে নিজৰ সতি-সন্ততি, অলঙ্কাৰ আৰু বাচন-বৰ্ত্তন আদি বেচিব লগা হৈছিল। এই ব্যৱস্থাৰ পৰা ৰক্ষা পাবলৈ য়ুৰোপৰ উন্নত কৃষি প্ৰণালী অসমত প্ৰচলন কৰিব লাগে বুলি স্মাৰক পত্ৰত দাবী কৰিছিল।

চৰকাৰে কৃষিৰ উন্নতিৰ লগতে ভাবিব লাগিব ব্যৱসায়িক দিশটো। কৃষিৰ উন্নতিত আৱশ্যকীয় সাঁ-সজুলিৰ বাবে বিদেশীৰ ওপৰত হাত পাতি থাকিব লগা হলেও কৃষি উন্নতি অসম্ভৱ। সেয়ে থলুৱাকৈ সা-সঁজুলি তৈয়াৰ কৰাৰ বাবে চৰকাৰে অসমত কাৰিকৰী বিদ্যালয় (Manufacturing school) স্থাপন কৰাৰ

৭ ঐ, পৃঃ ৭৪



হকে মাত মাতিছিল। শিল্পায়নত আগবঢ়া নহ'লে কোনো জাতি জাকত জিলিকা হব নোৱাৰে। 'No nation can secure to itself the blessings and comforts of civilized life until it has manufactures of its own; and in short no country can rise to wealth or importance that is deficient or imperfectly versed in the art of manufacture.'[৮]

আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনকাল ১৮২৯ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ১৮৫৯ চনৰ জুন মাহলৈ। ঢেকিয়াল ফুকনৰ ৰচনাৱলীত মন কৰিবলগীয়া কথা তেওঁৰ সমাজ বিজ্ঞানীৰ দৃষ্টিভঙ্গী। এখন সমাজৰ ভৌগোলিক, বুৰঞ্জীমূলক, সামাজিক আৰু ৰাজনৈতিক দিশ সম্পৰ্কে তেওঁৰ চকু-কাণ খোলা আছিল। এইবাবেহে তেওঁ অসমৰ অৰ্থনৈতিক উন্নতিৰ চিন্তাত মূৰ সুমুৱাব পাৰিছিল। তেওঁ বুজিছিল সোৱোপালি আৰ্থিক কাৰ্য্যৰ পৰিপন্থী। বাৰেবাৰে তেওঁ অসমীয়াক অহোপুৰুষাৰ্থে কৰিবলৈ সঁকিয়াইছে। পৰিশ্ৰমী জাতি নহ'লে সেই জাতিৰ আৰ্থিক বিকাশে লেহেম হবলৈ বাধ্য। তাৰোপৰি এনে জাতিৰ মাজত উদ্যোগী বা এনট্ৰিপ্ৰেনিয়'ৰৰ জন্ম নহয়।

১৮৫২ চনত লিখা 'সোণতকৈ শ্ৰম ভাল' ৰচনাত আধুনিক অৰ্থনীতিৰ দুটা শিক্ষা আছে—'শ্ৰম আৰু ভবিস্যদ।' 'দখিণ আমেৰিকা দেসলৈ সোণ পাবৰ আসাবে' ইস্পানিয়া দেশৰ পিজাৰো বুলি লোক এজনে ককায়েক আলঞ্জোক লগ ধৰাত ককায়েকে অনিচ্ছাস্বত্বেও ভায়েকৰ লগত ওলাল আৰু কলে 'বোলে মোক সোণৰ ভাগো নে লাগে, আৰু আন একোকে নে লাগে; অকল মোৰ বইৰ বস্তু খিনি তোমাৰ জাহাজত নিবলৈ দিবা।'

পিজাৰোৱে 'তাৰ যি আছিল সকলোকে বেচি' এখন জাহাজ কিনি যাত্ৰা কৰিলে। আলঞ্জোই লগত ললে 'নাঙ্গল, কোৰ কুঠাৰ, ধানৰ বিধা আৰু নানা বিধৰ সাকৰ গুটি।'

সোণ পোৱা ঠাইৰ কাষত জাহাজ ৰখাই সোণ খানিবলৈ আৰু আউটিবলৈ নানা বিধৰ অস্ত্ৰ সস্ত্ৰ ললে আৰু কেতবোৰ মানুহ কুলি ধৰিলে, কিন্তু আলঞ্জোএ কেইটামান মেৰ চাগ, চাইটা বলধ, আৰু সিহঁতক বাটত খু আবলৈ দ্ৰব্যহে কিনি ললে।'

৮ ঐ, পৃঃ ৭৭

আমেৰিকা পাই ভায়েক সোণ খান্দিবলৈ গ'ল আৰু ককায়েক তীৰৰ কাষত গৰু-মানুহ লৈ থাকিল। ভায়েকে সোণ বিচাৰি থাকোঁতে আলজোই 'এডোখৰ ভাল চাই মাটি বিচাৰিলে লগত অনা গৰু আৰু মানুহেৰে হালবাই চাহ কৰিলে। পাচে সি তাতে লগত অনা গুটি আৰু আলু ইত্যাদি বৈ অনেক সহ পালে। যেৰ চাগবোৰ জে আনিছিল, তাক সাগৰৰ তিৰৰ এখন পথাৰত চৰোআত গাই পতি দুটাকৈ পোআলি হ'ল ; ইয়াত বাজে পিজৰো উভতি অহালৈকে অনেক পুৰুষাৰ্থ কৰি ভালেমান খাদ্যদ্ৰব্য গোটাই থ'লে।'

সোণ খান্দি থাকোঁতে সিবিলাকৰ খাদ্যদ্ৰব্য গোটেই টুকাল, ফলত কেইজনমানৰ প্ৰাণ নাশ হ'ল আৰু বাকী থকা কেইজনে সোণখিনি লগত লৈ আলজোক এৰি অহা ঠাইলৈ 'পেট পেলাই পেলাই চুচুৰি জাব পাৰিলে মাথোন' আৰু কলে 'আজি দুদিনৰ পৰা গছৰ চাল আৰু ফল মুলত বাজে কতো আন একো খোআ নাই ; এতেকে মোক সিয়ে খাবলৈ দিয়া।'

ককায়েকে সোণৰ সলনিহে খোৱা বস্তু দিবলৈ বিচাৰিলে। পিঞ্জাৰো ভোকত পৰি এই কথাত মান্তি হ'ল আৰু সলনিত ককায়েকে ইমান সোণ নিলে যে অলপ দিনৰ মূৰতে আটাইখিনি সোণ টুকাই থাকিল। ককায়েকে উভতি যোৱাৰ কথা ক'লত পিঞ্জাৰোই কলে যে ককায়েকে তাৰ শ্ৰমৰ ফল আটাইখিনি ল'লে আৰু এনে নিমৰমিয়াল ককায়েকৰ লগত একেখন জাহাজত যোৱাতকৈ বনত শুকাই মৰাই ভাল। এই কথাত ককায়েকে খং নকৰি কলে যে ইমান শ্ৰমকৈ অনা বস্তু তেওঁ স্বৰূপতে নলয়। কিন্তু 'তুমি এতিয়া সিকিলা, জি শ্ৰম আৰু ভবিষ্যদ বিবেচনা তুমি ঘিন কৰিচিলা, সেয়েই নহলে তোমাক শুকাই মৰাৰ পৰা যি সোণ আনিচা সি ৰাখিব নোআৰিলে হেঁতেন, এতেকে তোমাৰ ধন লৈ জোআ, আগলৈ তাক যি ৰূপে ব্যৱহাৰ কৰিব পাই, তাকো জানিলা।'

সম্ভৱ এইখন ৰচনা অসমীয়া মানুহক অৰ্থনৈতিক শিক্ষা দিয়াৰ উদ্দেশ্য লিখা। অসমৰ মানুহে কৃষি কাৰ্য্য কৰক, অৰ্থনৈতিক উন্নতি কৰিবলৈ কৃষিৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল হওক, খাদ্যদ্ৰব্যত আত্মনিৰ্ভশীল হওক, ভৱিষ্যতৰ আৰ্থিক কাৰ্য্য চলাবলৈ সঞ্চয় কৰক। আধুনিক অৰ্থনৈতিক বিকাশৰ হাতধৰি লিগিৰা মূলধন আৰু মূলধনৰ উহ সঞ্চয়। মূলধনৰ জটিল সমস্যা সম্পৰ্কে ঢেকিয়াল ফুকন আধুনিক অৰ্থত



ওৱাকিবহাল নহলেও তেওঁ তাৰ ইঙ্গিত দি গৈছে। লেথেৰি নিছিগা অৰ্থনৈতিক উন্নতি কৰিবলৈ শ্ৰম আৰু ভৱিষ্যতৰ ওতঃপ্ৰোত সম্পৰ্ক আৰু এই সম্পৰ্কৰ যোগসূত্ৰ স্থাপন কৰে সঞ্চয়ে।

ঢেকিয়াল ফুকনে তেওঁৰ কেইবাখনো ৰচনাত শ্ৰম আৰু অৰ্থনৈতিক বিকাশৰ মাজত থকা পোনপটীয়া সম্পৰ্কৰ কথা দোহাৰিছে। মাটিৰ তলত পুতি থোৱা ধন অকাজই হয় বুলি তেওঁ দেশবাসীক সঁকিয়াই গৈছে। 'ধনেৰেই ধন হয়।' সভ্য দেশ বুলি পৰিগণিত হব লাগিলে কৃষি আৰু শিল্প কামত ইংৰাজৰ দৰে পাৰ্গত হবলৈ পুৰুষাৰ্থ কৰিব লাগিব। কিন্তু মন কৰিবলগীয়া কৃষি কৰ্ম নাবাঢ়িলে বাণিজ্যও নাবাঢ়ে। গতিকে দুয়োকো অনুশীলন কৰিবলৈ তেওঁ দঢ়াই দঢ়াই কৈছে। 'ইংলণ্ডৰ বিৱৰণ' ৰচনাত তেওঁ কৈছে 'ইংৰাজ সভ্যতাৰ ঘাই এক হেতু বাণিজ্য, এতেকে জদি ধনবন্ত হব খোজা, তেন্তে সম্প্ৰতি বাণিজ্যত প্ৰবৰ্ত হোৱা।' ইংলণ্ডৰ শিল্প বিপ্লৱৰ ফলত বৃদ্ধি পোৱা উৎপন্ন কম খৰছত দেশৰ বিভিন্ন ঠাইৰ পৰা ৰপ্তানিৰ সুচলৰ বাবে সেই দেশত গঢ়ি উঠা খাল-পৰিবহনৰ কথাও ঢেকিয়াল ফুকনে আঙুলিয়াই দিছিল।

এজন সমাজ বিজ্ঞানীৰ দৃষ্টিৰে তেওঁ অসমীয়া সমাজখন চাইছিল আৰু ইয়াৰ সাক্ষ্য বহন কৰিছে স্মাৰক পত্ৰৰ উপৰিও কলিকতা নগৰৰ বিৱৰণ, ভাৰতৰ সংক্ষেপ বুৰঞ্জী, অসম দেশৰ সংক্ষেপ বুৰঞ্জী, অসম দেশৰ বিৱৰণ, ইংলণ্ডৰ বিৱৰণ আদি ৰচনাই। অসমীয়া সমাজৰ পৰিবৰ্তন ভাললৈ হব বুলি তেওঁ আশা পুহিছিল। 'অসম হাবি গুচি ফুলবাৰি হব, নৈত ডোঙ্গা গুচি জাহাজ হব, ঘৰ বাঁহৰ গুচি শিল ইটাৰ হব ; গাঁৱে গাঁৱে হেজাৰ হেজাৰ পৰ্হাশালি, গিয়ানৰ সভা চিকিৎসালই দুখিয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলই হব, আৰু যি কালত লোক সকলে পৰস্পৰ হিংসা ন কৰি আটাইয়ে আটাইক ভাত্ৰিবত চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিছা সাখি নিদি লাখ টকাকো কাতি কৰি থব, কৌটি টকা ভেঁটি পাইও কাৰো অন্যায় ন কৰিব ; বেশ্যা কানি আৰু সুৰা এই কথা দেশত লোকে ভু নোপোআ হব ; সেই সমই, হে পৰম পিতা জগদিশ্বৰ সিয়ে ঘটোআ।'

এয়া সমাজ বিজ্ঞানী আনন্দৰাম ঢেকিয়াল ফুকনে দেখা সামাজিক নেকি ?

—oo—

# আনন্দৰাম ঢেকিয়াল ফুকনৰ ঘৰুৱা নথি

[ আনন্দৰাম ঢেকিয়াল ফুকনে তেখেতৰ ঘৰুৱা ব্যৱহাৰৰ বাবে প্ৰস্তুত কৰোৱা এই আপুৰুগীয়া নথিখন নগাওঁ জখলাবন্ধা সত্ৰৰ পৰা উদ্ধাৰ কৰি আনিছে ড° নৰেন কলিতাই। কিছু গৱেষণা-মূল্য থাকিব পাৰে বুলিয়েই ইয়াক এই সংকলনৰ অন্তৰ্ভুক্ত কৰা হ'ল। সকলো বানান ("শ্ৰাৰ্দ্ধ," "জাত্ৰা", "ভিস্ম", "ভিম" আদি) মূলৰ দৰেই ৰখা হৈছে। ভাষা খিচিৰি যদিও 'ৰ' বোৰ পেটকটা, আৰু 'ৱ' ৰ ব্যৱহাৰ চাবলগীয়া। — সম্পাদক ]

শ্ৰীগণেশায় নমঃ

শ্ৰীযুক্তানন্দৰামশৰ্ম্মা ঢেকিয়ালফুৰ্কনকৃত বাৰ্ষিক কৰ্ম্মস্যমান

বৈসাখমাসে পৰ্স্ৰাম বড়ুয়াৰ শ্ৰাৰ্দ্ধ
শ্ৰাৱনমাসে হলিৰামফুকনৰ শ্ৰাৰ্দ্ধ
কাৰ্ত্তিক মাসে ব্ৰহ্মচাৰিবাবাৰ শ্ৰাৰ্দ্ধ
আস্মিন মাসে পাৰ্ব্বন শ্ৰাৰ্দ্ধ
তথা মাসে শ্ৰীযুক্তানন্দৰামফুকনৰ জন্মতিথিকৃত্য

* * * *

বৈসাখমাসে চত্ৰাদিদান
আসাঢ় মাসে গঙ্গাপূজা
ৰথজাত্ৰা অম্বুবাচি
শ্ৰাৱনমাসে কৃষ্ণৰ ঝুলনযাত্ৰা
ভাদ্ৰমাসে জন্মাষ্টমী ও
গনেশচতুথি ব্ৰত দুব্বাষ্টমী
(……………)* দুৰ্গোসৎসৱ
( ……………)* লি

( ৬৩ পৃষ্ঠাত চাওক )

* এই চিন দিয়া অংশখিনি নষ্ট হৈছে।

# হেমচন্দ্ৰ বৰুৱাৰ "হেমকোষ"ৰ গুৰুত্ব

বিশ্বেশ্বৰ হাজৰিকা

হেমচন্দ্ৰ বৰুৱাৰ (১৮৩৬-৯৭) "হেমকোষ"ৰ (১৯০০) গুৰুত্ব কি ? আন কথাৰে কবলৈ গলে, 'হেমকোষ'ৰ গোটেই প্ৰতিলিপিবোৰ পুৰি পেলালে আৰু ইয়াৰ জোঁটনি, শব্দ, অৰ্থ আদি মানুহে সম্পূৰ্ণকৈ পাহৰি পেলালে, অসমীয়া ভাষাৰ কিবা হানি হব নে কি ? এই প্ৰশ্নৰ উত্তৰ দিবলৈ যাওঁতে অসমীয়া ভাষাৰ জোঁটনি উত্তৰ কালৰ পৰা কি আছিল, হেমচন্দ্ৰ বৰুৱাই কি জোঁটনি কৰিলে—এই প্ৰশ্নৰ উত্তৰ দিব লাগিব।

পুৰণি অসমীয়া ভাষাৰ জোঁটনিৰ বিষয়ে প্ৰথম উল্লেখ পোৱা যায় গুৰু চৰিতবোৰত। মাধৱদেৱ (১৪৮৯-১৫৯৬) জাবৰি

( ৬২ পৃষ্ঠাৰ পাছৰ পৰা )

অগ্ৰহায়ন মাসে ৰাসযাত্ৰা নৱান্ন শ্ৰাৰ্দ্ধ
পৌষ মাসে খিচিৰি দান
মাঘমাসে সৰস্বতিপূজা
ভিস্মাষ্টমী মাঘিসপ্তমী
ভিম একাদসি ও অক্ষয়া প্ৰাতস্নান
ফাল্গুন মাসে সিবপূজা
দোল যাত্ৰা
চৈত্ৰমাসে মদনপূজা
ইতি বাৰ্ষিক ক্ৰিয়া জাৰ
প্ৰয়োজন হয় এই পত্ৰ চায় জ্ঞাত হয় উদ্যাম কৰিব ইতি
শন ১৭৭৮ তাং ৩০ আস্মিন

কুছিলৈ আহোঁতে মুৰাৰি কোঁচে প্ৰতিলিপি কৰা "ৰত্নাৱলী"ত অসংখ্য ভুল পোৱাত তেখেতৰ খং উঠে। কাৰণ, সেই সময়ত প্ৰচলিত জোঁটনি পদ্ধতি অনুসৰি য'ত পুখুৰীয়া 'য' দিব লাগে, ত'ত মুৰাৰিয়ে লাখুটীয়া 'জ' দিছে। সেই সময়ত প্ৰতিলিপি কৰা লিখকৰ স্বাক্ষৰিত ৰূপ পোৱা হলে আমি সেই সময়ৰ জোঁটনি পদ্ধতি বুজিব পাৰিলোঁ হেতেন। কিন্তু তেনে প্ৰতিলিপি এতিয়ালৈকে আবিষ্কৃত নোহোৱাত আমি সেই সময়ৰ জোঁটনি জনাত অসুবিধা হল। তাৰ বহু শতিকাৰ পিচত অৰ্ধ-শিক্ষিত লোকৰ প্ৰতিলিপিকৃত প্ৰতিলিপিৰ পৰা যে ১৫শ -১৬শ শতিকাৰ জোঁটনি উদ্ধাৰ কৰিব নোৱাৰি, সেই কথা সৰু লৰা এটায়ো জানে। তাৰ দুশ তিনি শ বছৰৰ পাচৰ "জঠা দ্ৰিস্তং টঠা লিখিটং" প্ৰতিলিপি এটাৰ পৰা প্ৰাচীন অসমীয়া জোঁটনি উদ্ধাৰ কৰিব খোজা-সকলক কি বুলিব পাৰি, পাঠক সকলেই চিন্তা কৰক।

স্বাক্ষৰিত নিৰ্ভৰযোগ্য সাহিত্যিক নথি নাপালেও ৰজাঘৰীয়া তামৰ আৰু শিলৰ শাসনলিপিবোৰ আমাৰ হাতত আছে। তামৰ আৰু শিলালিপিবোৰ তাৰিখ যুক্ত আৰু এইবোৰক সদায়েই প্ৰথম শ্ৰেণীৰ তথ্য হিচাপে নিৰ্বিবাদে গ্ৰহণ কৰা হয়। এইবোৰত অনুসৃত জোঁটনি ৰীতি নিঃসন্দেহে প্ৰাচীন অসমীয়া জোঁটনি ৰীতি। ডঃ মহেশ্বৰ নেওগে "প্ৰাচ্য-শাসনাৱলী"ত (১৯৭৪) সঙ্কলন কৰা ১৫৯ খন শিল আৰু তামৰ ফলিৰ পাঠ পোৱা যায়। তাৰে ৭৭ খনত অসমীয়া ভাষা পোৱা যায়। ডঃ নেওগে ভূমিকাৰ ১২ পৃষ্ঠাত "এই সঙ্কলনত সমীক্ষিত পাঠাধ্যয়নৰ পদ্ধতি গ্ৰহণ কৰা হৈছে" বুলি ঘোষণা কৰিছে। গতিকে এইবোৰ শুদ্ধ পাঠ। সেই কাৰণে আমি বিজ্ঞানসন্মত পদ্ধতিৰে এইবোৰৰ পৰা প্ৰাচীন অসমীয়া জোঁটনি ৰীতি উদ্ধাৰ কৰিব পাৰোঁ।

এই ফলিবোৰৰ জোঁটনি ৰীতি বিশ্লেষণ কৰিলত দেখা গল যে (১) প্ৰাচীন ভাৰতীয় আৰ্যভাষাত যি জোঁটনি আছিল, নব্য ভাৰতীয় আৰ্যভাষা অসমীয়াতো সেই জোঁটনিকেই পাৰ্যমানে ৰখা হৈছে; যেনে—প্ৰা. ভা. আ. √ দা > ন. ভা. আ. (অস.) √ দি > দি, প্ৰাচ্য-শাসনাৱলী, পৃ. ৭. ২১ (২ বাৰ) ৭২, ৭৩ (২ বাৰ), ৭৬. ৮৯ (২ বাৰ), ১২৬, ১৪০ (৩ বাৰ); মুঠ ১৩ বাৰ। √ দি+চিল > দিচিল, প্ৰা. . ৩৮, ১৩৫, ১৫১; মুঠ ৩ বাৰ। √ দি+ছিল > দিছিল, প্ৰা. , ৪৬, ৪৭. ৭১; মুঠ ৩ বাৰ। √ দি+ছে > দিছে, প্ৰা. ১৭, ৭২, ৯১৪; মুঠ ৩ বাৰ। √ দি+ব > দিব প্ৰা. ১৭, ৪৬ (২), ৮২,



১৫২; মুঠ ৫ বাৰ। √ দি+ব+ৰ > দিবৰ, প্ৰা. ১৪০; মুঠ ১ বাৰ। √ দি+ব+লৈ, প্ৰা., ২১, ৮২, ৮৭; মুঠ ৩ বাৰ √ দি + আ > দিয়া, প্ৰা., ১২, ১৩, ১৭, (৪), ২৩ (২), ২৭, ৩০, ৩১, ৩২, ৩৩ (২), ৩৯, ৪৪ (২), ৪৬ (৩), ৪৯, ৫৩ (২), ৫৬ (২), ৫৮, (২), ৬০, ৬৩, ৭১, ৭২ (২), ৭৩ (২), ৭৭, ৮২, ৮৮, ৮৯ (২), ৯০, ৯১, ৯২, ১১৪ (২), ১১৫, ১১৬, ১১৭, ১১৮ (৩), ১১৯, ১২০, ১২৩, ১২৮, ১৩১, ১৩২, ১৩৫, ১৩৬, ১৩৭ (২), ১৩৮, ১৪০ (২), ১৫১, ১৫২, ১৮২, ১৮৭; মুঠ ৬৭ বাৰ। √ দি+আ+কৈ > দিয়াকৈ, প্ৰা- ২১, মুঠ ১ বাৰ। √ দি+আ > দিয়ে, প্ৰা. ৭৪, মুঠ ১ বাৰ। √ দি+ল+ত > দিলত, প্ৰা. ৮২, ৮৫; মুঠ ২ বাৰ। √ দি+লে দিলে প্ৰা.. ৭, ২১ (৭), ২২ (২), ৪৫, ৪৬, ৪৭, ৫৩, ৫৬ (২), ৬১, ৬৪, ৬৮, ৮২ (৩), ৮৫, ১২৩, ১২৪, ১২৬ (২), ১৩৭ (২), ১৩৯, (২), ১৪১, ১৪২, ১৪৫, ১৪৬. ১৪৮, ১৮২, মুঠ ৩৭ বাৰ। √ দি+লো > দিলো, প্ৰা. ১০, ১০৪, ১০৫, মুঠ ৩ বাৰ। √ দি+লো > দিলো, প্ৰা. ১১২, মুঠ ১ বাৰ। সৰ্বমুঠ ১৪৪ বাৰ প্ৰা. ভা. আ-ৰ দ ন, ভা. আ-ত দ ৰূপত জোঁটনি পোৱা হৈছে। প্ৰা. ভা. আ. √ জ্ঞা > ন. ভা. আ (অস) √ জান। "প্ৰাচ্য-শাসনাৱলী" ত এই ধাতুৰ পৰা হোৱা জানিব শব্দ ৪৪ বাৰ, জানিবা শব্দ ৩ বাৰ, জানিবেক শব্দ ৫ বাৰ পোৱা গৈছে। পথাৰ শব্দটো এই ৰূপত ৭ বাৰ পোৱা হৈছে। মানুহ শব্দটো ৩৮ বাৰ এই ৰূপত পোৱা গৈছে।

এই বিশ্লেষণৰ পৰা দেখা গল মূল অনুসৰি জোঁটোৱা নিয়মেই প্ৰাচীন অসমীয়া জোঁটনি ৰীতিৰ এটা ঘাই নিয়ম আছিল।

(২) যিবিলাক শব্দ সংস্কৃত মূলৰ হোৱা সত্বেও অসমীয়াত উচ্চাৰণ বেলেগ হৈছে বা যিবিলাক বিদেশী শব্দ, সেইবিলাক উচ্চাৰণ অনুসৰি লিখা হৈছিল; যেনে - প্ৰা. ভা আ ষট্ > ন, ভা. আ. (অস), ছয়, প্ৰা., ১২। প্ৰা. ভা. আ. বিষ > ন ভা. আ. (অস). বিহ, প্ৰা., ১০। প্ৰা. ভা. আ. মৃত্তিকা > ন. ভা আ. (অস). মাটি, প্ৰা., ১৭। সেই বিদেশী শব্দ চহৰিয়া, প্ৰা, ৮৫; খৰচ, প্ৰা., ৯১; চৈয়দ, প্ৰা. ৬; আদি উচচাৰণ অনুসৰি জোঁটোৱা হৈছে। মূল নিৰ্ণয় কৰিব নোৱাৰা শব্দও উচ্চাৰণ অনুসৰিয়ে জোঁটোৱা হৈছিল; যেনে—চোলা, প্ৰা., ১৩৬; চাপৰি, প্ৰা., ১৪৭; ডকা, প্ৰা., ৪৬; ইত্যাদি।

(৩) কিছুমান শব্দৰ জোঁটনি পুৰণি কালৰে পৰা চলি আহিছে; যেনে— দেউৰী, প্ৰা., ২৭; বাৰী, প্ৰা., ৫৮, যুগী, প্ৰা., ২৩;

ইত্যাদি ।

উত্তৰ কালৰ পাচৰ কিন্তু হেমচন্দ্ৰ বৰুৱাৰ “পঢ়াশলীয়া অভিধান” ( ১৮৯২ ) আৰু “হেমকোষ”ৰ ( ১৯০০ ) আগৰ পদ্মাৱতী দেৱী ফুকননীৰ ( ১৮৫৩-১৯২৭ ) “সুধৰ্ম্মাৰ উপাখ্যান”ত (১৮৮৪) সেই সময়ৰ প্ৰচলিত জোঁটনি পদ্ধতিৰ আভাস পোৱা যায় । ১৯৬৭ চনত ডঃ গোলোক চন্দ্ৰ গোস্বামীৰ সম্পাদনাত প্ৰকাশিত উক্ত পুথিখনত মূলৰ ফুট দিয়া ৰ-ৰ ঠাইত পেটকটা ৰ, আৰু ১৮ টা শব্দৰ ছপাৰ ভুলৰ বাহিৰে আন একো লৰচৰ কৰা নাই বুলি সম্পাদকে “সম্পাদনাৰ কথা”ৰ ঘ আৰু ঙ পৃষ্ঠাত কৈছে । গতিকে দ্বিতীয় তাঙৰণৰ জোঁটনি প্ৰথম তাঙৰণেৰে সৈতে একে ।

“সুধৰ্ম্মাৰ উপাখ্যান”তো এই তিনিটা নীতিকে অনুসৰণ কৰি জোঁটনি নিৰ্ণয় কৰা হৈছে । উদাহৰণ স্বৰূপে (১) মূল অনুসৰি জোঁটোৱা হৈছে ঃ—

প্ৰা ভা. আ. ৰাত্ৰি > ন. ভা. আ. (অস.) ৰাতি, পৃ. ৬ ;
প্ৰা. ভা আ. ভক্ত > ন. ভা. আ. (অস.) ভাত, পৃ. ১৬ ;
প্ৰা. ভা. আ শ্বশুৰ > ন. ভা. আ. (অস.) শহৰ, পৃ. ১৮ ; ইত্যাদি ।

(২) উচ্চাৰণ অনুসৰি জোঁটোৱা হৈছে ঃ লৰা, পৃ, ১ ; বেপাৰ, পৃ, ১ , ঘৰ, পৃ, ১ ; ইত্যাদি ।

(৩) চলি অহা জোঁটনি অনুসৰি জোঁটোৱা হৈছে ঃ শুই, ৬ ; ঠৰ, ৩৩ ; ঠাই, ৩ ; ইত্যাদি ।

হৰকান্ত সদৰামীনৰ (১৮১৫-১৯০৩) আত্ম-জীৱনৰ ৰচনা কাল ১৮৯০ খৃষ্টাব্দ বুলি ধৰা হৈছে । এই সময় তেখেতে লিখা ডাঙৰখন আত্মজীৱনীৰ । ডাঙৰ আত্মজীৱনীখনৰ ৪৯ পৃষ্ঠাটো “সদৰামীনৰ আত্মজীৱন”ত (১৯৬০) ব্লক কৰি দিয়া হৈছে । তাৰ জোঁটনিতো এই তিনিটা নীতি অনুসৃত হোৱা দেখা গৈছে ।

(১) মূল অনুসৰি জোঁটনি ঃ যেনে— ধৰে ৩ শাৰী ; দিব ৬ শা ; —হাতে, ১৩ শা, ; ইত্যাদি ।

(২) উচ্চাৰণ অনুসৰি জোঁটনি ঃ যেনে— দাখিল, ২০ শা, জাৰি, ১১ শা, , হুকুম, ১১ শা, ; ইত্যাদি ।

(৩) ব্যৱহাৰ অনুসৰি জোঁটনি ; যেনে— আছিল, ৯ শা, ; ডফলা, ২৫ শা, , গোটেই, ১৩ শা, ; ইত্যাদি ।

গতিকে দেখা গল— উত্তৰ কালৰ পৰা “হেমকোষ” ৰচনাৰ সময়লৈকে অসমীয়া ভাষাত জোঁটনিৰ ভিত্তি আছিল এই তিনিটা—



(১) মূল অনুসৰি, (২) উচ্চাৰণ অনুসৰি আৰু (৩) ব্যৱহাৰ অনুসৰি জোঁটোৱা । হেমচন্দ্ৰ বৰুৱাই এই নীতিকেইটাকে কটকটীয়াকৈ পালন কৰি “হেমকোষ”ত অসমীয়া শব্দৰ জোঁটনি নিৰ্ণয় কৰে । হেমচন্দ্ৰ বৰুৱাৰ বাহিৰে আন কোনেও অসমীয়া ভাষাৰ জোঁটনিৰ ঘাই নীতি তিনিটা চিনাক্ত কৰিব পৰা নাছিল আৰু তেখেতৰ বাহিৰে কোনেও ইহঁতক শুদ্ধকৈ প্ৰয়োগ কৰা নাছিল ।

হেমচন্দ্ৰ বৰুৱাই “হেমকোষ”ত জোঁটনি নিৰ্ণয় কৰিবলৈ যাওঁতে শব্দবিলাকৰ মূল নিৰ্ণয় কৰিবলগীয়া হয় । ইয়াৰ আগতে ডঃ মাইলচ্ ব্ৰঞ্চনৰ অভিধানখনেই একমাত্ৰ অসমীয়া অভিধান আছিল । ইয়াত ১৪ হেজাৰমান শব্দ আছিল । এই শব্দবোৰৰ মূল নিৰ্ণয় কৰা হোৱা নাছিল । হেমচন্দ্ৰ বৰুৱাই আঠ হেজাৰতকৈ বেছি শব্দ নিজে সংগ্ৰহ কৰে আৰু হেমকোষত মুঠ ২২,৩৪৬ টা শব্দ হয়গৈ ইয়াৰ শতকৰা ৩৮ ভাগ সংস্কৃত শব্দ আৰু ৬২ ভাগ অসমীয়া শব্দ । অসমীয়া শব্দৰ সংখ্যা ১৩,৮৫৫টা মান হব । ইয়াৰে ৭,০৮২ টা শব্দৰ মূল নিৰ্ণয় কৰা হৈছে । ৬,৭৭৩ টামান শব্দৰহে মূল নিৰ্ণীত হোৱা নাই ।

এতিয়া আমি মূল প্ৰশ্নটোলৈ আহোঁ—“হেমকোষে অসমীয়া জোঁটনি নিৰ্ণয় কৰিলে হয়, কিন্তু আজি কালিৰ ইমানবোৰ ভাষাবিজ্ঞানীৰ প্ৰাদুৰ্ভাৱৰ সময়ত, অভিধানৰ পুৰণি জোঁটনি অচল হৈ যোৱা নাইনে ? নাইবা, “হেমকোষ”তকৈ শ্ৰেষ্ঠ জোঁটনি নীতি এটা প্ৰৱৰ্ত্তন কৰিব নোৱাৰিনে ? এই প্ৰশ্ন দুটাৰ উত্তৰ দিয়া উচিত হব ।

“হেমকোষ”ৰ জোঁটনি অচল হৈ যোৱা নাই, বৰঞ্চ ভাষা বিজ্ঞানৰ জ্ঞান বঢ়াৰ লগে লগে হেমচন্দ্ৰ বৰুৱাৰ জোঁটনিৰ যথাৰ্থতা বেছি বুলিহে প্ৰমাণিত হৈছে । উদাহৰণ স্বৰূপে হেমচন্দ্ৰ বৰুৱাৰ মূল অনুসৰি জোঁটনি নিৰ্ণয় কৰা নীতিটোলৈ চাওক ।

শব্দৰ জোঁটনিৰ প্ৰয়োজন হয় লিখিত ভাষাত । লিখিত ভাষাত লিখিত শব্দটোৰ ৰূপটোৱে পাঠকক অৰ্থবোধত সহায় কৰিব লাগে । উচ্চাৰিত শব্দটোৰ বিভিন্ন লিখনযোগ্য ৰূপবোৰৰ ভিতৰত যিটো ৰূপে সঠিক অৰ্থ জনাত সহায়তা কৰে, সেইটোৱেই শব্দটোৰ যথাৰ্থ ৰূপ, আৰু সেই ৰূপটো লিখোঁতে যি নীতি অনুসৃত হয়, সেই নীতিয়েই সঠিক জোঁটনি নীতি । মানুহৰ যি অঙ্গটোৱে কোনো বস্তু লোৱাৰ পৰা আৰম্ভ কৰি সকলো প্ৰকাৰৰ কায়িক শ্ৰম সম্পাদন কৰে সেই অঙ্গটোৰ নাম হাত । ইয়াক হাত আৰু হাট এই দুটা ৰূপত লিখিব পাৰি । ইহঁতৰ ভিতৰত কোনটো ৰূপে শব্দটোৰ সঠিক অৰ্থবোধত সহায়তা

কৰিব ? এই অঙ্গটো বুজাবলৈ আমি হাট ৰূপটো ব্যৱহাৰ কৰিলে বজাৰ বুজোৱা হাট শব্দৰ সৈতে অৰ্থৰ খেলিমেলি লাগিব । খেলিমেলি আঁতৰাবলৈ হলে এই শব্দৰ মূল হস্ত শব্দ অনুসৰি হাত ৰূপটো বাছি লব লাগিব । সেইদৰে আনটো শব্দৰ মূল হট্ট অনুসৰি হাট ৰূপটো বাছি লব লাগিব । তেতিয়াহে (১) বস্তুটো হাটত পালোঁ অ.ৰু (২) বস্তুটো হাতত পালোঁ – এই দুটা বাক্যত ব্যৱহৃত [ হআত ] শব্দ দুটাৰ অৰ্থ সঠিকভাৱে বুজিব পৰা হব ।

দ্বিতীয় নীতি উচ্চাৰণ অনুসৰি জোঁটোৱা নিয়মটো পৰীক্ষা কৰা হওক । উচ্চাৰণ অনুসৰি তেতিয়া জোঁটাব লগীয়া হয়, যেতিয়া মূল অনুসৰি জোঁটালে জোঁটনিত ব্যৱহৃত আখৰৰ উচ্চাৰণ পৰিবৰ্ত্তনৰ ফলত শব্দটোৰ উচ্চাৰিত ৰূপটোৰ বিকৃতি ঘটে । উদাহৰণ স্বৰূপে শোভাঞ্জন শব্দৰ পৰা চজিনা শব্দ হৈছে; এতেকে ইয়াৰ জোঁটনি শজিনা হব লাগে । কিন্তু অসমীয়া ভাষাত মূল অনুসৰি পোৱা শ আখৰৰ উচ্চাৰণ পৰিৱৰ্তন ঘটিল । এতেকে ইয়াৰ উচ্চাৰণ অনুসৰি চ লিখিবলগীয়া হল । ইয়াকে নকৰিলে চজিনা শব্দৰ উচ্চাৰণ-বিকৃতি ঘটিলেহেতেন ।

তৃতীয় নীতি ব্যৱহাৰ অনুসৰি জোঁটোৱা নিয়মটো পৰীক্ষা কৰা হওক । লিখিত ভাষা এটাৰ পুৰুষানুক্ৰমে চলি অহা জোঁটনিটো শিক্ষিত লোকমাত্ৰেই জানে । কাৰণ নাথাকিলে সেই চলি অহা জোঁটনিটো এৰি দিলে খেলি-মেলিৰ সৃষ্টি হব পাৰে । যেনে ফাৰ্চি কাঘজ শব্দৰ পৰা অসমীয়া ভাষাত কাগজ শব্দ হৈছে । সেই শব্দৰ পৰা কাকত শব্দও পোৱা গৈছে । ইয়াৰ ব্যৱহাৰ কাকত জোঁটনিৰে সৈতে বহুদিন ধৰি পুৰুষানুক্ৰমে চলি আহিছিল । তাৰ প্ৰমাণ ১৬৫৬ শক বা ১৭৩৪ খৃষ্টাব্দৰ দেৰগাৱঁৰ শিৱদ'লৰ তামৰ ফলিত পোৱা যায় । সেই কাৰণে ইয়াক সলনি কৰাৰ চেষ্টা বৃথা । কাৰণ, আপুনি লিখা কথাখিনি কোনোবা এজনে পঢ়িবলৈ লিখিছে । আপোনাৰ লিখা পঢ়োঁতাজনে কিছুমান শব্দ বিশেষ একোটা জোঁটনিৰেহে ইয়াৰ আগলৈকে পঢ়ি আহিছিল । গতিকে, জোঁটনি সলালে অৰ্থবোধত ব্যাঘাত জন্মিব পাৰে ।

এইখিনি তথ্য আগত ৰাখিলে আমাৰ চকুৰ আগত "হেমকোষ"ৰ গুৰুত্ব স্পষ্ট হৈ পৰে । 'হেমকোষ"ৰ গোটেই প্ৰতিলিপিবোৰ পুৰি পেলালে আৰু ইয়াৰ জোঁটনি মানুহৰ মনৰ

( ৬৯ পৃষ্ঠাত চাওক )

# গুণাভিৰাম বৰুৱা ঃ

## সমসাময়িক অসমীয়া সমাজ আৰু সাহিত্যত

শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা

গুণাভিৰাম বৰুৱা শেহ উনবিংশ শতিকাৰ অসমীয়া ভাষা সাহিত্যৰ কৰ্ণধাৰসকলৰ অন্যতম । ইংৰাজে অসম অধিকাৰ কৰাৰ পৰবৰ্তী তিনিটা দশকত যি কেইজন মুষ্টিমেয় অসমীয়া লোকৰ ইংৰাজী শিক্ষাৰ লগত পৰিচয় ঘটিছিল, আপেক্ষিকভাৱে বৃহত্তৰ কলিকতীয়া সমাজ-জীৱনৰ লগত ঘনিষ্ঠতা সংঘটিত হোৱা হেতুকে পাশ্চাত্য ধ্যান-ধাৰণাই যিকেইজন অসমীয়া লোকৰ মনত বিশেষ এডোখৰ ঠাই অধিকাৰ কৰিছিল, গুণাভিৰাম বৰুৱা সেই কেইজন লোকৰ ভিতৰৰে এজন । ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তত ইতিপূৰ্বেই মধ্যযুগীয় ধ্যান-ধাৰণাৰ ঠাই আধুনিক চিন্তাই দখল কৰি পেলাইছিল যদিও অসমত তেনে চিন্তাই গজালি মেলে আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰথম কলিকতা প্ৰত্যাবৰ্তনৰ (১৮৪৫ খ্ৰীষ্টাব্দৰ) পৰবৰ্তী কালতহে । উনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ প্ৰাৰম্ভতে কলিকতীয়া জীৱন-প্ৰবাহৰ লগত গুণাভিৰামৰ পৰিচয় ঘটে । আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনৰ প্ৰভাৱেও গুণাভি-

---

( ৬৮ পৃষ্ঠা পিচৰ পৰা )

পৰা মচি পেলালে অসমীয়া ভাষাৰ বিৰাট ক্ষতি হব । কাৰণ, তেনে কৰিলে অসমীয়া ভাষাৰ শব্দসম্ভাৰৰ গোটেইখিনি নহলেও সৰহ সংখ্যক শব্দ নতুনকৈ সংগ্ৰহ কৰা সম্ভৱ নহব । দ্বিতীয়তে, ভাষাবিজ্ঞানসন্মত অসমীয়া ভাষাৰ জোঁটনি পদ্ধতি নষ্ট হব । তৃতীয়তে, ঐতিহাসিক কালৰে পৰা অসমীয়া ভাষা লিখোঁতে অনুসৃত হোৱা জোঁটনি পদ্ধতিৰ লগত বৰ্তমানৰ জোঁটনিৰ সম্পৰ্ক নাইকিয়া হোৱাৰ ফলত অসমীয়া জোঁটনিয়ে জাৰজত্ব লাভ কৰিব । সৰ্বশেষত অসমীয়া ভাষাৰ বৈজ্ঞানিক ভিত্তিটোৱেই নষ্ট হব ।

ৰামৰ মনৰ দিগন্ত প্ৰসাৰিত কৰিছিল সৰু কালৰে পৰাই। অৱশ্যে, অভিৰুচি অনুযায়ী ব্যক্তিগত বা পাৰিবাৰিক জীৱন গঠনৰ বেলিকা গুণাভিৰামে অনুকূল পৰিবেশ এটা পোৱা নাছিল। তথাপি, তেওঁৰ সমসাময়িক, আধুনিক অসমীয়া ভাষা সাহিত্যৰ আনজন সব্যসাচী পুৰুষ হেমচন্দ্ৰ বৰুৱাতকৈ আধুনিক শিক্ষা-দীক্ষাকে আদি কৰি আপেক্ষিকভাৱে বহুতো বেছি সুবিধা এওঁ লাভ কৰিছিল। কোৱা বাহুল্য যে আনন্দৰাম ঢেকিয়াল ফুকনৰ সান্নিধ্য আৰু সাহচৰ্যৰ ফলতেই গুণাভিৰাম তেনে সৌভাগ্যৰ অধিকাৰী হৈছিল।

ঢেকিয়াল ফুকনৰ উপৰি বংগদেশৰ ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ ধ্যান-ধাৰণা আৰু ক্ৰিয়া-কলাপে, তেওঁৰ সমাজ-সংস্কাৰ-প্ৰেৰণা তথা বিধবা-বিবাহ প্ৰচলন-প্ৰচেষ্টাই গুণাভিৰামৰ জীৱনৰ গতি-পথ নিৰ্ণয় কৰাত এক সুদূৰ-প্ৰসাৰী প্ৰভাৱ পেলাইছিল। সেই প্ৰভাৱৰ মূলতে হ'ল কলিকতাত গুণাভিৰামৰ প্ৰায় ছবছৰীয়া ছাত্ৰ-দশা। 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ'ত নিজৰ বিষয়ে গুণাভিৰামে নিজেই লিখিছে এইবুলি ঃ "এই দেশত (অসমত) বিধবা-বিবাহ অপ্ৰচলনৰ পৰা যি অনিষ্ট ঘটিছে, এইটি তেওঁ পাঠ্যাৱস্থাৰ পৰা ভালকৈ জানি গুণাভিৰামৰ বিধবা-বিবাহৰ প্ৰতি মন আছিল।" (১) কলিকতাত পঢ়ি থকা অৱস্থাতেই ১৮৫৬ খ্ৰীষ্টাব্দৰ ৮ ডিচেম্বৰত 'চুকিয়াস্ ইষ্ট্ৰিট্ নামে ঠাইৰ ১২ নম্বৰি ঘৰত" কলিকতাৰ সংস্কৃত কলেজৰ প্ৰাক্তন অধ্যাপক শ্ৰীশচন্দ্ৰ বিদ্যাৰত্ন ভট্টাচাৰ্য্য আৰু শ্ৰীমতী জগৎকালীৰ মাজত যিখন বিধবা-বিবাহ পোন প্ৰথমে অনুষ্ঠিত হয়, গুণাভিৰাম আছিল সেই বিবাহৰ এজন প্ৰত্যক্ষদৰ্শী। ৯ ডিচেম্বৰত "কলিকতাৰ ওচৰৰ সুৰা নামে এখন গাঁৱৰ ইসান চন্দ্ৰ মিত্ৰৰ জিয়েক"ৰ লগত হোৱা "সদৰ দেৱানি আদালতৰ প্ৰধান উকিল শ্ৰীযুত হৰকালি ঘোষৰ ভতিজাক শ্ৰীমধুসূদন ঘোষ"ৰ বিয়াৰ চাক্ষুস অভিজ্ঞতাও গুণাভিৰামে লাভ কৰিছিল। বিধবা-বিবাহ প্ৰচলনেৰে বিদ্যাসাগৰে আনিব খোজা সামাজিক ৰূপান্তৰৰ কথা কল্পনা কৰি ১৮৫৭ খ্ৰীষ্টাব্দৰ জানুৱাৰী সংখ্যা 'অৰুণোদই'ত[2] গুণাভিৰামে লিখিছিল ঃ "হা জগত ঈশ্বৰ! আমি অচম দেশত কেতিয়া এনে শুভ কৰম দেখি আনন্দ কৰিবলৈ

১। অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত (১৯৭১) উক্ত গ্ৰন্থ, পৃষ্ঠা ১৭৬।

২। 'আৱাহন'ৰ দ্বিতীয় বছৰৰ (১৮৫৩ শক) দ্বাদশ সংখ্যাত পুনৰ্মুদ্ৰিত 'দুজনি বিধবা চোআলিৰ বিবাহৰ কথা'।



পাম? হা ঈশ্বৰ! প্ৰসন্ন হোআ"।

কিন্তু ঈশ্বৰ যে প্ৰসন্ন হৈ গুণাভিৰামৰ জীৱনৰ মাজতেই এনে এটি "শুভ কৰমৰ" সম্পাদনা ঘটাব সেই কথা গুণাভিৰামে তেতিয়া কল্পনাও কৰিব পৰা নাছিল। তেওঁৰ প্ৰথমা পত্নী ব্ৰজসুন্দৰী দেৱী ১৮৬৭ খ্ৰীষ্টাব্দৰ জুলাই মাহত মৃত্যু হোৱাৰ পাছত ১৮৭০ খ্ৰীষ্টাব্দৰ এপ্ৰিল মাহত গুণাভিৰামে দ্বিতীয় বাৰ বিয়া কৰায় আনন্দৰাম ঢেকিয়াল ফুকনৰ বাল্যবন্ধু পৰশুৰাম বৰুৱাৰ বিধৱা পত্নী বিষ্ণুপ্ৰিয়া দেৱীক। "গুণাভিৰামৰ এই বিবাহ ১৮৭২ চনৰ ৩ আইন মতে সেই চনৰ ডিচেম্বৰত ৰেজিষ্টৰি হয়"।[3] অসমৰ প্ৰথম পঞ্জীবদ্ধ বিবাহ এইখনেই।[4] অৱশে, শ্ৰীবেণুধৰ শৰ্মাই কোৱা মতে, গুণাভিৰাম বৰুৱাবো পূৰ্বে যাদুৰাম ডেকা বৰুৱাই বিধবা-বিবাহ কৰাইছিল.[5] আৰু সেয়ে হলে, অসমীয়া হিন্দু সমাজৰ তদানীন্তন ৰক্ষণশীলতাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিবলৈ গুণাভিৰামে ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ উপৰি অসমৰ মাটিৰ পৰাও প্ৰেৰণা লাভ কৰিছিল। সি যি হওক, গুণাভিৰামৰ এই বিধবা-বিবাহ অসমৰ সমাজ-জীৱনত সংঘটিত হোৱা এটা প্ৰবল জোকাৰণি। ছাত্ৰাৱস্থাত কলিকতাত থকা কালতেই (১৮৫১ খ্ৰীষ্টাব্দৰ পৰা ১৮৫৭ খ্ৰীষ্টাব্দলৈ) ব্ৰাহ্ম ধৰ্মৰ প্ৰতি গুণাভিৰামৰ মন ঢাল খাইছিল; কিন্তু প্ৰকাশ্যভাৱে সেই ধৰ্ম তেওঁ গ্ৰহণ কৰে ১৮৬৯ চনত ধুবুৰীত থকা কালতহে।

বিধবা বিবাহ সম্পাদন আৰু ব্ৰাহ্মধৰ্ম গ্ৰহণ—এই দুটা বৈপ্লৱিক ঘটনাই গুণাভিৰামৰ জীৱনক নিৰংকুশ স্থিতি এটা দিছিল বুলি কিন্তু ভাবিব নোৱাৰি। ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰা হেতুকে গুণাভিৰাম যে অসমীয়া সমাজৰ তুচ্ছ-তাচ্ছিল্যৰ বলি হ'ব লগা হৈছিল, সেই কথা তেওঁৰ পুত্ৰ জ্ঞানদাভিৰাম একাধিক প্ৰসংগত উল্লেখ কৰিছে। (৬) বিধবা-বিবাহ কৰোৱাৰ পৰিণতি স্বৰূপে কেৱল অসমীয়া সমাজৰ লগতেই নহয়, বংগদেশৰ সুখ্যাত ঠাকুৰ পৰিয়ালৰ লগতো সম্পৰ্ক ৰক্ষা বা স্থাপন কৰাত গুণাভিৰাম আহুকলীয়া পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছিল। গুণাভিৰামৰ জীয়েক স্বৰ্ণলতাৰ লগত বিশ্বকবি

৩। আ, ঢে, ফু, জী, চ, পৃ, ১৭৭।

৪। শ্ৰীনন্দ তালুকদাৰৰ, সম্বাদ পত্ৰ ৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য, পৃ, ৯৭।

৫। "অৰ্ঘাৱলী" প্ৰথম প্ৰকাশ, পৃ, ১০৬।

৬। 'মোৰ কথা', ৰামধেনু, তৃতীয় আৰু চতুৰ্থ বছৰ।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ বিয়া হোৱাৰ সকলো ঠিক-ঠাক হোৱাৰ পাছত গুণাভিৰামৰ বিধবা-বিবাহৰ কথা শুনি মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে সেই বিয়া হবলৈ নিদিলে বুলি জ্ঞানদাভিৰামেই কৈ গৈছে। (৭) কিন্তু সময়ৰ গতিতকৈ গুণাভিৰামৰ মনৰ গতি আছিল দ্ৰুততৰ। উদাহৰণ স্বৰূপে কব পাৰি—যে নিজে বিধবা-বিবাহ কৰাৰ তিনি বছৰ অধিক এটা দশকৰ পূৰ্বেই বিধবা-বিবাহ সমৰ্থক 'ৰাম-নৱমী' নাটক ৰচনা কৰি অসমীয়া সমাজৰ নৈতিক অৱক্ষয় প্ৰতিৰোধকল্পে দৃঢ়কণ্ঠে অসমৰ ৰাইজক তেওঁ আহবান জনাইছিল। অমিত সাহস আৰু আত্মবিশ্বাসৰ অধিকাৰী হৈও জীৱনৰ শেহছোৱাত গুণাভিৰামে সমসাময়িক অসমৰ সমাজ-জীৱনৰ সংৰক্ষণশীলতাৰ ওচৰত নতি স্বীকাৰ কৰিব লগা হয়। তদানীন্তন অসমীয়া সমাজ-ব্যৱস্থাৰ অনুদাৰ ৰথ-চক্ৰৰ তলত পৰি জীৱনৰ ভৱিষ্যত চূৰমাৰ হোৱাৰ আশংকা গুণাভিৰামৰ মনত বাৰুকৈয়ে ঘণীভূত হৈ পৰিছিল। তাৰেই প্ৰমাণ, জীৱনৰ শেহ ছোৱাত অসমৰ সামাজিক আৰু ভৌগোলিক গণ্ডীৰ বাহিৰত তেওঁৰ কলিকতা প্ৰবাস। অৱশ্যে, অসমীয়া সমাজ বা ভাষা সাহিত্যৰ প্ৰতি গুণাভিৰামৰ কৰণীয় সকলোখিনি তেওঁ অসমতে সম্পন্ন কৰি গৈছে। কলিকতা প্ৰবাসে তেওঁৰ কেৱল ভৱিষ্যত বংশধৰসকলক বৃহত্তৰ সমাজ জীৱন এটাৰ মাজত খোপনি লোৱাত, আৰু গৌৰৱময় ঐতিহ্য এটাৰ ধাৰক আৰু বাহক হোৱাত অনুকূলতা দান কৰিছিল।

অসমীয়া ভাষা-সাহিত্যৰ প্ৰাক-বেজবৰুৱা যুগত হেমচন্দ্ৰ আৰু গুণাভিৰাম—এই দুজন বৰুৱাৰ অধিনায়কত্ব উনবিংশ শতিকাৰ শেহ দশক দুটাই স্বীকাৰ কৰি লয়। "অসমীয়া ভাষাত সকলো অসমীয়াৰ মনোৰঞ্জন কৰি, সুললিত, সৰল, ৰসাল অথচ ওখ শাৰীৰ গদ্য ৰচনা যে হ'ব পাৰে", সেই কথা প্ৰথমোক্তজনৰ 'আসাম নিউজ' আৰু শেষোক্তজনৰ 'আসাম বন্ধু'য়েই প্ৰথমতে দেখুৱালে বুলি লক্ষ্মীনাথ বেজবৰুৱাই কৈ গৈছে।[৮] আলোচনী দুখনৰ সম্পাদক দুই বৰুৱা তেতিয়া অসমীয়া ভাষাৰ দুটা স্বতন্ত্ৰ ধাৰা (স্কুল)ৰ প্ৰতিষ্ঠাপক। "প্ৰথমটিৰ নাম শিৱসাগৰীয়া ইস্কুল আৰু দ্বিতীয়টিৰ নাম সংস্কৃতীয়া ইস্কুল" বুলি বেণুধৰ ৰাজখোৱাই কৈছে।[৯] উক্ত ধাৰা দুটাৰ সম্পৰ্কত

৭ উল্লিখিত ৰচনা।

৮ 'মোৰ জীৱন সোঁৱৰণ,' অসম সাহিত্য সভা, পৃ, ৮৩।

৯ 'সম্বাদ পত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য'ত উদ্ধৃত পৃ' ১৪৬।



পদ্মনাথ গোহাঞি বৰুৱাই কৈছে ঃ "সিবিলাকৰ মাজত কোনো কোনো পিঠিয়া-পিঠি মত-ভেদ নাছিল, মাথোন, এজন নিৰহ-নিপানী অসমীয়া লেখক, আনজন সংস্কৃতীয়া অসমীয়া লেখক। এজন উকা গদ্য লেখক, আনজন পদ্য-গদ্য লেখক। যেনে, এজনে 'হৈছে' লিখে, আনজনে 'হইছে' লিখে।"[১০] গুণাভিৰাম দ্বিতীয়টো ধাৰাৰ প্ৰৱৰ্ত্তক। তেৱেঁই 'হইছে' লিখিছিল। তদুপৰি গুণাভিৰামে 'মই'ক 'ময়' কৰিছিল; তেওঁৰ হাতত 'চামুচ', 'লিখা', 'তিৰোতা'— 'চিমচা', 'লেখা', 'তিৰুতা', 'হইছিল'। তেওঁৰ 'আসাম বন্ধু' মাহেকীয়া অসমীয়া আলোচনী। ১৮০৬ শকৰ মাঘ মাহৰ পৰা ১৮০৮ শকৰ বহাগলৈকে মুঠ চৈধ্যটা সংখ্যা প্ৰকাশ হোৱা।[১১] এই কাকতখনৰ পৰমায়ু নিচেই কম আছিল যদিও নতুন সাহিত্যিক ৰুচিবোধ এটা সৃষ্টি কৰাৰ বেলিকা 'আসাম বন্ধু'ৰ অৰিহণা উলাই কৰিব পৰা বিধৰ নহয়।

গুণাভিৰামৰ সাহিত্যানুৰাগ আনন্দৰাম ঢেকিয়াল ফুকনে স্থাপন কৰা "কলিকতা নিউ প্ৰেছ'ৰ অধ্যক্ষতাৰ যোগেদি ১৮৩২ খ্ৰীষ্টাব্দতে সৃষ্টি হয় বুলি অনুমান কৰিব পাৰি। কলিকতাত থাকোঁতেই গুণাভিৰামে আনন্দৰামৰ "আইন ও ব্যৱস্থা সংগ্ৰহ' বিভিন্ন গ্ৰাহকলৈ পঠোৱা কাৰ্যতো সেই অনুৰাগে হয়তোবা পোখা মেলিছিল। ১৮৫৭ চনৰ জুলাই সংখ্যা 'অৰুনোদই'ত প্ৰকাশিত "ঘোসা পুথি চপা হোৱাৰ বিগ্যাপন"ৰ লগত তেওঁৰ নাম (প্ৰকাশক স্বৰূপে) জড়িত হোৱা ("শ্ৰীগুণাভিৰাম ডেকা বৰুআ। ১০ আঘোন, ১৭৭৮, প্ৰেচিডেন্সি কলেজ কলিকতা")[১২] কথায়ো সেই অনুৰাগৰ সাক্ষ্য দিব পাৰে। কিন্তু তেওঁৰ সাহিত্যানুৰাগে নিজববীয়া প্ৰকাশ লাভ কৰে ১৮৭০ খ্ৰীষ্টাব্দত ছপা হোৱা 'ৰামনবমী নাটকৰ যোগেদিহে। অৱশ্যে জি, ব, নামত ছপা হোৱা 'বিধবা বিবাহ,' 'বন্ধুতাৰ কথা,' 'ইংলণ্ড আৰু অচম দেস', 'তিৰ্থ আৰু পুৰানৰ উত্পতিৰ কথা', 'পুৰুসে তিৰোতাক যি ৰূপে সমাদৰ কৰিব লাগে,' 'দুজনি বিধবা চোআলিৰ বিবাহ হোৱাৰ কথা', 'মাত্ৰি, ভাসাৰ সক্তি'[১৩] আদিয়ে লেখক গুণাভিৰামক 'অৰুনোদই'ৰ বুকুত বাৰুকৈয়ে প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ উপৰি এই কাকতখনৰ আন

১০। "মোৰ সোঁৱৰণী, পৃ ৩১।

১১। যতীন্দ্ৰ মোহন ভট্টাচাৰ্য সম্পাদিত 'ৰাম নবমী', সম্পাদকৰ নিবেদন, পৃঃ ১৮।

১২। ডিম্বেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' (১৯৫৭) পৃঃ ৫৯৪।

১৩। ডঃ মহেশ্বৰ নেওগৰ 'ভূমিকা' 'অৰুনোদই'ৰ ধলফাট', পৃঃ '৭৭।

কেইবাটাও লেখাৰ লগত গুণাভিৰাম জড়িত হোৱাৰ সম্ভাৱনাৰ কথা ড০ মহেশ্বৰ নেওগে কৈছে।[১৪]

গুণাভিৰামৰ ৰামনৱমীৰ উত্তৰ কালৰ ৰচনা সমূহ হ'ল 'ল'ৰা-পুথি' ( ১৮৭৪ খ্ৰীঃ ), আসাম বুৰঞ্জী' (১৮৭৫), 'অসমীয়া ল'ৰাৰ ভূগোল' (১৮৭৯), 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ' (১৮৮০), 'কাব্য কুসুম' (১৮৮৪), 'বিবাহ বিভ্ৰাট' (১৮৮৬) আৰু 'কঠিন শব্দৰ ৰহস্য ব্যাখ্যা' (১৮৯০) আসাম বন্ধুত ওলোৱা 'আগৰ দিন এতিয়াৰ দিন,' জোনাকীত ওলোৱা 'সৌমাৰ ভ্ৰমণ', 'অসমত মানৱ শেহছোৱা', 'অলিখিত বুৰঞ্জী' আদি প্ৰবন্ধই ঐতিহাসিক গুণাভিৰামজনক প্ৰকাশ কৰিছে। 'আসাম বুৰঞ্জী' আৰু এই প্ৰবন্ধলানিৰ নিমিত্তেই তেওঁ "আসামত সৰ্বজনবিদিত বুৰঞ্জীবিজ্ঞ পুৰুষ।"[১৫] বিজুলী কাকতত প্ৰকাশিত 'অসমৰ উন্নতি', আমাৰ শাসন, শাসক আৰু একতা,' 'চিকাগো প্ৰদৰ্শনী', 'অসম যাত্ৰা,' 'বৈজ্ঞানিক প্ৰবন্ধ', 'ভ্ৰম-প্ৰবাদ', 'মান্যবৰ দাদা ভাই নাওৰুজী', 'স্যাৰ জৰ্জ কেম্বেল', 'স্মাৰ্ত্ত ভট্ট ৰঘুনন্দন' আদি প্ৰবন্ধৰো লেখক গুণাভিৰামেই।[১৬] কিন্তু গুণাভিৰামৰ সবাতোকৈ ডাঙৰ সৃষ্টি হ'ল 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ'হে। "অসমীয়া ভাষাত এখনিহে জীৱনী আছে, আৰু সেইখনো শৃঙ্খলাবদ্ধাৰ কথাৰে ভৰা" বুলি এই গ্ৰন্থখনক জোনাকী কাকতে কটু সমালোচনা কৰিছিল[১৭] যদিও "আমাৰ ভাষাত আধুনিক জীৱন চৰিত্ৰ বিভাগৰ এই পস্তকেই প্ৰথম" বুলি কৰা গুণাভিৰামৰ দাবী সাব্যস্ত হৈছে, আৰু বছৰেলে লিখা জনছনৰ জীৱনীৰ আহিৰ এইখনেই মাত্ৰ গ্ৰন্থ বুলি পুতেক জ্ঞানদাভিৰামে কোৱা কথাও অতিৰঞ্জিত বুলিব নোৱাৰি।

সমসাময়িক আৰু বয়োকনিষ্ঠ অসমীয়া লেখক সকলৰ বহুতৰে নিমিত্তে গুণাভিৰাম আছিল প্ৰেৰণাৰ উৎস। হেমচন্দ্ৰ বৰুৱাই ১৭৮০ শকত তেওঁৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ' প্ৰকাশ হোৱা প্ৰসংগত লিখিছে, " তাক লিখা সময়ত ডাঙৰীয়া শ্ৰীযুত গুণাভিৰাম বৰুৱা কলিকতাত আছিল, আৰু তাৰ ৰচনাৰ বিষয়ত লেখাৰদ্বাৰা তেওঁ মোক বহুত পৰামৰ্শ দিছিল, অধিক কি, সেই বিষয়ত তেওঁ মোৰ অকল উৎসাহদাতা আৰু উপদেশক আছিল। অসমীয়া ডেকাবিলাক যে বঙ্গালী

১৪। উল্লিখিত গ্ৰন্থ, পৃঃ ৭৬।

১৫। 'মোৰ জীৱন সোঁৱৰণ,' পৃঃ ১৫৬।

১৬। 'সম্বাদ পত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য,' পৃঃ ১৪২-৩।

১৭। ৰামধেনু, ত্ৰয়োদশ বছৰ একাদশ সংখ্যা, পৃঃ ১১০১



বাইৰ সলনি অসমীয়া মাতৃক আদৰ কৰিবলৈ আগবাঢ়িল, তাতো মহাত্মা আনন্দৰাম ঢেকিয়াল ফুকনৰ পাছতে গুণাভিৰাম বৰুৱা পথ প্ৰদৰ্শক হৈছিল।"[১৮] পদ্মাৱতী দেৱী ফুকননীৰ 'হিত সাধিকা,' বলৰাম শৰ্মাৰ 'হৰ্ষ-বিষাদ বিষয়ক ৰচনা,' নিজ পত্নী বিষ্ণুপ্ৰিয়া দেৱীৰ 'নীতি কথা' কন্যা স্বৰ্ণলতাৰ 'আহি তিৰুতা' ৰচনা আৰু পুত্ৰ কৰুণাভিৰামৰ 'ল'ৰা বন্ধু' সম্পাদনাৰ মূলতো তেওঁৰ প্ৰেৰণাই ক্ৰিয়া কৰিছিল। পদ্মনাথ গোহাঞি বৰুৱাই 'বিজুলী সম্পাদনা কৰা কালত গুণাভিৰাম বৰুৱাৰ পৰা পোৱা "আশাতীত সহানুভূতি"ৰ কথা 'মোৰ সোঁৱৰণী'ত কৃতজ্ঞতাৰে সুঁৱৰিছে। লগতে, তেওঁ "পদ্য ৰচোঁতে 'গুণাভিৰাম স্কুল'ৰ" আছিল বুলিও উল্লেখ কৰিছে।[১৯] হেমচন্দ্ৰ গোস্বামী আৰু ৰত্নেশ্বৰ মহন্তৰ প্ৰতিভাৰো আৱিষ্কৰ্তা আছিল গুণাভিৰামেই। 'আসাম বন্ধু'ৰ সম্পাদক গুণাভিৰাম বৰুৱাৰ বিষয়ে কনকলাল বৰুৱাই লিখা "the editor was very sympathetic towards young writers and novices"[২০] বোলা কথাষাৰ এই ক্ষেত্ৰত সুঁৱৰিব পাৰি।

অৱশ্যে, ৰত্নেশ্বৰ মহন্তই শেহৰ ফালে গুণাভিৰাম বৰুৱাৰ বিষয়ে কৰা বিযোদগাৰত গুণাভিৰামক তেওঁ বাৰুকৈয়ে আক্ৰমণ কৰিছে। তাৰ কাৰণ হ'ল,— তেতিয়াৰ পাঠ্য পুথি বছা সমিতিৰ সদস্য হিচাপে গুণাভিৰামে ( আন দুজন সদস্য আছিল বলিনাৰায়ণ বৰা আৰু নন্দেশ্বৰ ফুকন ) ৰত্নেশ্বৰ মহন্তৰ 'পাঠাৱলী'ৰ পাণ্ডুলিপি অগ্ৰাহ্য কৰিলে।[২১] 'আসাম বন্ধু'ত ৰচনা প্ৰকাশ কৰি ৰাইজৰ আগত লেখক ৰূপত ৰত্নেশ্বৰ মহন্তক দাঙি ধৰাৰ উপৰি গুণাভিৰামেই নৰ্গাৱত ৰত্নেশ্বৰক একাউণ্টেণ্ট পাতিছিল। গুণাভিৰামে অসমীয়া সাহিত্যৰ

১৮। 'আত্ম জীৱন চৰিত' ঃ সৰ্বেশ্বৰ শৰ্মা কটকী প্ৰণীত 'হেমচন্দ্ৰ বৰুৱাৰ জীৱন-চৰিত'ত উদ্ধৃত, পৃঃ ৩২।

১৯। উক্ত গ্ৰন্থ, পৃঃ ৩১।

২০। ড০ মহেশ্বৰ নেওগ সম্পাদিত 'Studies in the Early History of Assam', পৃঃ ৩১৮।

২১। "My manuscripts were refused & returned to me with can inexplicit opinion recorded by Gunabhiram Babu to the effect that I was not successful in several places to give free expressions to my sentiments."—যোগেন্দ্ৰনাৰায়ণ ভূঞা সম্পাদিত 'ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী,' পৃঃ ৩৪২।

সংখ্যাগত দিশলৈ চকু নিদি গুণগত দিশটোলৈ চকু দিছিল বাবেই নিশ্চয় ৰত্নেশ্বৰ মহন্তৰ উক্ত গ্ৰন্থখন তেওঁ মঞ্জুৰ কৰিব নোৱাৰিলে। কিন্তু এই ব্যক্তিগত আক্ষেপৰ নিমিত্তেই, অসমৰ মজলীয়া স্কুলবোৰত বঙলাৰ পৰিবৰ্তে অসমীয়া ভাষা প্ৰচলন কৰিবৰ কাৰণে চৰকাৰৰ ওচৰত স্মাৰক পত্ৰ দিয়া সংক্ৰান্তত হেমচন্দ্ৰ গোস্বামীলৈ লিখা চিঠিত ৰত্নেশ্বৰ মহন্তই গুণাভিৰামৰ বিষয়ে লিখিছিল এনেকৈ : "I do not expect anything from Babu Gunabhiram Barua on this subject. I know his opinion on this is highly stoic, & he has a tendency towards Bengalee".[২২] আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱদ্দশাত যিজন গুণাভিৰাম গাৰ ছাঁৰ লেখীয়া আছিল, সেইজনৰ ক্ষেত্ৰত ৰত্নেশ্বৰ মহন্তই তোলা অভিযোগ যে সত্য হ'ব নোৱাৰে, তাৰ সাক্ষ্য আমি ওপৰত উদ্ধৃত কৰি অহা হেমচন্দ্ৰ বৰুৱাৰ উক্তিয়েই নিশ্চয় দিব পাৰিব। গুণাভিৰামে অসমৰ আৰু অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে আগবঢ়োৱা অৱিহণাৰ কথা সুঁৱৰি পদ্মনাথ গোহাঞি বৰুৱাই 'গুণাভিৰাম' শীৰ্ষক কবিতাত কৈছে :

"তিতা লাৱে ছাটি ধৰা এৰা ঘৰ ভেটি
চিকুনাই উলিয়ালা পুৰণি কীৰিতি।
বুৰঞ্জীত আঁক পাৰি গণি পূৰ্ব্ব কাম,
নুমাবলগীয়া কত উদ্ধাৰিলা নাম।
'অসম বন্ধু' চাকিটি ধৰি এটি হাতে,
দেশী ভাই হাত ধৰি উন্নতিৰ বাটে
ধৰিলা গহীন খোজ কৰি আলোচনা
চকু-গজা হ'ল ডেকা গুচি দিন কণা।" [২৩]

ৰজা পুৰন্দৰসিংহৰ এজন বিশ্বস্ত বিষয়া ৰণৰাম বৰুৱাৰ জীৱনে তেওঁৰ পুত্ৰ, বৃটিছ-অসমৰ ৰাজকৰ্মচাৰী ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ মাজেদি যি পৰিপূৰ্ণতা লাভ কৰিছিল, ৰণৰাম-পৌত্ৰ জ্ঞানদাভিৰাম বৰুৱা আছিল সেই পৰিপূৰ্ণতাৰ এক বিশালতৰ পৰিধি। অসমৰ সমাজ আৰু সংস্কৃতিলৈ এই পৰিয়ালৰ অৱদান অসমৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ এক স্বতন্ত্ৰ আৰু স্বয়ং সম্পূৰ্ণ অধ্যায়। * *

---

২২ 'ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী,' পৃ, ৩৫৪।
২৩ জুৰণি,' (দ্বিতীয় তাঙৰণ,) পৃ, ১৭।

—(o)—

# ॥ বলদেৱ মহন্তৰ কবিতা ॥

## : কাউৰী আৰু শিয়াল :

*[৺বলদেৱ মহন্ত (১৮৫০ খ্ৰীঃ–১৮৯৫ খ্ৰীঃ) ঊনবিংশ শতিকাৰ প্ৰখ্যাত পদ্যলেখক। "বৰ্ণশিক্ষা" (১ম, ২য়, ৩য় ভাগ) "আখ্যানমাল" "আধ্যাৱলী" "গণিতবোধ" আদি পঢ়াশলীয়া পুথিৰ উপৰি "উজুপাঠ" তেখেতৰ, এখন লেখত লবলগীয়া পদ্য-পুথি।]*

এখুটুৰা মাংস লই পৰম হৰিষ হই
কাক আহি পৰিল ডালত;
খাব কি লুকাই থ'ব থ'লে কোনোবাই নিব
ঘোৰ চিন্তা লাগিল মনত।
মঙ্গহ ঠোটেৰে ধৰি চাৰিওফালে দৃষ্টি কৰি
বায়সে ভাবিছে সদুপায়;
অলপ এতিয়া খাওঁ অলপ লুকাই থওঁ
সজ বস্তু নিমিলে সদায়।
দূৰদৰ্শীলোকে কয় যিটে সাঁচি ৰাখি খায়
তাৰ কষ্ট নহয় হঠাতে;
বগলীয়ে যিটি পায় মাছ ততালিকে খায়
নাপালেই থাকে সুদা পেটে।
যত পায় তত খায় অলপো সঞ্চিত নাই
এই কৰ্ম্ম দৰিদ্ৰ লক্ষণ;
গৃহীয়ে যি দ্ৰব্য পায় কিছু সাঁচে কিছু খায়
তেনে ৰীতি অতি বিচক্ষণ।
সচিন্তিত আছে কাক এনেতে শিয়াল এক
সেই গছ তলে উপস্থিত;
ওপৰলৈ চাই দেখে মাংস লই কাকে মুখে
ভাবে কাৰ্য্য কি কৰা উচিত।

স্বভাৱে নখৰ জাতি মাংসৰ লুভীয়া অতি
তাতে খায় দুৰ্ব্বলে আগত ;
মনে কৰি উৎপাত উঠিব নোৱাৰি তাত
উপায় চিন্তিলে অন্য মত ।
বল বুদ্ধি আছে কিন্তু দুপাখিৰে হীন জন্তু
কাঢ়ি মাংস খোৱা সুকঠিন ;
আজি ঘটনালৈ চাই চৰাই নহলো হায়
খেদ কৰে ধূৰ্ত্তৰ প্ৰবীণ ।
মাংসফেৰি খাবলৈ বৰ আশা কৰিছোঁ মই
যত্ন কৰি দেখো একবাৰ ;
কৃপা কৰি দিলে বিধি হ'ব পাৰে কাৰ্য্য সিদ্ধি
নহলেনো কি লজ্জা আমাৰ ।
ধূৰ্ত্ত মধ্যে আমি যেনে বায়সো চতুৰ তেনে
ফাঁকি দিয়া সহজ নহয় ;
যত্নত ৰতন পায় লোকে কয় সৰ্ব্বদায়
দেখোচোন হয়নে নহয় ।
আশাতেই বন্দী হই থাকিলে ইয়াত ৰই
জ্ঞাতিয়ে বা নিন্দা কৰে পাছে ;
আশা যেনে উপকাৰী নকৰি কেনেকৈ পাৰি
আশাতেই সংসাৰ চলিছে ।
মহা মহা ৰাজা যত আশাৰ নিদানে কত
কৰিছিল কাৰ্য্য সুমহত ;
সি সবক মনে কৰি বুদ্ধি বল অনুসৰি
চলিবই লাগিব সতত ।
অমৃতৰ আশা কৰি বহু পুৰুষাৰ্থ কৰি
সাগৰ মথিলে দেৱাসুৰে
স্ত্ৰী-ৰত্নৰ প্ৰত্যাশায় কষ্টে ভ্ৰমি নানা ঠাই
ত্ৰিলোক জিনিলে লঙ্কেশ্বৰে ।
অভীষ্ট সিদ্ধিৰ হেতু সমুদ্ৰত বান্ধি সেতু
মহাৰাজ দশৰথ সুত,
ভালুক বান্দৰ লই লঙ্কাত প্ৰবিষ্ট হই
যুদ্ধ কৰিছিল অদভুত ।



যুধিষ্ঠিৰ ৰাজা অতি দানী মানী ধৰ্ম্মে মতি
তেওঁ কিন্তু ৰাজ্যৰ আশাত ;
দয়া ধৰ্ম্ম পৰিহৰি দুৰ্যোধ সমৰ কৰি
জ্ঞাতিকো মাৰিলে অসংখ্যাত ।
পৃথিৱী হবৰে পৰা সৱলোক আশা কৰা
বৰাবৰ আছে প্ৰচলিত ;
শুভাশুভ কাৰ্য্যচয় আশাৰ নিদানে হয়
যত্ন হ'লে বঞ্চিত নহয় ।
এই কথা ভাবি থাকি বায়সলৈ চাই ডাকি
ক'বলৈ ধৰিলে ধূৰ্ত্তৰাজ ;
অহে পক্ষী তযুৰূপ দেখিবলৈ অপৰূপ
সৰু বৰ যত পক্ষী মাজ ।
নৱ ঘন দুৰ্ব্বাদল শ্যাম পদ্ম শতদল
সিবৰ্ণ নহয় তযু সম ;
এনে কৃষ্ণ বৰ্ণ হায় আমি ক'তো দেখা নাই
দেহৰো গঠন নিৰুপম ।
ৰূপ গুণ একে ঠাই দিয়া টান বিধতাই
সি কাৰণে আপুনি কি বোবা ;
বহুলোক মুখে শুনো কাক সুগায়ক হনু
মই অধমক নবঞ্চিবা ।
মই অতি মূঢ়মতি নাজানো মিনতি স্তুতি
নোৱাৰো বৰ্ণাব তযু গুণ ;
তযু সুমধুৰ স্বৰ শুনি হনু মনুষ্যৰ
পৰম সন্তুষ্ট হয় মন ।
নানা স্থানে অসংখ্যাত পক্ষীৰ শুনিছোঁ মাত
মনুষ্যৰো গীত আছোঁ শুনি ;
জনমেই হ'ল বৃথা নুশুনিলো তযু কথা
কৰা পক্ষী একবাৰ ধ্বনি ।
শিয়ালৰ কথা শুনি কাকে বৰ হৰ্ষ মানি
কা-কা বুলি আৰম্ভিলে গান ;
মখৰ মঙহ সৰি পৰিল ধূপুহ কৰি
ধূৰ্ত্তে লই ক ৰলে প্ৰস্থান ।

( ৮০ পৃষ্ঠাত চাওক )

# ॥ টকৰুৰ তাৎপৰ্য ॥

( সৰু প্ৰবন্ধ বেয়া পোৱাসকলে নতুন বছৰৰ পঞ্জিকাত আয়-ব্যয়, বৰ্ষফল, বিজ্ঞাপন পঢ়িব । )

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

টকৰু শৰ্মাক ববৰুৱাই বৰাই-বুজাই চল-বুদ্ধি কৰি থুপৰী আৰু টোপোলাৰে সৈতে কলিকতাৰ পৰা অসমলৈ ঘূৰাই পঠিয়ালে হয় ; কিন্তু টকৰুৱে আজিলৈকে নিজৰ থান-থিত লগাব নোৱাৰিলে ।

'টকৰুৰ দৌৰাত্ম্য' বুলি বেজবৰুৱাৰ ওভতনিত এটি সৰু কাহিনী প্ৰবন্ধ আছে । বহুতে পঢ়িছে, বহুতে পঢ়া নায়ো । পঢ়োতা সকলৰ ভিতৰতো বহুতে এই টকৰু কাহিনীৰ শাহটো ধৰিব পাৰিছেনে নাই কব নোৱাৰি । বেজবৰুৱাৰ নামত আমি গৌৰব অনুভব কৰোঁ আৰু আনন্দত আপ্লুত হওঁ । কিছুমান ৰস লগা কথা আমি ওপৰে ওপৰে পঢ়োঁ, কিন্তু ৰসৰ মাজত সোমাই থকা সাৰমৰ্ম্ম বুজিবলৈ চেষ্টা নকৰোঁ । বহুতেই বেজবৰুৱাৰ ৰচনা তন্নতন্নকৈ পঢ়িব পৰা নাই । এবাৰ আমাৰ বিঢ়া-ওকণি বোলা প্ৰবন্ধ এটা প্ৰকাশ হোৱাত

( ৭৯ পৃষ্ঠাৰ পিছৰ পৰা )

তাৰ কুমন্ত্ৰণা দেখি দুঃখিত বায়স পক্ষী
অকথাতে প্ৰতাৰিত হই ;
মনো দুঃখে অপমানে তাৰ পৰা অন্য স্থানে
উৰি গ'ল লাহে লাহে কই ।
দুষ্টলোকে এইদৰে নানা তোষামোদ কৰে
অভিলাষ সিদ্ধিৰ কাৰণ ;
কাৰ্য্য সিদ্ধি হ'লে পাছে মাতিলেও নাহে কাছে
দেখিলেও কৰে পলায়ন । * *



হলস্থুলেই লাগিছিল, কাৰণ বিঢ়া-ওকনি কথাটো ক'ত আৰু কি প্ৰসঙ্গত বেজবৰুৱাই লিখিছিল তাক বহুতেই গম নাপায় । বেজবৰুৱা আমাৰ জাতীয় সাহিত্যিক । গোটেই অসমীয়া জাতিটোৰ সুখ-দুখ ভালবেয়া তেওঁৰ লেখনীৰ মাজত লীন হৈ আছে । ইয়াক খান্দি কুৰুকি উলিয়াব পাৰিলেহে অসমীয়া জাতিৰ প্ৰতিনিধি বেজবৰুৱাক আমি চিনিব পাৰিম ।

টকৰু মহাৰাণী আৰু কোম্পানীৰ দিনৰ অসমীয়া জাতিৰ প্ৰতীক । টকৰুৱে সেই সময়ৰ অসমীয়া মানুহৰ দুৰৱস্থা ভালদৰে হৃদয়ঙ্গম কৰিছিল । "আমাৰ গাওঁ-ভূঁইৰ অৱস্থা কাউৰী শগুণে নোখোৱা হ'ল । দেখিলে শোকলগা হ'ল, আমাৰ ভালৰ ঘৰৰ পো-নাতিবোৰ দুখীয়া ছাল-ছিগা হল । সিহঁতৰ স্বভাৱ কুৰ্দ্ধচ হ'ল, খাব-জীৱৰ লক্ষণ নাইকিয়া হল । মুঠতে সিহঁত এই অলপ কালৰ ভিতৰতে কিবা অজাতৰীয়া টোকোনা হল । জ্বৰ-নৰিয়া আদি ৰোগেও গাওঁ-ভূঁই উজাৰ কৰিলে । চৰকা খহনীয়া আদি বেমাৰে গৰু মাৰি উপান্ত কৰিলে । খেতি-পথাৰ ছন পৰিল । ৰাইজৰ ভিতৰত মিলা-প্ৰীতি গুচিল । ৰাজহুৱা কাম কাজো লোপ পালে । চমুকৈ কবলৈ গলে আপুনি থাকোতে ৰমক জমক জয়জয় ময়ময় হালধীঅটীয়া গাওঁ এতিয়া লাংলাং ঠাংঠাং হল । ময়ো এই ছন পৰা ঠাই এৰি, পাৰোঁ যদি কুজিবৃত্তিৰ কিবা এটা উপায় কৰিবলৈ আপোনাৰ ওচৰলৈকে যাবলৈ মনতে থিৰাং কৰিছোঁ ।"

টকৰুৱে তেওঁৰ বস্তু বাহানি বেচি উদং কৰি সস্ত্ৰীক কলিকতা ওলালগৈ । তেওঁ ববৰুৱালৈ লেখা চিঠিৰ প্ৰশ্ন বিলাকৰ পৰা মানুহটো যে "আনাৰি" বহিজগত সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ অৰ্থাৎ তেনেই অঁকৰা সেইটো ধৰিব পাৰি । সেই চিঠিত টকৰুক কুৰি টকা মান দৰমহাৰ কাম এটা দিব লাগে তাকো লিখিছিল ।

টকৰুৰ দৌৰাত্ম্য কাহিনী পঢ়ি অৰ্থাৎ দকৈ পঢ়ি বুজিব পাৰি যে উনৈশ শতিকাৰ অৰ্থাৎ বৃটিছে অসম অধিকাৰ কৰাৰ পাচৰ কালডোখৰ অসমৰ কাৰণে এচোৱা অতি গভীৰ অন্ধকাৰৰ যুগ । মান মৰাণৰ বিপ্লৱত অসম আগৰ পৰাই অতি জুৰুলা হৈ আছিল তাতে কোম্পানীৰ ৰাজত্বই অসমীয়া মানুহৰ ভাষাটোকো প্ৰায় লুপ্ত কৰিলে । এনে অৱস্থাত মানুহে পেঁপুৱা লাগি নিৰাশ হোৱা স্বাভাৱিক । এই যুগত অসমীয়া সাহিত্যত আগৰ পৰা চলি

( ৮২ পৃষ্ঠাত চাওক )

# চন্দ্ৰকুমাৰৰ 'বীণ-বৰাগী' ঃ এটি বিশ্লেষণ

ডঃ উপেন্দ্ৰ নাথ গোস্বামী

চন্দ্ৰকুমাৰ আগৰৱালা 'অসমীয়া ৰোমাণ্টিছিজমৰ প্ৰথম হোতা' আৰু "ৰোমাণ্টিছিজমৰ প্ৰৱৰ্তক 'জোনাকী'-কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক।" তেওঁৰ কবিতাৰ পুথিদুখনৰ প্ৰথমখন 'প্ৰতিমা'। বেজ-বৰুৱাৰ ভাষাত 'প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ'। দ্বিতীয়খন পুথি 'বীণ-বৰাগী'। ইয়াত 'বীণ-বৰাগী' নামৰ দীঘলীয়া কবিতাটোৰ উপৰি আনকেইটামান কবিতাও আছে। সেই আটাইবোৰ কবিতা আৰু 'প্ৰতিমা'ৰ কেইবাটাও কবিতাত ব্যক্ত হোৱা ভাৱ, অৰ্থাৎ চন্দ্ৰ কুমাৰ আগৰৱালাৰ জীৱনৰ চিন্তা-চৰ্চাৰ পৰিচয় 'বীণ-বৰাগী' কবিতাটোৱে সামৰি থৈছে। চন্দ্ৰকুমাৰকে আদি কৰি যিকেইজন লোকে অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাৱধাৰাৰ সোঁত বোৱালে, তেওঁলোক পাশ্চাত্য শিক্ষা-পোৱা। কিন্তু অকল পাশ্চাত্য শিক্ষাৰ ফলত পাশ্চাত্য সাহিত্যেৰে

( ৮১ পৃষ্ঠাৰ পিচৰ পৰা )

অহা ধাৰাও বিচ্ছিন্ন হব লগা হ'ল। কেৱল অৰুণোদয় কাকত, ঢেকীয়াল ফুকনৰ ৰচনা এই দুটায়েই অসমীয়া ভাষাৰ পুনৰ্জীৱনত সহায় কৰিলে। এই কালত ৰচিত দুখন মাত্ৰ উল্লেখযোগ্য পুথি। কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জী আৰু ঘিণাই বৰফুকনৰ গীত লগতে মনিৰাম দেৱানৰ গীত।

যদিও অসমীয়া ভাষাক স্কুল-কাছাৰীত পুনৰ ঠাই দিয়া হল তথাপি আজি পৰ্যন্ত অসমীয়া ভাষা তথা অসমীয়া জাতিৰ ৰাহুৰ ৰিষ্ট গৈছে বুলি কব নোৱাৰি। টকৰু শৰ্ম্মাই আজিও থান থিত লগাব পৰা নাই। লগাবলৈ চেষ্টা কৰিছে কিন্তু কেউফালৰ পৰা হেঁচা বাধা, বিপত্তি। কিন্তু আশা এৰা নাই। টকৰু মৰিলেও যুজিবলৈ নেৰিছে। টকৰু জীয়াই থাওক। * *



সৈতে হোৱা পৰিচয়ে তেওঁলোকক সাহিত্যিকৰূপে প্ৰতিষ্ঠিত কৰা নাই। পাশ্চাত্য সাহিত্যৰ পৰিচয়ৰ লগতে তেওঁলোক নিজৰ জন্মভূমি অসমৰ অৱস্থাৰ প্ৰতিও সচেতন আছিল। অসমৰ অৱস্থাৰ বিষয়ে চন্দ্ৰকুমাৰে এনেদৰে লেখিছে ; "তেতিয়া (মানৰ দিন)ৰ পৰা অসমীয়া সমাজ ভাগিল, অসমদেশ বকৰাণি হ'ল। বাকৰিত দুই-এজোপা শুৱলা গছ পাব পাৰা, কিন্তু অধিকাংশই দুৰ্বল, নিস্তেজ, আওকঠীয়া গছ। দেশৰ শতকৰা ৯০ জনৰ অৱস্থা শোচনীয়।"[1] আকৌ, 'আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিক্ষাৰী, ধনত দুখীয়া, সংখ্যা বলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা, আৰু পৰাধীন — কিন্তু আমি নিজ-শক্তি অনুযায়ী হইহে কামত হাত দিব পাৰোঁ। আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে। উদ্দেশ্য দেশৰ উন্নতি, জোনাক"।[2]

চন্দ্ৰকুমাৰৰ 'বীণ-বৰাগী' - কবিতাটোতে অসমীয়া সমাজখনৰ এটা সুস্পষ্ট চিত্ৰ অঙ্কিত হৈছে। তেওঁৰ সমুখৰ অসমীয়া সমাজখনত ধনী-দুখীয়া, ডাঙৰ-সৰু, বলী-নিৰ্বলী, জ্ঞানী-অজ্ঞানী আদি ভাৱে ঠাই লৈ নানা বিভেদৰ সৃষ্টি কৰিছে। তদুপৰি 'মানুহে মানুহে এফেৰি মৰমো নাই', 'ডাঙৰৰ ডাঙৰ ভেম', বলীৰ ভয়ত নিঃকিনে 'কোচ-মোচ খায়' 'কোঢ়াল-কন্দল, হাই-উৰুমিৰে মানুহৰ ঘৰ পুৰ. মানুহবোৰে 'ধন ধন কৰি ধন-সোণ' সাঁচে, 'কুটুমেই ৰান্ধে, কুটুমেই বাঢ়ে, কুটুমে কুটুমক খায়', 'ধৰ্মৰ নামত অধৰ্মৰ বেহা,' 'কপটী গুৰুৱে ধনৰ লোভত 'পাপ-সত্ৰ' পাতি, 'ভাটৌৰ দৰে শাস্ত্ৰ আওৰাই গিয়ানী বোলাই' ফুৰে'।

সমাজ মানুহৰ সমষ্টি এই সমাজত যদি মানুহেই মানুহৰ ওপৰত এনে অত্যাচাৰ চলায় (মানুহে মানুহে ইমানহে মৰম, চকুলো পৰে সুঁৰৰি), তেনেহ'লে এই সমাজৰ প্ৰতি বিদ্বেষৰ ভাৱ ওপজা স্বাভাৱিক। সেই কাৰণে কবি আগৰৱালাই এনে এখন সমাজৰ আমূল পৰিৱৰ্তনৰ কথা চিন্তা কৰিলে। এইখিনিতে তেওঁ এজন বিপ্লৱীৰূপে পৰিচয় দিছে। তেওঁ এই সমাজখন ভাঙি-ছিঙি এখন সম্পূৰ্ণ নতুন সমাজ গঢ়াৰ কথা মনলৈ আনিছে। ইংৰাজ কবি ছেলীয়েও তেওঁৰ সমসাময়িক সমাজখনৰ প্ৰতি অসন্তুষ্ট হৈ তাক ভাঙি-ছিঙি এখন নতুন সমাজ-প্ৰতিষ্ঠাৰ কথা ভাবিছিল। তেওঁ পশ্চিমীয়া ধুমুহাক ( west wind) বীণৰূপে ব্যৱহাৰ কৰিবলৈ আৰু জ্বলি থকা ছাই আৰু ফিৰিঙতি

১। চন্দ্ৰামৃত ঃ অসমীয়াৰ সঙ্কল্প
২। চন্দ্ৰামৃত ঃ 'জোনাকী'ৰ আত্মকথা

সদৃশ তেওঁৰ ভাৱধাৰা মানৱ-সমাজত চতিয়াই দিবলৈ অনুৰোধ কৰিছিল।[৩] চন্দ্ৰকুমাৰে সমাজখনৰ পৰিৱৰ্তনৰ বাবে ভাৰতীয় চিন্তা অনুযায়ী মহা-প্ৰলয়ৰ আগমনত সমাজখনৰ ধ্বংসৰ কথা প্ৰথমতে ভাবিছিল যদিও সমাজৰ পৰিবৰ্তন সোনকালে সাধিবৰ উদ্দেশ্যে এজন বীণ-বৰাগী হিচাপে বীণৰ সুৰৰ সহায়ত সমাজখন ভাঙি-ছিঙি শেষ কৰি কৰিবলৈ আগ্ৰহান্বিত হৈছে ঃ ‘আঙুলি বুলাব জনা হলে আজি পেলালোঁহেঁতেন টানি, হিমালয় চূড়া বুৰালোঁহেঁতেন উজালি কলীয়া পানী। পাপৰ মজিয়া নিয়ালোঁহেঁতেন অথাই সাগৰৰ তল; ব্ৰহ্মাণ্ডৰ চিন থাকিলহেঁতেন মাথোঁ সমুদ্ৰৰ জল। ··· মান অপমান ঢৌৱাই যাওক পৃথিৱীৰ পৰা গুচি; নতুন সৃষ্টিৰ অৰুণ-কিৰণে কৰোক সকলো শুচি।” বীণৰ সুৰৰ এনে শক্তি যে তাক শুনি ‘পশু-পক্ষী’ গছ-লতা থৰ হয়; লুইত উজায়, জোন তধা লাগে’।

সমাজখনক ভাঙি-ছিঙি শেষ কৰাৰ পাছত এখন নতুন সমাজৰ সৃষ্টি কেনেকৈ কৰা হয় সেইটো এটা ডাঙৰ প্ৰশ্ন, এটা গভীৰভাৱে চিন্তা কৰিবলগীয়া কথা। চন্দ্ৰকুমাৰেও সেই চিন্তা কৰিলে (বিশ্ৰাম বিচাৰি গছৰ তলত বহিল বৰাগী মোৰ)। এখন নতুন সুন্দৰ সমাজ গঢ়িবলৈ হ’লে সেই সমাজৰ মানুহবোৰ সুন্দৰ হ’ব লাগিব। মানুহবোৰ সুন্দৰ হ’ব যদিহে মানুহবোৰৰ মনবোৰ সুন্দৰ হয়। মানুহৰ মন সুন্দৰ কৰিবৰ কাৰণে ভাৰতবৰ্ষৰ ঋষি-মুনিসকলে কত যুগ ধৰি চিন্তা কৰি দেখিলে যে যেতিয়ালৈকে মানুহৰ অন্তৰত মই-মোৰ, ভাল-বেয়া, সুন্দৰ-অসুন্দৰ, স্থায়ী-অস্থায়ী আদি দ্বৈধ ভাৱ থাকিব, তেতিয়ালৈকে মনৰ কলুষতা নুগুচে। এনেবোৰ ভাৱ আঁতৰাবলৈ হ’লে মানুহৰ মনক এক অদ্বিতীয়, একমাত্ৰ শক্তিৰে সৈতে সংযোজিত কৰিব লাগিব। ভাৰতীয় চিন্তাবিদসকলে এনে শক্তিক ব্ৰহ্ম আৰু জগতৰ প্ৰতিটো বস্তুকে ব্ৰহ্মৰ অংশৰূপে স্বীকাৰ কৰি দুয়োৰে মাজত কোনো পাৰ্থক্য নৰখাকৈ জগতৰ সকলোকে সমান চকুৰে চোৱা আৰু

৩। Make me thy lyre, even as the forest is;
..........................................................
Drive my dead thoughts over the Universe
..........................................................
Scatter, as from an unextinguished hearth
Ashes and sparks, my words among mankind.
– Shelley : Ode To The West Wind



সকলোকে সমান ব্যৱহাৰ কৰাৰ কথা কৈছে। শঙ্কৰদেৱৰ ভাষাত ঃ ‘তুমি কাৰ্য-কাৰণ সমস্ত চৰাচৰ, সুৱৰ্ণ-কুণ্ডলে যেন নুহিকে অন্তৰ। তুমি পশু-পক্ষী সুৰ-নৰ-তৰু-তৃণ, অজ্ঞানত মূঢ় সবে দেখে ভিন্ন ভিন্ন।” ভাৰতবৰ্ষত যুগ যুগ ধৰি চলা এই চিন্তাৰ কথা যেতিয়া মনত পেলালে, তেতিয়া কবি আগৰৱালাৰ নতুন সমাজ-গঢ়াৰ সপোন যেন দিঠকত পৰিণত হ’ল (খন্তেকতে মোৰ অনন্ত সুখৰ সোণালী সপোনে হাঁহে), কবিৰ মন-আকাশখন মুকলি হ’ল (সুলকিছে লাহে লাহে সংসাৰৰ বান্ধ, মুকলিছে মন মোৰ)। তেওঁ মানুহৰ মহত্ত্ব উপলব্ধি কৰিলে (মানুহেই ইহ জগতৰ, মানুহেই পৰাৎপৰ)। আন এঠাইত তেওঁ লেখিছে ঃ “মানুহক মানুহ বুলি ব্যৱহাৰ কৰিলেহে মনুষ্যত্বৰ উচিত স্ফূৰ্তি প্ৰকাশ পায়। ········ এই পৃথিৱীৰ ওপৰত থিয় হৈ সকলো কৰ্ম কৰিব লাগিব আৰু এই মানুহৰ লগতে মিলি-জুলি জীৱনৰ দিনকেইটা নিয়াব লাগিব। ········ মানুহ দুৰ্বল, অসম্পূৰ্ণ। তেওঁ পদে পদে ভুল কৰে। দুৰ্বলতাৰ নিমিত্তে গালি পৰাতকৈ সবল হোৱাৰ উপায় দিয়াটো উপকাৰজনক।”[৪] আকৌ, “বিবাদ কৰিলে দুখ-দুৰ্দশা নুগুচে, এন্ধাৰ নেভাগে, সুন্দৰ জীৱনৰ পোহৰ লাগে, তেহে অসমীয়াৰ চৰিত্ৰ পুনৰ গঠিত হ’ব পাৰিব।”[৫]

সুন্দৰ জীৱন পোহৰ পাবলৈ হলে জগতখনক দিব্য-দৃষ্টিৰে চাব লাগিব (দিব্য-দৃষ্টিৰে চোৱাহে জগতখন, প্ৰহেলিকা গুচি এয়ে জীৱন ৰঞ্জন)। জগতেৰে সৈতে নিজৰ অভেদত্ব স্থাপন- হ’লেই দিব্য-দৃষ্টিসম্পন্ন হ’ব পাৰি। এনে অৱস্থাত জগতৰ কোনো বস্তুৱে অসুন্দৰ নহয়, কোনোৱে পৰ নহয় (কেও নোহে পৰ মানুহ তোমাৰ, কুটুমে কুটুমে ভৰা যে সংসাৰ)[৬]। এনে অৱস্থাত জগতখন হয় ‘তুমিজয়’ নহয় ‘মইময়’ জ্ঞান হয় (মই মই মই মাত্ৰ বিপুল সংসাৰ, মই মই মই সুৰে শুনা; বাজিছে প্ৰাণৰ বীণা তান, মই বিনা আছেনো কি শুনা[৭])। “সৃষ্টি পাতনিৰে পৰা নীল আকাশত, কিৰণৰ জাল মেলি ডাৱৰ ধৰিছা; টিপচীটি হৈ উৰি টিপতে লুকাই, গৰুড়ৰ পাখা মেলি বিচাৰি ফুৰিছা[৮])। মনৰ এনে এটা স্তৰত ‘বীণ-বৰাগী’ৰ কবিয়েও

৪। চন্দ্ৰামৃত ঃ গৃহস্থালি ।
৫। চন্দ্ৰামৃত ঃ অসমীয়া সঙ্কল্প ।
৬। বীণ-বৰাগী ঃ কেও নোহে পৰ ।
৭। প্ৰতিমা ঃ মই ।
৮। প্ৰতিমা ঃ বিশ্ব-ভাৱৰীয়া

নিজকে জগতখনত ভিন ভিন ৰূপত দেখা পাইছে ( মই দুষ্ট দমিবলৈ সন্ত সাধু হওঁ, ময়ে দুষ্টৰ উদ্ভণ্ডালি ঘূৰি পাতি থওঁ ) ।

এনে দৃষ্টিসম্পন্ন হবলৈ কাৰবাৰ কৃপাও লাগে ( বিধিৰ কৃপাত পুনু হলোঁ হে উদ্ধাৰ ) ।' বিধিৰ কৃপাই 'মূকং কৰোতি ৰাচালং পঙ্গুং লঙ্ঘয়তে গিৰিম্' । চন্দ্ৰকুমাৰে বিধিৰ কৃপাত উদ্ধাৰ হৈ জগতখনৰ নতুন ৰূপ দেখিবলৈ পাইছে ( কি সুন্দৰ মুক্ত বায়ু, নীলিম আকাশ ; কি সুন্দৰ জোন বেলি জেউতি প্ৰকাশ ) । "স্বপ্ন গুচি এয়ে সঁচা চকুৰ আগত, যদি চাব জানা এই সুন্দৰ জগত" ।[৯] কবিয়ে এতিয়া উপলব্ধি কৰিছে যে মানুহে মিছাতে সুখৰ কাৰণে হাবাথুৰি খায় । প্ৰকৃত সুখ কিন্তু নিজৰ অন্তৰতহে পোৱা যায় ( হিয়াৰ মাজেদি অনন্ত সুখৰ পৰি আছে ৰাজবাট ) । কিন্তু সেই অন্তৰ 'নিষ্কলঙ্ক' হ'ব লাগিব ( আহা কোন যাবা দিগন্তৰ শেষ, আহা শুধ আশা লৈ ; অন্তৰ বাসনা মন মলিয়ন দলিয়াই পেলাই থৈ [১০] ) । সুখ যেনেকৈ নিজৰ অন্তৰত আছে স্বৰ্গও তেনেকৈ এই পৃথিবীতে আছে । সকলোৰে মন 'নিষ্কলঙ্ক' হ'লে পৃথিৱীখন স্বৰ্গত পৰিণত হ'ব । তাকে কৰিবলৈ অন্তৰ-দাপোণ মেলিব লাগিব ( দিব্য দৃষ্টিৰে ফুৰা মোৰ বন্ধু, অন্তৰ-দাপোণ মেলা ) কবীন্দ্ৰ ৰবীন্দ্ৰৰ ভাষাত ঃ 'অন্তৰ মন বিকশিত কৰো' । লগতে বিশাল বিশ্বৰ অন্তৰালত থকা মহান শক্তিৰে সৈতে যোগসূত্ৰ স্থাপন কৰি সেই সুন্দৰৰ আৰাধনাত ৰত হ'ব লাগিব ( বিশ্বৰ বীণত ঝঙ্কাৰ উঠিছে, মিলোৱা তাৰেই সুৰ ; আকাশৰ লক্ষ গ্ৰহ সমন্বিতে, ওঙ্কাৰ ধ্বনিৰে পূৰ ) । 'ফুৰিছোঁ যাত্ৰীৰ বেশে স্বদেশ বিদেশ, সৌন্দৰ্য আভাস যতে পাওঁ একণিকা; সুন্দৰৰ আৰাধনা জীৱনৰ খেল ...[১১] ) । যুগে যুগে মানুহে সুন্দৰৰ আৰাধনাত ব্যাকুল আৰু বিশ্বৰ প্ৰেমত মগ্ন-বিভোৰ হৈ ভকতিৰ ফুল উছৰ্গা কৰি আহিছে । এইবোৰে ভাৰতীয় চিন্তা । এয়ে সৃষ্টিৰ গূঢ় ৰহস্য । 'বীণ-বৰাগী'ৰ কবিয়ে তেওঁৰ বীণৰ সুৰত এই চিন্তাকে প্ৰতিভাত হোৱাটো কামনা কৰিছে । অৰ্থাৎ তেওঁৰ গীত আৰু বীণৰ সুৰত এই চিন্তা ব্যক্ত কৰি মানুহৰ মন সুন্দৰ কৰি তুলিব আৰু তেনেকৈয়ে সমাজখন এখন সুন্দৰ সমাজত পৰিণত হ'ব ।

---

৯। প্ৰতিমা ঃ সুখগীত

১০। বীণ-বৰাগী ঃ আনন্দ-তীৰ্থ

১১। প্ৰতিমা ঃ সৌন্দৰ্য

( ৮৭ পৃষ্ঠাত চাওক )

# স্মৰণিকা ঃ আমাৰ উনবিংশ শতিকা

১৮০১ — উত্তৰ লক্ষীমপুৰ ঘিলাধাৰীত যাদুৰাম ডেকাবৰুৱাৰ জন্ম । অসমত কমলেশ্বৰ সিংহৰ ৰাজত্বৰ ছবছৰ ।

১৮০২ — হাদিৰাচকীত পৰশুৰাম বৰুৱাৰ প্ৰথমা পত্নীৰ গৰ্ভত হলিৰাম ( ঢেকিয়াল ) ফুকনৰ জন্ম ।

১৮০৪ — ৬ মাৰ্চ তাৰিখে শ্ৰীনাথ বৰবৰুৱাৰ দ্বাৰা "তুঙ্গখুঙ্গীয়া বুৰঞ্জী"ৰ প্ৰণয়নৰ কাম আৰম্ভ ।

১৮০৫ — হাদিৰাচকীত পৰশুৰাম বৰুৱাৰ প্ৰথমা পত্নীৰ গৰ্ভত যজ্ঞৰাম ( খাৰঘৰীয়া ) ফুকনৰ জন্ম ।

১৮০৬ — মৃত গৌৰীনাথ সিংহৰ পত্নী কমলেশ্বৰীৰ কলিকতা-যাত্ৰা (এপ্ৰিল) ঃ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ অপসাৰণৰ বাবে ৰূটিছলৈ গোহাৰি , ব্ৰজনাথ

---

( ৮৬ পৃষ্ঠাৰ পিচৰ পৰা )

চন্দ্ৰকুমাৰৰ কবিতাত পাশ্চাত্য প্ৰভাৱ একেবাৰে নোহোৱা নহয় । কিন্তু তেওঁ প্ৰধানকৈ ভাৰতীয় চিন্তাৰ কবি, তেওঁ মানৱতাৰো কবি । মানুহে মানুহৰ প্ৰতি কৰা অন্যায়-অবিচাৰে তেওঁক বিপ্লৱী কৰি তুলিছে আৰু মানুহৰ দুখ দূৰ কৰিবলৈ মানুহৰ অন্তৰৰ সততাৰ ওপৰত বিশ্বাস ৰাখি সেই সতৰ বিকাশ ঘটাই তেওঁ এখন সুন্দৰ সমাজ-ৰচনা কল্পনা কৰিব পাৰিছে । এপিনে তেওঁ ভাৰতীয় আৰু আনপিনে অসমীয়া ঐতিহ্যৰ বাৰ্তাবহনকাৰী' অসমীয়া সমাজৰ পৰিৱৰ্তনত বীণ-বৰাগীৰ ভূমিকাৰ প্ৰতি সচেতন হৈ তেৱোঁ বীন-বৰাগীৰ বেশেৰে গীত আৰু বীণৰ সুৰেৰে অসমীয়াৰ অন্তৰত বৈপ্লৱিক চিন্তা সুমুৱাই বিপ্লৱৰ সাধনৰ পূৰ্ণ ৰূপৰ আঁচনি দাঙি ধৰিছে । তেওঁৰ বিশ্বাস এই বিপ্লৱ এদিনাখন সাৰ্থক হ'ব । "তুঁহৰ জুইৰ দৰে অসমীয়াৰ তেজ আৰু উৎসাহ এতিয়া ভাগ্যৰ জাপৰ তলত লুকাই আছে । এবাৰ ভমকাই উঠিবই উঠিব" ।[১২]

---

১২। চন্দ্ৰামৃত ঃ 'জোনাকী'ৰ আত্ম-কথা

গোহাঁইক ৰজা পতাৰ হকে যুক্তি । বৃটিছৰ অপাৰগতা-প্ৰদৰ্শন ।

১৮০৯— বাণিজ্যত অসমৰ অগ্ৰগতি ঃ বঙ্গলৈ তিনিলাখৰো অধিক টকাৰ সামগ্ৰী ৰপ্তানি ( তাৰ পৰা আমদানি আঢ়ৈ লাখৰ )।

১৮১১— বসন্ত ৰোগত আক্ৰান্ত হৈ ৰজা কমলেশ্বৰ সিংহৰ মৃত্যু ( ১৭ জানুৱাৰী )। চন্দ্ৰকান্ত সিংহৰ সিংহাসন-আৰোহন । ষোল্ল বছৰীয়া চন্দ্ৰকান্তৰ হৈ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ দ্বাৰা সকলো ক্ষমতা গ্ৰহণ। ইপিনে মিশ্যনেৰীৰ অনুৰোধত কলিয়াবৰৰ আত্মাৰাম শৰ্ম্মাৰ শ্ৰীৰামপুৰ যাত্ৰা ঃ ৱিলিয়ম কেৰীৰ তত্বাৱধানত অসমীয়া বাইবেলৰ কাম আৰম্ভ।

১৮১৩— শ্ৰীৰামপুৰত বাইবেলৰ অসমীয়া অনুবাদ 'ধৰ্ম্ম পুস্তক'ৰ প্ৰকাশ। উত্তৰ গুৱাহাটীত হৰকান্ত মজিন্দাৰ বৰুৱাৰ জন্ম। যোৰহাটত দীননাথ বেজবৰুৱাৰ জন্ম।

১৮১৫— বদনচন্দ্ৰ বৰফুকনক গ্ৰেপ্তাৰ কৰিবৰ বাবে মহেশ্বৰ পৰ্ব্বতীয়া ফুকনৰ গুৱাহাটী আগমন ( ১৮ অক্টোবৰ )। সেইদিনা ৰাতিয়েই পুত্ৰত্ৰয় জন্মি, পিয়লি আৰু নুমলিক লগত লৈ বদনচন্দ্ৰৰ পলায়ন আৰু ৰংপুৰ-যাত্ৰা। নভেম্বৰৰ প্ৰথম সপ্তাহত ডেইভিড স্কটৰ সৈতে বদনচন্দ্ৰৰ সাক্ষাৎ।

১৮১৬— পৰশুৰাম বৰুৱাৰ মৃত্যু; হলিৰাম ঢাদিৰাচকীত দুৱৰীয়া বৰুৱা নিযুক্ত।

১৮১৭— পাটকাই পৰ্ব্বত পাৰ হৈ মানসৈন্যৰ নামৰূপ আগমন। ঘিলাধাৰীত মানৰ সৈতে ৰণত অসমীয়াৰ পৰাজয়। ইতিমধ্যে পূৰ্ণানন্দৰ মৃত্যুত পুত্ৰ ৰুচিনাথ অধিষ্ঠিত হয় বুঢ়াগোহাঁইৰ পদত— যদিওবা বদনচন্দ্ৰৰ সৈতে ৰজাৰ মৈত্ৰীভাৱ দেখা পাই তেওঁৰ ( সপৰিয়ালে ) গুৱাহাটী যাত্ৰা। বদনচন্দ্ৰৰ মন্ত্ৰীফুকন পদ লাভ। বৰবৰুৱাৰ পদৰ পৰা শ্ৰীনাথক অপসাৰণ। নুমলী ৰাজমাওৰ ষড়যন্ত্ৰ অনুযায়ী ৰূপসিং চুবেদাৰৰ দ্বাৰা বদনচন্দ্ৰৰ হত্যা।

১৮১৮— চন্দ্ৰকান্ত সিংহাসনচ্যুত ( ২০ ফেব্ৰুৱাৰী ), আৰু যোৰহাটৰ দক্ষিণপূৱে তৰাতলিত আবদ্ধ। পুৰন্দৰ সিংহৰ ক্ষমতা গ্ৰহণ। বিশ্বনাথ ( পাচলৈ মৰঙিখোৱা গোহাঁই ) ৰ দ্বাৰা চন্দ্ৰকান্তৰ সোঁ-কাণ কৰ্ত্তন।

১৮১৯— জানুৱাৰীত মানৰ দ্বিতীয় আক্ৰমণ। ১১ জুনত মান সৈন্যৰ গুৱাহাটী আগমন। গোৱালপাৰাৰ সিফালৰ অসম চকীলৈ পুৰন্দৰ আৰু ৰুচিনাথৰ পলায়ন— পাচত চিলমাৰী-যাত্ৰা। পুনৰ্ব্বাৰ চন্দ্ৰকান্তৰ সিংহাসন আৰোহন। ইপিনে শ্ৰীৰামপুৰত 'নিউ টেষ্টামেণ্ট'ৰ অসমীয়া ভাঙনিৰ কাম আৰম্ভ। আগষ্ট আৰু অক্টোবৰত পুৰন্দৰ সিংহৰ দ্বাৰা ডেইভিড স্কটৰ হাতত দুখন আবেদন পত্ৰ প্ৰদান। কলিকতাত ২৭ ডিচেম্বৰৰ দিনা গৱৰ্ণৰ জেনেৰেলৰ হাতত ৰুচিনাথ বুঢ়াগোহাঁইৰ দুখন আবেদন পত্ৰ প্ৰদান।



১৮২০— ২৭ জানুৱাৰীত মিঙিমাহা তিলোৱাৰ ৰংপুৰ-ত্যাগ আৰু স্বদেশ যাত্ৰা। পুৰন্দৰ আৰু ৰুচিনাথৰ বিৰুদ্ধে লৰ্ড হেষ্টিংচলৈ চন্দ্ৰকান্তৰ ব্যৱস্থাৰ আবেদন।

১৮২১— ফেব্ৰুৱাৰী মাহত পাঁচশ সেনাৰে সৈতে মিঙিমাহা তিলোৱাৰ পুনৰ অসম-আগমন। চন্দ্ৰকান্তৰ ৰংপুৰ-ত্যাগ আৰু গুৱাহাটী আগমন ( ১৪ মাৰ্চ )। মিঙিমাহা তিলোৱাৰ নিৰ্দ্দেশত যোগেশ্বৰ সিংহৰ সিংহাসন আৰোহন। মানৰ হাতৰ পৰা সাৰিবৰ বাবে চন্দ্ৰকান্তৰ অসম-চকী আগমন ( ২৩ চেপ্টেম্বৰ ), আৰু তাৰো পৰা ডেইভিড স্কটৰ নিৰ্দ্দেশত নৈৰে ভটিয়াই আৰু কিছু দূৰলৈ যাত্ৰা। কোম্পানীৰ দ্বাৰা পৰৰাজ্যত হস্তক্ষেপ নকৰাৰ প্ৰাক্তন নীতি শিথিলকৰণ। চন্দ্ৰকান্তলৈ বৃটিছৰ সামৰিক সহায় প্ৰদান। যোগেশ্বৰ সিংহৰ দুৰৱস্থা।

১৮২২— মানৰ হাতত চন্দ্ৰকান্তৰ পৰাজয় ( ২১ জুন )। বৃটিছৰ সৈতে মানৰ অৰিয়াঅৰি। অক্টোবৰত কোম্পানীৰ হস্তক্ষেপৰ বাবে গৱৰ্ণৰ জেনেৰেললৈ পুৰন্দৰৰ আবেদন।

১৮২৩— ৰবাৰ্ট ব্ৰুচৰ দ্বাৰা অসমৰ হাবিত চাহ আৱিষ্কাৰ। ঠায়ে ঠায়ে মান সৈন্যৰ নৃশংস অত্যাচাৰ।

১৮২৪— মানৰ গতি ৰোধ কৰাৰ অৰ্থে বৃটিছ সৈন্যৰ অসম আগমন। অসমীয়া ৰাইজলৈ বৃটিছৰ গোহাৰি! মানৰ হাতৰ পৰা গুৱাহাটী উদ্ধাৰ। নগাঁৱৰ ৰহাচকী আৰু কলিয়াবৰলৈ মানৰ পলায়ন। নামনি অসম বৃটিছৰ দখলত।

১৮২৫— অসমৰ অন্যান্য ঠাইৰ পৰা অপসাৰিত মান সৈন্যৰ ৰংপুৰ আগমণ। বিভিন্ন ঠাইত মানৰ সৈতে বৃটিছৰ ৰণ। বৃটিছৰ ৰংপুৰ অধিকাৰ। উজনি অসম বৃটিছৰ দখলত। এপ্ৰিলত চুইংটনৰ নিৰ্দ্দেশ ক্ৰমে হলিৰাম গুৱাহাটীৰ কালেক্টৰী চিৰস্তাদাৰ পদত অধিষ্ঠিত।

১৮২৬— য়াণ্ডাবু সন্ধি ঃ ২৪ ফেব্ৰুৱাৰী।

১৮২৭— গহপুৰত নিধিৰাম কেওঁট ( পাচলৈ অৰুনোদইৰ বিখ্যাত নিধি লিখাই ফাৰোৱেল ) ৰ জন্ম।

১৮২৮— বৃটিছ শাসনৰ বিৰুদ্ধে গমধৰ কোঁৱৰৰ বিদ্ৰোহ ঃ শদিয়াৰ খাৰঘৰত অগ্নিসংযোগ।

১৮২৯— গুৱাহাটীত আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম (২৪ চেপ্টেম্বৰ)। ৩১ অক্টোবৰত কলিকতাৰ পৰা হলিৰাম ঢেকিয়াল ফুকন ৰচিত বঙলা ভাষাৰ 'আসাম বুৰঞ্জি' ৰ প্ৰথম ভাগৰ প্ৰকাশ, একেই বছৰতে বাকী তিনিটা ভাগৰো প্ৰকাশ।

১৮৩০— ৰংপুৰত ২৫ মাৰ্চ তাৰিখে বৃটিছৰ খাৰঘৰত অগ্নিসংযোগ। আগষ্ট মাহত তাৰেই অপৰাধত পিয়লি ফুকন আৰু জীউৰাম দুলীয়াবৰুৱাৰ ফাঁচী।

১৮৩১— গুৱাহাটীত ৰে'ৰ দ্বাৰা ইংৰাজী স্কুল স্থাপন। ২০ আগষ্টত চেৰাপুঞ্জীত ডেইভিড স্কটৰ মৃত্যু।

১৮৩২— পুৰন্দৰ সিংহৰ উপস্থিতিত গুৱাহাটীৰ কামাখ্যা মন্দিৰত ৰজাৰ ঘাই বেজবৰুৱা হিচাপে দীননাথৰ শপত গ্ৰহণ। ২০ ফেব্ৰুৱাৰীত গুৱাহাটীৰ এচিষ্টেণ্ট মেজিষ্ট্ৰেইট হিচাপে হলিৰামৰ কাৰ্য্যভাৰ গ্ৰহণ। জুলাই মাহত উমানন্দ পৰ্ব্বতত হলিৰামৰ মৃত্যু। ২০ জুলাইত ন-দুৱাৰ ঘিলাধাৰী (বৰ্ত্তমান দৰং জিলাত পৰে) ত পলিটিকেল এজেণ্ট এডাম হোৱাইটৰ দ্বাৰা যাদুৰাম ডেকাবৰুৱা ৰাজখোৱাৰ পদত নিযুক্ত। পুৰন্দৰ সিংহৰ হাতত উজনি অসমৰ দায়িত্ব ন্যস্ত কৰাৰ হকে অক্টোবৰত বেণ্টিঙ্কৰ দ্বাৰা চৰকাৰী নিৰ্দ্দেশনা জাৰি।

১৮৩৩— ৫০,০০০ টকা লালবন্দীৰ বিনিময়ত উজনি অসমৰ ৰাজত্ব গ্ৰহণৰ বাবে ২ মাৰ্চত চৰকাৰৰ লগতে পুৰন্দৰ সিংহৰ চুক্তি। ২৪ এপ্ৰিলত এডাম হোৱাইট, ডা ডাঙৰীয়া আৰু অন্যান্য প্ৰভাৱশালী লোকৰ উপস্থিতিত উজনি অসমৰ ৰজা হিচাপে পুৰন্দৰ সিংহৰ দায়িত্ব গ্ৰহণ ঃ প্ৰাসাদৰ সন্মুখত সেনাবাহিনীৰ সন্মানসূচক পেৰে'ড আৰু উনৈশ জাঁই গুলীবৰ্ষণ। জুলাই মাহত দৰঙৰ পৰা নগাঁৱৰ পৃথকীকৰণ ঃ লেফটেনেণ্ট ৰাডাৰফোৰ্ডৰ দ্বাৰা পুৰণিগুদামত নগাঁৱৰ সদৰ স্থাপন। ইপিনে শ্ৰীৰামপুৰত দুয়োখণ্ড বাইবেলৰ অসমীয়া ভাঙনি ছপা আৰু প্ৰকাশ।

১৮৩৪— ৰবাৰ্ট ব্ৰুচৰ ভ্ৰাতৃ চি, এ, ব্ৰুচৰ দ্বাৰা শদিয়া অঞ্চলত চাহ খেতি আৰম্ভ। অসমত গৱৰ্ণৰ-জেনেৰেলৰ এজেণ্ট তথা কমিশ্যনাৰ হিচাপে জেনকিঞ্চৰ কাৰ্য্যভাৰ গ্ৰহণ।

১৮৩৫— শিৱসাগৰৰ ৰজাবাহৰত হেমচন্দ্ৰ বৰুৱাৰ জন্ম। মে'ই মাহত নগাঁও জিলাৰ সদৰ ৰঙাগড়ালৈ স্থানান্তৰ। উজনি অসমত গ্ৰেহেমৰ দ্বাৰা কোম্পানীৰ চিকাৰূপ প্ৰচলন। ২০ নভেম্বৰত কলিকতাৰ পৰা সপৰিয়ালে নেথন ব্ৰাউন আৰু ওলিভাৰ কট্টাৰৰ অসম-যাত্ৰা আৰম্ভ। গুৱাহাটীত ইংৰাজী স্কুল "গুৱাহাটী চেমিনাৰী"ৰ প্ৰতিষ্ঠা আৰু প্ৰধান শিক্ষক হিচাপে চিঙ্গাৰৰ দায়িত্ব গ্ৰহণ।



১৮৩৬— ১৮ জানুৱাৰীত ব্ৰাউন-কট্টাৰৰ নাও গুৱাহাটীৰ ঘাটত উপস্থিত ঃ ২৩ মাৰ্চত তেওঁলোকৰ শদিয়া আগমন আৰু ইংৰাজ গেৰিচনৰ পাজৰীয়া বঙলাত বসতি।

১৮৩৭— ৭ জানুৱাৰীত মিচিজ ব্ৰাউন আৰু মিচিজ কট্টাৰৰ দ্বাৰা শদিয়াত দুখন (ল'ৰাৰ আৰু ছোৱালীৰ) স্কুল স্থাপন। ১৭ জুলাইত মাইলজ্ ব্ৰনসনৰ শদিয়া আগমন। গুণাভিৰাম বৰুৱাৰ জন্ম।

১৮৩৮— ৬ মাৰ্চৰ পৰা অসমত Waste Land Grant Rules অৰ প্ৰৱৰ্ত্তন। ৩ এপ্ৰিলত ধৰ্ম্মপ্ৰচাৰৰ বাবে শদিয়াৰ পৰা মাইলজ্ ব্ৰনসনৰ জয়পুৰ (নগাপাহাৰ) যাত্ৰা। এপ্ৰিলতে চিঙ্গাৰৰ ঠাইত ৱিলিয়ম ৰবিঞ্চন গুৱাহাটী চেমিনাৰীৰ প্ৰধান শিক্ষক নিযুক্ত।

১৮৩৯— ২৮ জানুৱাৰীত শদিয়াত খামটি বিদ্ৰোহ ঃ পলিটিকেল এজেণ্ট এডাম হোৱাইট প্ৰমুখ্যে বহুতকে হত্যা। বিপদ সৰাৰ বাবে ব্ৰাউন-পৰিয়ালৰ সকলোৰে সাময়িক ভাৱে নাৱত আশ্ৰয় গ্ৰহণ— কিছুদিন পাচতে তেওঁলোকৰ শদিয়া-ত্যাগ আৰু জয়পুৰ যাত্ৰা। জুন মাহত নগাওঁ জিলাৰ সদৰ ৰঙাগড়াৰ পৰা নগাওঁ চহৰলৈ স্থানান্তৰ। অসম কোম্পানী (চাহ)ৰ প্ৰতিষ্ঠা। যাদুৰাম ডেকাবৰুৱাৰ দ্বাৰা তেওঁৰ অভিধানৰ পাণ্ডুলিপি জেনকিঞ্চৰ হাতত অৰ্পণ।

১৮৪০— আমেৰিকাৰ পৰা ৰেভাৰেণ্ড চাইৰাজ বাৰ্কাৰ, তেওঁৰ পত্নী, আৰু ব্ৰনসন-ভগ্নী ৰোডাৰ জয়পুৰ আগমন। ৮ ডিচেম্বৰত জয়পুৰতে ৰোডা (৩৫ বছৰ)ৰ মৃত্যু।

১৮৪১— আনন্দৰাম ঢেকিয়াল ফুকন আৰু যজ্ঞৰাম-পুত্ৰ দুৰ্গাৰামৰ কলিকতা যাত্ৰা আৰু হিন্দু কলেজত ভৰ্ত্তি। ইপিনে ব্ৰনসনৰ দ্বাৰা জয়পুৰত ১৩ মে'ই তাৰিখে নিধিৰাম কেওঁটৰ দীক্ষাদান ঃ নামকৰণ, নিধি লিবাই ফাৰোৱেল। ২৪ মে'ইত জয়পুৰৰ পৰা সপৰিবাৰে চাইৰাজ বাৰ্কাৰৰ শিৱসাগৰ আগমন। শিৱসাগৰ পুখুৰীৰ পাৰত মিশ্যনেৰীৰ লাই খুটা স্থাপন। শিৱসাগৰ ইংৰাজী স্কুলৰ প্ৰতিষ্ঠা আৰু প্ৰধান শিক্ষক ৰূপে ডি-চুজাৰ কাৰ্য্যভাৰ গ্ৰহণ। গঙ্গাগোবিন্দ ফুকনৰ জন্ম।

১৮৪২— মটক আৰু শদিয়া অঞ্চলৰ ইংৰাজ শাসনাধীন লক্ষীমপুৰ জিলাৰ সৈতে চামিলকৰণ ঃ মটক জিলাৰ ডিব্ৰুগড়ত এই নতুন অঞ্চলৰ সদৰ স্থাপন। কলিকতাত দুৰ্গাৰামৰ মৃত্যু। জয়পুৰৰ পৰা (জুলাই মাহত) সপৰিয়ালে নেথন ব্ৰাউনৰ শিৱসাগৰ আগমন। হৰিবিলাস আগৰৱালাৰ জন্ম। ২ অক্টোবৰত মাইল্‌জ্‌ ব্ৰান্সন সপৰিয়ালে নগাঁৱত উপস্থিত।

১৮৪৩— ওলিভাৰ কট্টাৰ সপৰিয়ালে শিৱসাগৰত উপস্থিত (১৫ নভেম্বৰ) ঃ ছপাশাল স্থাপন। গুৱাহাটীৰ পানবজাৰত বেপ্টিষ্ট মিশ্যনৰ কেন্দ্ৰ স্থাপন।

১৮৪৪— দীননাথ বেজবৰুৱাৰ দ্বাৰা 'বেজবৰুৱা বংশাৱলী' প্ৰণয়নৰ কাম সমাপ্ত। শিৱসাগৰ বেপ্টিষ্ট কেন্দ্ৰৰ দ্বাৰা কাশীনাথ তামুলীফুকনৰ অসম বুৰঞ্জীৰ ছপা আৰু প্ৰকাশ।

১৮৪৫— শিৱসাগৰত মিশ্যনেৰীৰ বাৰ্ষিক সভা (ডিচেম্বৰ)ত অসমত সংবাদ পত্ৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা, প্ৰস্তাৱ গ্ৰহণ ইত্যাদি।

১৮৪৬— শিৱসাগৰৰ পৰা 'অৰুনোদই সম্বাদ পত্ৰ'ৰ প্ৰথম প্ৰকাশ (জানুৱাৰী)। নলবাৰীৰ উত্তৰে বতাহগিলাত ৰমাকান্ত চৌধুৰীৰ জন্ম। এপ্ৰিলত আনন্দৰাম ঢেকিয়াল ফুকনৰ বিয়া।

১৮৪৭ – ২৯ এপ্ৰিলত আনন্দৰাম ঢেকিয়াল ফুকন খাটাপৰগনাৰ জিম্মাদাৰ নিযুক্ত ঃ নভেম্বৰৰ পৰা তিনিমাহৰ বাবে তেওঁ নলবাৰীত একটিং মুন্সিফ্‌। মাধৱচন্দ্ৰ বৰদলৈ আৰু (কৰ্ণেল) শিৱৰাম বৰাৰ জন্ম।

১৮৪৮— ছমাহৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকন নলবাৰীত মুন্সিফ নিযুক্ত (চেপ্টেম্বৰ)। জালনুৰ আলী আহমেদৰ জন্ম।

১৮৪৯— আনন্দৰাম ঢেকিয়াল ফুকন বিজনীৰ ৰজা ভুপৰ দেৱান নিযুক্ত ঃ 'অসমীয় ল'ৰাৰ মিত্ৰ'ৰ প্ৰকাশ।

১৮৫০— অক্টোবৰত ঢেকিয়াল ফুকন চাৰিমাহৰ বাবে নগাঁৱত চৰ্‌-এচিষ্টেণ্ট নিযুক্ত। উত্তৰ গুৱাহাটীত আনন্দৰাম বৰুৱাৰ জন্ম।

১৮৫১— নগাঁৱত মানিকচন্দ্ৰ বৰুৱাৰ জন্ম (৪ চেপ্টেম্বৰ)। যোৰহাটৰ ৰজাহাউলিত জগন্নাথ বৰুৱাৰ জন্ম। কামৰূপৰ আঠঘৰীয়া গাঁৱত ধীৰেশ্বৰাচাৰ্য্য (পাচলৈ মহামহোপাধ্যায়)ৰ জন্ম।

১৮৫৩— বৰপেটাত ৯ জানুৱাৰী তাৰিখে পদ্মাৱতী দেৱী ফুকননীৰ জন্ম। গুৱাহাটীত ১৫ মে'ইৰ দিনা মফট মিল্‌জৰ আগত হবকান্ত মজিন্দাৰ বৰুৱা (কালেক্টৰী চিৰস্তাদাৰ)ৰ সাক্ষ্য প্ৰদান।



৪ জুলাইত গুৱাহাটীত মফট মিল্‌জৰ হাতত আনন্দৰাম ঢেকিয়াল ফুকনৰ আবেদন পত্ৰ অৰ্পণ ; সেই মাহতে ফুকনৰ নগাঁৱলৈ বদলি। কমলাকান্ত ভট্টাচাৰ্য্য, ৰাধানাথ চাংকাকতী আৰু ভোলানাথ বৰুৱাৰ জন্ম। মাইল্‌জ্‌ ব্ৰন্সনৰ নিৰ্দ্দেশত ৰেভাৰেণ্ড এফ টোলমেনৰ দ্বাৰা মিকিৰ পাহাৰত ধৰ্ম্মপ্ৰচাৰ আৰম্ভ।

১৮৫৪— জুনিয়ৰ এচিষ্টেণ্ট পদলৈ আনন্দৰামৰ উন্নতি লাভ। নগাঁৱতে ৰাধিকাৰামৰ জন্ম।

১৮৫৫— আনন্দৰাম ঢেকিয়াল ফুকনৰ 'আইন ও ব্যবস্থা সংগ্ৰহ' (বঙলা) আৰু A Native ছদ্মনামত A few remarks on the Assamese Language অৰ প্ৰকাশ।

১৮৫৭— ৬ মে'ই তাৰিখে কলিকতাত গৱৰ্ণৰ জেনেৰেলৰ হাতত কন্দৰ্পেশ্বৰ সিংহৰ হৈ মণিৰাম দেৱানৰ আৰ্জ্জী প্ৰদান। ডিব্ৰুগড় ৰেজিমেণ্টৰ চিপাহী সকলৰ হাতত বিদ্ৰোহৰ সূচনা। ৭ চেপ্তেম্বৰত কন্দৰ্পেশ্বৰ সিংহক গ্ৰেপ্তাৰ আৰু আলিপুৰ জে'ইললৈ প্ৰেৰণ। কলিকতাত মণিৰাম দেৱান আটক, কেইসপ্তাহমান আলিপুৰ জে'ইলত বন্দী—ডিচেম্বৰত তেওঁক অসমলৈ প্ৰেৰণ। ২ ডিচেম্বৰত গুণাভিৰাম বৰুৱাৰ বিয়া।

১৮৫৮— যোৰহাটত ৰাজহুৱা ভাৱে মণিৰাম দেৱান আৰু পিয়লি বৰুৱাৰ ফাঁচী (২৬ ফেব্ৰুৱাৰী)। দুতিৰাম বৰুৱা, মধু মল্লিক, বাহাদুৰ গাওঁবুঢ়া আৰু ফৰমুদ আলিলৈ দেশান্তৰৰ আদেশ।

১৮৫৯— নগাঁৱত ১১জুনৰ পৰা আনন্দৰাম ঢেকিয়াল ফুকন অসুস্থ ঃ ১৬ জুনত মৃত্যু। যোৰহাট টি কম্পেনিৰ প্ৰতিষ্ঠা।

১৮৬০— আফুখেতি নিষিদ্ধ কৰাৰ উদ্দেশ্য চৰকাৰৰ দ্বাৰা আইন প্ৰণয়ন। তেজপুৰৰ থালিপোকৰীয়াত লম্বোদৰ বৰাৰ জন্ম। গুৱাহাটীৰ ভৰলুমুখত সত্যনাথ বৰাৰ জন্ম।

১৮৬১— দীননাথ বেজবৰুৱা নগাঁৱত মুন্সিফ নিযুক্ত। চেপ্তেম্বৰত আফুখেতি নিষিদ্ধ কৰণৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ফুলগুৰিৰ পৰা প্ৰায় ১,৫০০ লোকৰ নগাঁও চহৰলৈ যাত্ৰা ঃ মেজিষ্ট্ৰেইটৰ হাতত আবেদন-পত্ৰ প্ৰদান। ১৫ অক্টোবৰত ফুলগুৰিৰ সমবেত ৰাইজক ছত্ৰভঙ্গ কৰিবলৈ পুলিচৰ নিষ্ফল শক্তিপ্ৰয়োগ। ১৭ অক্টোবৰতো একেধৰণৰ কাৰ্য্যৰ পুনৰাভিনয়। ১৮ অক্টোবৰত ৰাইজ আৰু পুলিচৰ সংঘৰ্ষ ঃ লেফটেনেণ্ট চিঙ্গাৰৰ মৃত্যু। ২৩ অক্টোবৰত সামৰিক

বাহিনীৰ দ্বাৰা বিদ্ৰোহ-দমন ঃ বহুতৰে যাৱজ্জীৱন কাৰাদণ্ড আৰু অন্যান্য শাস্তি। হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' ৰচনা। জেনকিঞ্চৰ অৱসৰ গ্ৰহণ। কমিশ্যনাৰ হিচাপে কৰ্ণেল হপকিঞ্চনৰ যোগদান।

১৮৬৪— দীননাথ বেজবৰুৱা নগাঁৱৰ পৰা বৰপেটালৈ বদলি। নগাঁৱৰ আঁহতগুৰিত লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম। আনন্দৰাম বৰুৱা, শিৱৰাম বৰা, মাধৱচন্দ্ৰ বৰদলৈ আৰু জালনূৰ আলি আহমেদ গুৱাহাটী স্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ। দেৱীচৰণ বৰুৱাৰ জন্ম।

১৮৬৭— ১৫ এপ্ৰিলত গোলাঘাটৰ খুমটাইত ঘণশ্যাম বৰুৱাৰ জন্ম। ২৪ নভেম্বৰত গুৱাহাটীত ৰজনীকান্ত বৰদলৈৰ জন্ম। নভেম্বৰতে তেজপুৰৰ কলংপাৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম। দীননাথ বেজবৰুৱা তেজপুৰলৈ বদলি। আনন্দৰাম ঢেকিয়াল ফুকনৰ বিধবা পত্নী মাহিন্দ্ৰী দেৱীৰ মৃত্যু। ৰেভাৰেণ্ড ষ্টোডাৰ্ড দম্পতিৰ দ্বাৰা গোৱালপাৰাত বেপ্টিষ্ট কেন্দ্ৰ স্থাপন, আৰু ধৰ্ম্ম প্ৰচাৰ। মাইলজ ব্ৰন্সনৰ অসমীয়া অভিধান প্ৰকাশ।

১৮৬৮— সমগ্ৰ অসমতে মাটিৰ খাজানা প্ৰায় দুগুণে বৃদ্ধি। হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ব্যাকৰণৰ প্ৰকাশ।

১৮৭১— উত্তৰ লক্ষীমপুৰৰ নকাৰী গাঁৱত পদ্মনাথ গোহাঞিবৰুৱাৰ জন্ম। ৰূদ্ৰৰাম বৰদলৈৰ "বঙাল" নাটৰ প্ৰকাশ। মাজুলীৰ পৰা 'আসাম বিলাসিনী'ৰ প্ৰকাশ আৰম্ভ।

১৮৭২— কলিকতা প্ৰেচিডেঞ্চি কলেজৰ পৰা জগন্নাথ বৰুৱাৰ বি.এ ডিগ্ৰীলাভ। ২১ মে'ই তাৰিখে কলিকতাত ভাইচৰয় লৰ্ড নৰ্থব্ৰুকৰ হাতত জগন্নাথ বৰুৱা, মণিকচন্দ্ৰ বৰুৱা আৰু ৰাধিকাৰাম ফুকনৰ দ্বাৰা এখন স্মাৰকপত্ৰ প্ৰদান। গোলাঘাট মহকুমাৰ অন্তৰ্গত ঢেকিয়ালত হেমচন্দ্ৰ গোস্বামীৰ জন্ম। খোৱাঙত বেণুধৰ ৰাজখোৱাৰ জন্ম।

১৮৭৩— ১৯ এপ্ৰিলৰ আইনমতে অসমৰ পঢ়াশালি আদালতত বঙলাৰ ঠাইত অসমীয়াৰ প্ৰচলন। ১৭ জুনত উচ্চ শিক্ষাৰ বাবে ৰাধিকাৰাম ঢেকিয়াল ফুকনৰ বিলাত-যাত্ৰা। গুৱাহাটীত চাকৰিৰ পৰা দীননাথ বেজবৰুৱাৰ অৱসৰ গ্ৰহণ— সপৰিয়ালে শিৱসাগৰ-যাত্ৰা। হেমচন্দ্ৰ বৰুৱাৰ 'আদিপাঠ' ৰচনা।

১৮৭৪— অসমে সুকীয়া 'প্ৰদেশ' হিচাপে মৰ্য্যাদা পায় ঃ চীফ্-কমিশ্যনাৰ



হিচাপে কৰ্ণেল কীটিঙৰ দায়িত্ব গ্ৰহণ (৭ ফেব্ৰুৱাৰী)। তেজপুৰৰ বৰঙাবাৰীত আনন্দচন্দ্ৰ আগৰৱালাৰ জন্ম। শিৱসাগৰৰ নেঘেৰীটিঙত চন্দ্ৰধৰ বৰুৱাৰ জন্ম।

১৮৭৫— আমেৰিকাৰ পৰা ৰেভাৰেণ্ড এ, কে, গণিৰ অসম আগমন। ১৫ জুনত যোৰহাটত ৰাধানাথ ফুকনৰ জন্ম।

১৮৭৬— শিৱসাগৰৰ মিশ্যনেৰী ছপাকলৰ দায়িত্ব গণিৰ ওপৰত ন্যস্ত। হিতেশ্বৰ বৰুৱাৰ জন্ম।

১৮৭৭— গণিৰ 'কামিনীকান্ত' আৰু 'এলোকেশী বেশ্যাৰ বিষয়' প্ৰকাশ। হেৰিয়ে'ট কট্টাৰৰ Phrases in English and Assamese অৰ তাঙৰণ প্ৰকাশ।

১৮৭৮— 'কণি বেহেৰুৱাৰ বিষয়' প্ৰকাশ। গোৱালপাৰাৰ বেপ্টিষ্ট কেন্দ্ৰ গাৰোপাহাৰৰ তুৰালৈ স্থানান্তৰ। মাইল্‌জ্ ব্ৰন্সনৰ আমেৰিকা-যাত্ৰা ("I donot want to go, my heart is here......")। কামৰূপৰ লাউপাৰা গাঁৱত ৰঘুনাথ চৌধাৰীৰ জন্ম।

১৮৮০— গণিৰ 'কৃথৰ বিৱৰণ' আৰু 'য়িহুদয়াৰ আৰু বিচাৰকৰ্ত্তাৰ পুথি' প্ৰকাশ। টিয়কত গণিৰ ধৰ্ম্মপ্ৰচাৰ। নগাঁৱত জ্ঞানদাভিৰাম বৰুৱাৰ জন্ম। গুণাভিৰাম বৰুৱাৰ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ' প্ৰকাশ।

১৮৮১— নগেন্দ্ৰ নাৰায়ণ চৌধাৰী (পিচলৈ বিখ্যাত গল্পকাৰ ঃ গোৱালপাৰাৰ মেছপাৰাৰ জমিদাৰ) ৰ জন্ম।

১৮৮২— হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত 'আসাম নিউজ'ৰ প্ৰকাশ আৰম্ভ।

১৮৮৩— অসমীয়াত দুখন গণিত পুথিৰ প্ৰকাশ ঃ দিবাকৰ শৰ্ম্মাৰ 'অঙ্কপাঠ', ছাখাৱত আলিৰ 'গণিত পুস্তক'।

১৮৮৪— পদ্মাৱতী দেৱীফুকননীৰ 'সুধৰ্ম্মাৰ উপন্যাস' প্ৰকাশ।

১৮৮৫— জানুৱাৰী মাহত বৰপেটাত অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্ম। দেৱীফুকননীৰ 'হিতসাধিকা' প্ৰকাশ। গুণাভিৰাম বৰুৱাৰ সম্পাদনাত নগাঁৱৰ পৰা 'আসাম বন্ধু'ৰ প্ৰকাশ আৰম্ভ। ডিব্ৰুগড় ছোৱালী স্কুল স্থাপন।

১৮৮৬— শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা লক্ষ্মীনাথ বেজবৰুৱা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ। ভাৰতীয় জাতীয় কংগ্ৰেছৰ কলিকতা অধিবেশনত অসমৰ পৰা কালীকান্ত বৰকাকতী, দেৱীচৰণ বৰুৱা,

গোপীনাথ বৰদলৈ আৰু সত্যনাথ বৰাৰ যোগদান। বলিনাৰায়ণ বৰাৰ তত্ত্বাৱধানত কলিকতাৰ পৰা ডিচেম্বৰত 'মৌ' কাকতৰ প্ৰথম সংখ্যা প্ৰকাশ। ১৮ ডিচেম্বৰৰ পৰা নগাঁৱত বেপ্টিষ্ট মিশ্যনৰ সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন ঃ মুখ্য উদ্যোক্তা এ, কে গৰ্ণি।

১৮৮৭— ভাৰতীয় জাতীয় কংগ্ৰেছৰ মাদ্ৰাজ অধিবেশনত ৰাধানাথ চাংকাকতী আৰু লক্ষীকান্ত বৰকাকতীৰ যোগদান। ১২ মে'ইত শৰৎচন্দ্ৰ গোস্বামীৰ জন্ম।

১৮৮৮— ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ ঘৰত বহা চাহমেলত অ, ভা, উ, সা, ৰ জন্ম। লক্ষীনাথৰ এফ-এ, পাচ। এ, কে, গৰ্ণিৰ ব্ৰহ্মদেশ যাত্ৰা। এলাহবাদ কংগ্ৰেছত ঘনশ্যাম বৰুৱাৰ যোগদান।

১৮৮৯— জানুৱাৰী মাহত কলিকতাত আনন্দৰাম বৰুৱাৰ মৃত্যু। ১৩ জানুৱাৰীত 'জোনাকী' কাকতৰ জন্ম।

১৮৯০— ৩১ মাৰ্চ তাৰিখে অসমত চৰকাৰী কামৰ পৰা গুণাভিৰাম বৰুৱাৰ অৱসৰ গ্ৰহণ— সিদিনাই কলিকতাত তেওঁৰ একমাত্ৰ জোঁৱাই ডঃ নন্দকুমাৰ ৰায়ৰ মৃত্যু। গুণাভিৰাম বৰুৱাৰ সপৰিয়ালে কলিকতা-যাত্ৰা ঃ প্ৰথমে মাণিকতলা ষ্ট্ৰীটৰ এটা ঘৰত, আৰু পাচলৈ ২৬ নং স্কটচ্‌ লেইনত বসতি। ২ নং ভবানীচৰণ দত্ত লেইনৰ ঘৰত গুণাভিৰাম বৰুৱাৰ পৌৰোহিত্যত অ. ভা. উ. সা. ৰ সাধাৰণ বাৰ্ষিক সভা ঃ সাধাৰণ সম্পাদক হিচাপে লক্ষীনাথ বেজবৰুৱাৰ দ্বাৰা বছেৰেকীয়া কাৰ্যবিবৰণ পাঠ। এণ্ট্ৰেন্স পৰীক্ষাত পদ্মনাথ গোহাঞি বৰুৱাৰ কৃতকাৰ্য্যতা। লক্ষীনাথ বেজবৰুৱা কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতক। প্ৰথম বছৰৰ 'বিজুলী' (সম্পাদক ঃ নীলকান্ত বৰুৱা, কৃষ্ণপ্ৰসাদ দুৱৰা) ত গোহাঞি বৰুৱাৰ 'ভানুমতী'ৰ প্ৰকাশ। তেজপুৰত দণ্ডিনাথ কলিতাৰ জন্ম।

১৮৯১— জোৰাসাঁকোৰ ঠাকুৰ পৰিয়ালৰ প্ৰজ্ঞাসুন্দৰী দেৱীৰ সৈতে ১১ মাৰ্চ তাৰিখে লক্ষীনাথ বেজবৰুৱাৰ বিয়া। গুণাভিৰাম বৰুৱাৰ উত্তৰ-পশ্চিম ভাৰত যাত্ৰা; শিৱসাগৰ জিলাৰ লাহিং মাজকুৰি গাঁৱত নাৰায়ণ চন্দ্ৰ বৰুৱাৰ দ্বাৰা 'অসম নাৰ্চাৰী' (শাক-পাচলিৰ বাৰী) স্থাপন।

১৮৯২— ফেব্ৰুৱাৰীত এ, কে, গৰ্ণিৰ নগাঁও-আগমন ঃ পি, এইচ, মূৰৰ সহযোগত 'পুৰণি নিয়ম'ৰ সংশোধন কাৰ্য্য আৰম্ভ। ৪ মাৰ্চত শিৱসাগৰত যতীন্দ্ৰনাথ দুৱৰাৰ জন্ম। ২৬ মাৰ্চত কলিকতাৰ স্কট্‌চ্‌ লেইনৰ ঘৰত গুণাভিৰাম বৰুৱাৰ পত্নীৰ মৃত্যু। এলাহাবাদ কংগ্ৰেছত ভোলানাথ বৰুৱা, লক্ষীনাথ বেজবৰুৱা আৰু ৰাধানাথ চাংকাকতীৰ



যোগদান। চৰকাৰী নিৰ্দ্দেশত হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা Notes on the marriage system of the people of Assam প্ৰণয়ন, প্ৰকাশ।

১৮৯৩— ২৯ এপ্ৰিলত গৰ্ণি পৰিয়ালৰ আমেৰিকা-যাত্ৰা। নগাঁৱৰ ৰেভাৰেণ্ড পি, এইচ মূৰৰ দ্বাৰা ব্ৰাউনৰ অসমীয়া ব্যাকৰণৰ তৃতীয় তাঙৰণ প্ৰকাশ। ১২ জুলাইত গুণাভিৰাম বৰুৱাৰ পুত্ৰ কৰুণাভিৰামৰ মৃত্যু। ২১ ডিচেম্বৰত যোৰহাট সাৰ্ব্বজনিক সভা (সভাপতি জগন্নাথ বৰুৱা, সম্পাদক দেৱীচৰণ বৰুৱা) ৰ তৰফৰ পৰা ৰয়েল কমিশ্যন অন ওপিয়ামক স্মাৰক-পত্ৰ প্ৰদান।

১৮৯৪— বৰ্দ্ধিত খাজানাৰ বিৰুদ্ধে নামনি অসমত প্ৰতিবাদ। ১০ জানুৱাৰীত ৰঙিয়াৰ কৃষক বিদ্ৰোহ দমনৰ অৰ্থে পুলিচৰ গুলীবৰ্ষণ ঃ ভালেমান লোক নিহত। ২১ জানুৱাৰীত লাচিমাত কৃষক বিদ্ৰোহ। ২৮ জানুৱাৰীত পাথৰুঘাট (মঙ্গলদৈ) ৰ ৰণ— পুলিচৰ গুলীবৰ্ষণ, অত্যাচাৰ। ২৫ মাৰ্চত ৮নং কলেজ স্কোৱাৰৰ ঘৰত গুণাভিৰাম বৰুৱাৰ মৃত্যু। নগাঁৱত সূৰ্য্যকুমাৰ ভূঞাৰ জন্ম। নভেম্বৰত বৰপেটাৰ পূবে বাটিকুৰিহা গাঁৱত বাণীকান্ত কাকতিৰ জন্ম। ৩০ নভেম্বৰত গুণাভিৰাম বৰুৱাৰ কণ্যা কমলাৰ মৃত্যু।

১৮৯৫— ডিব্ৰুগড়ৰ পৰা ৰাধানাথ চাংকাকতীৰ সম্পাদনাত 'টাইম্‌জ অৱ আচাম' নামৰ সাদিনীয়া ইংৰাজী কাকতৰ প্ৰকাশ আৰম্ভ (৫ জানৱাৰী)। ২৭ মে'ইত দীননাথ বেজবৰুৱাৰ মৃত্যু। ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী'ৰ প্ৰথম প্ৰকাশ। কলিকতাৰ প্ৰেচিডেঞ্চি কলেজৰ পৰা ৰাধানাথ ফুকনৰ স্নাতক উপাধি লাভ। জ্ঞানদাভিৰাম বৰুৱাৰ বিলাত যাত্ৰা। ডিচেম্বৰত শিৱসাগৰত বহা মিশ্যনেৰীৰ বাৰ্ষিক সভাত বাইবেলৰ অসমীয়া ভাঙণিৰ বিষয়ে গৰ্ণিৰ আলোচনা।

১৮৯৬— হেমচন্দ্ৰ বৰুৱাৰ মৃত্যু। অসমৰ চীফ কমিশ্যনাৰ হিচাপে চাৰ হেনৰী কটনৰ যোগদান (২৮ নভেম্বৰ)।

১৮৯৭— এপ্ৰিলত মাণিক চন্দ্ৰবৰুৱা গুৱাহাটীত পক্ষাঘাত ৰোগত আক্ৰান্ত। ১৩ জুনত বৰ ভূইকঁপ। পদাৰ্থ বিজ্ঞানত ৰাধানাত ফুকনৰ এম, এ ডিগ্ৰী লাভ।

১৮৯৮— তেজপুৰৰ হিশ্বনাথত লক্ষীধৰ শৰ্ম্মাৰ জন্ম। ৰিপন কলেজ (বৰ্ত্তমানৰ সুৰেন্দ্ৰ নাথ বেনাৰ্জী কলেজ) ৰ পৰা ৰাধানাথ ফুকনৰ বি, এল ডিগ্ৰী লাভ— যোৰহাটত তেওঁৰ ওকালতি ব্যৱসায় আৰম্ভ। জ্ঞানদাভিৰাম বৰুৱাৰ স্বদেশ আগমন।

(৯৮ পৃষ্ঠাত চাওক)

# দূৰৈৰ পৰা অসমৰ সংস্কৃতি-সূৰ্যৰ এচেৰেঙা

মহেশ্বৰ নেওগ

সিদিনা ( ২৩ পুহ ১৯০২, ৭ জানুৱাৰী ১৯৮১ ) "দৈনিক অসম"ৰ সম্পাদকীয় স্তম্ভত অসমৰ আৰু অসমৰ যোগেদি ভাৰতৰ সংস্কৃতিক ভাল পাওঁ বুলি চিঞৰি মৰাসকলৰ দৃষ্টি আকৰ্ষণ কৰিব লগীয়া এটি প্ৰবন্ধ ওলাইছিল— 'ঐক্য আৰু সংহতি ঃ কথাত আৰু কামত।' যিসকলে সেইটি লেখা পঢ়া নাই, সেই তাৰিখৰ পুৰণি কাগজখন বিচাৰি আনি তাক পঢ়া উচিত। সেয়া পঢ়ি মোৰ মনত একপ্ৰকাৰে এক আতংকৰ সৃষ্টি হৈছে, এক যেন সাংস্কৃতিক সংকট দেখা পাইছোঁ। কাৰণ, সম্পাদকদেৱে স্পষ্টকৈয়ে এটি অপ্ৰিয় কথা কৈছে ঃ 'পদবী, উপাধি বা পুৰস্কাৰ আদি লাভৰ বাবেই হওক, বা হীনমন্যতাৰে আন সকলোকে হেচুকি থৈ নিজৰ বা গোষ্ঠীৰ ভাবমূৰ্তি অম্লান ৰখাৰ উদ্দেশ্যেই হওক, আমাক বহুতো বুদ্ধি-বৃত্তিৰ গৌৰৱ (ভেম ?) কৰা লোকে অসমৰ ঐতিহ্যসম্পন্ন উদাৰতাৰ আদৰ্শ পাহৰি যোৱা যেন লাগিছে।' সম্পাদকে মহাপুৰুষ গুৰু দুজনাৰ পবিত্ৰ উদাৰ ঐতিহ্যকে সুঁৱৰিছে আৰু সত্ৰসমূহত তাৰ অৱসাদৰ কথা কৈ দুখ

( ৯৭ পৃষ্ঠাৰ পিছৰ পৰা )

১৮৯৯— শিৱসাগৰৰ জেঙনিকটীয়াত মফিদুল ইচলাম বৰাৰ জন্ম।

১৯০০— পদ্মনাথ গোহাঞি বৰুৱাৰ পিতৃ আৰু পত্নী ( লীলাৱতী )ৰ মৃত্যু। পানীন্দ্ৰ নাথ গগৈৰ মৃত্যু। হৰকান্ত মজিন্দাৰ বৰুৱা সদৰামীনৰ মৃত্যু। গুৱাহাটীত 'কাৰ্জন হল' প্ৰতিষ্ঠা। পদ্মনাথ গোহাঞি বৰুৱাৰ 'জয়মতী', 'জুৰণি' আদিৰ প্ৰকাশ, 'লীলা এজেঞ্চী' স্থাপন, পুনৰ্বিবাহ। কৰ্ণেল পি, আৰ, টি গৰ্ডন আৰু হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত আগষ্ট মাহত 'হেমকোষ'ৰ প্ৰকাশ। ডিম্বেশ্বৰ নেওগ, দৈৱচন্দ্ৰ তালুকদাৰৰ জন্ম। **

ৰ



কৰিছে। ছমাহমান আগতে অসমৰ পৰা এজন বন্ধুৱে লিখিছিল, 'অসমীয়া ভাষাত বোধকৰোঁ ১৯৮০ চনটো এটা কাৰণত স্মৰণীয় হৈ ৰ'ব। কাৰণটো হ'ল ঃ নাম আৰু সংখ্যা মনত ৰাখিব নোৱৰাকৈ প্ৰকাশ হ'বলৈ ধৰা আলোচনী আৰু বাতৰি-কাকত, বিশেষকৈ আলোচনী।' এই বানপানীৰ কথাৰ আঁত মোৰ ওচৰলৈও কেনেবাকৈ আহি ওলোৱা এটা প্ৰবন্ধ, ন'হলে এটা কবিতা, ন'হলে এটা বাণী বিচৰা সম্পাদক-সকলৰ চিঠিৰ পৰাও ধৰিব পাৰিছোঁ। সিদিনা ভতিজা এটাৰ চিঠিৰ পৰা গম পালো, 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ' আৰু 'মৰে অসম, জীয়ে কোন ? জীয়ে অসম, মৰে কোন, বাণীৰ স্ৰষ্টা ডিম্বেশ্বৰ নেওগৰ গাঁও কমাৰ ফদীয়াই আন একো কৰিব নোৱাৰি এখন প্ৰাচীৰ-পত্ৰকে বোলে উলিয়াইছে। ইয়াৰ আগতে বাৰে বাৰে শূন্যৰ ওচৰ চাপিব খোজা অসমীয়া আলোচনীৰ সংখ্যাই ইমানবোৰ অসমীয়া মনৰ আটাইবোৰ খবৰ ধৰি আনিব নিশ্চয় নোৱাৰিছিল। বানপানীয়ে ফুলৰ জোপোহা ভাঙি মৰংঘৰৰ মৰলাও উটুৱাই লৈ ফুৰোৱাৰ দৰে সাম্প্ৰতিক আলোচনী আৰু বাতৰি-কাকতবোৰে মানুহৰ মনৰ তলিত ভাল-বেয়া সকলোবোৰকে উজাৰি উকটিব লাগিছে।

এইটো হয়নে নহয়, অসমত থকা সকলেহে অধিক জানিব। প্ৰৱসুৱা মোৰ জ্ঞান সেই বিষয়ত সীমিত, চাগে সন্দেহযোগ্যই হ'ব। প্ৰৱাসত থকাত 'দেশ'ৰ অৰ্থাৎ অসমৰ বতৰা সময়ত, নিয়মিত-ৰূপে নাপাওঁই; এটা কথা জানো মানে তাতোকৈ ডাঙৰ বা বিষম কথা সিফালে ঘটি যায়।

* * * *

ভু ৰখাসকলে জানিবই চাগে যে তিনি বছৰৰ আগৰ ফেব্ৰুৱাৰী মাহত মই 'দেশ' এৰি পঞ্জাবৰ পটিআলা চহৰলৈ আহিলোঁ অসমীয়া সংস্কৃতিৰ পিতৃ মহাপুৰুষ শঙ্কৰদেৱৰ নামত পঞ্জাবী বিশ্ববিদ্যালয়ত প্ৰতিষ্ঠিত বিদ্যাস্মান ডুখৰিৰ ৰখীয়া হ বলৈ। সেই কথাত আনন্দ পোৱা সকলৰ পৰা শুভেচ্ছাবাণী পাইছিলোঁ। কিন্তু দুদিনমানৰ পিছতে মোৰ প্ৰৱজনক লক্ষ্য কৰি কোনোবা কেইজনমানৰ আন এক ধৰণৰ কোলাহল শুনি আমোদ লাভ কৰিবলগীয়া হ'ল। উল্লিখিত ফেব্ৰুৱাৰীৰ পিছৰ সেই মাহতে মই নেচনেল বুক ট্ৰাস্টৰ (ইণ্ডিয়া) 'অহা দহ বছৰৰ অসমীয়া প্ৰকাশন' বিষয়ক এক আলোচনা-সত্ৰৰ সভাপতি হ'বলৈ গুৱাহাটীলৈ আহিছিলোঁ। পটিআলা এৰি আহি দিল্লীত অসমীয়া মানুহৰ হাট-ঘৰ বাট-ঘৰ অসম ভৱনত সোমাওঁতে আকাশবাণীত কাম কৰা

এজন ডেকাই মোক সুধিলে, "ছাৰ, আপোনাৰ অসুখ-বিসুখ কিবা হৈছিলনেকি ? আমাৰ গুৱাহাটী চেণ্টাৰে বৰকৈ দেখোন আপোনাৰ খবৰ গোটাবলৈ মেছেজ্ দি আছিল।" গুৱাহাটী পাই ৰেডিওৰ খবৰ বিভাগত কাম কৰা মোৰ প্ৰিয় এজন ডেকাক সভা ঘৰতে লগ পাই সুধিলোঁ, 'কি হে ভৈয়াই! অবিচুৱেৰিৰ দিহা হৈছিলনেকি ?' তেওঁ হাঁহিলে, ক'লে, 'হয় ছাৰ. সেই কেইদিন কোনোবাই কেইবাফালৰ পৰাও বেয়া খবৰ আগবঢ়াই তৎ নোহোৱা কৰিছিল!' 'অ,' সেয়া তেনে ভূতৰ পুতেকৰ খবৰৰ লগৰে খবৰ!' এনে খবৰ আৰু এবাৰ জৰ্-জৰাইছিল আৰু মোৰ গুৱাহাটীৰ ঘৰৰ পৰা কোনোবা এজন মন্ত্ৰীৰ যোগে আচল খবৰ সংগ্ৰহ কৰিবলগীয়া হৈছিল! এই ধৰণৰ মৃত্যুৰ কোলাহলৰ বাহিৰেও আৰু এবিধ কোলাহল মোৰ বন্ধু দেশপ্ৰেমিকসকলে তুলিছিল— মই কোৱা বুলি অকথা প্ৰচাৰ কৰি। এনে সকলোবোৰ প্ৰচাৰ মোৰ হাতত নপৰিলগৈয়ে; মাথোন এবাৰ এনে অসত্যৰ অভিযান এটা "নীলাচল"ত দেখা পাই তাৰ স্বৰূপ প্ৰকাশ কৰিছিলোঁ সেইবোৰ কথা কোৱা 'সেইজন মই নহয়' বুলি। আজিও বিচাৰি নাপাওঁ, এই কোলাহলৰ উদ্দেশ্য কি। সেইবোৰৰ দ্বাৰা মোৰো কোনো ক্ষতি নহয় আৰু হয়তো যাৰ আশ্ৰয় লৈছো, সেই মহাপুৰুষ গুৰুজনাৰ ক্ষতিসাধন কৰিম বুলি যদি কোলাহলকাৰীয়ে ভাবে, সিও মিছা আশাই। কুৰি শতিকাতো মহাপুৰুষৰ উদাৰ সাংস্কৃতিক দান দুই হাতে সাবটি ল'ব নজনাসকলৰে এইবোৰ বোধ হয় কুকীৰ্তি। কিন্তু কোন এইসকল? তেওঁলোক মুখ দেখুৱাই কথা ক'ব নোৱাৰেনেকি ?

মোৰ এগৰাকী গুৰুৱে এখনি পত্ৰত লিখিছে, বিশেষ দুটি কামৰ কথাৰে: 'তুমি দুটি ডাঙৰ কামকে এই দেহাৰে যে কৰিলা শ্ৰীমন্ত গুৰুৰ কৃপা। দেশত ৰঘুমলা বৰ গজিছে। অতঃ কিং বা ভৱিষ্যতি? তোমাৰ ওপৰতে বহুত আশা বতি আছে। ভয় নাই, তেওঁ নিশ্চয় শীঘ্ৰে সুস্থ অৱস্থা দান কৰিব।' 'শ্ৰদ্ধেয় শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীদেৱেই মোক এইখিনি পোৱালেহি। এই কথা কিন্তু সিজনাই কৈছিল, 'আপুনি এই বয়সত ইয়ালৈ আহিলে; ঠাণ্ডাগৰম দুইটাতে বেছ কষ্ট পাব।' সঁচাকৈয়ে ইয়াৰ অত্যন্ত চৰম 'শীত উষ্ণ দুই কৰৱতে চিঙিব' লাগিছে। এইবৈছাযে জ্বাৰ বৰ পৰিছে, আৰু বহুতকে বলি লৈছে এই কেইদিন চকুৰ আগতে। তথাপি চাৰিও ফালৰ আদৰ মাজত এটা সাহ আৰু সুখৰ ভাব হৈছে। এটি মাথোন উদাহৰণ। যোৱা ছেপ্টেম্বৰত চণ্ডীগড়ত হোৱা এখনি অভিনন্দন সভা উপলক্ষে বাণী



পঠিয়াওঁতে 'শিখ বিশ্বকোষ'ৰ সম্পাদক অধ্যাপক হৰবংশ সিংহ লিখিছিল, You are a vital cultural link between two remote corners of India, and here, in the Punjab, all of us feel so proud of you. মই যদি কিবা গৌৰৱ কৰিব লগীয়া আছে, সেয়া গুৰুজনত আৰু গুৰুসকলতহে।

* * * *

গুৱাহাটী বিশ্ববিদ্যালয়ত থকা কালৰ কথা। বিশ্ববিদ্যালয়ৰ বিশেষ এটি বিভাগৰ কথা। আৰু এজন আচাৰ্যৰ কথা। ধৰক আচাৰ্য ক। আচাৰ্য কই বিভাগটোক এখন পুথি দিলে, ছপাই উলিয়াব লাগে। কিন্তু বিভাগে কিতাপ নিজৰ প্ৰয়োজন আৰু আঁচনি অনুসৰি লিখায়, লোকৰ নিজ মৰ্জিত লিখা কিতাপ ছপোৱাটো বিভাগৰ কাম নহয়। কিন্তু আচাৰ্য কৰ কথা হৈছে, কিতাপখন ছপাই দিবই লাগে, কাৰণ সেইখন তেওঁ লিখিছে, আৰু বৰ ভাল লিখিছে। বিভাগে দয়াপূৰ্বক দুজন নে তিনিজন লোকৰে এখন উপসমিতি (নিজে গালি নাখাই আনক গালি খুৱাবৰ ইও এক ভাল উপায়) পাতি দিলে। কি দুৰ্ভাগ্যৰ খেলা, সেই দুই নে তিনিজনৰ ভিতৰত ময়ো পৰিলোঁ। সমিতিৰ বিচাৰ সৰল; প্ৰথম, বিভাগে বাহিৰৰ পৰা জাপি দিয়া কিবা এখন কি আৱশ্যকত ল'ব লাগে ? দ্বিতীয়, বিশ্ববিদ্যালয়ৰ সকলো পঠনীয় বিষয়ৰ কিতাপ লিখোৱাৰ আগতেই পাৰিভাষিক নিৰ্ণয় কৰি দিয়া নিয়মৰ এই ক্ষেত্ৰত ব্যতিক্ৰম কিয় হ'ব লাগে ? ইত্যাদি। গতিকে, সমিতিৰ মতে এই বিষয়ে ভালকৈ চিন্তা নকৰাকৈ (বিষয়টোৰ বিস্তাৰ আৰু প্ৰণালী আদি) সদ্যহতে পুথিখন ল'ব নালাগে, বৰং এই বিষয়ে আলোচনা কৰি কিতাপখনৰ ৰূপ নিৰ্ণয় কৰিব লাগে। সমিতিৰ পৰামৰ্শ মূল বিভাগৰ বিচাৰলৈ যোৱাৰ আগতেই সকলো শিষ্টাচাৰ ভঙ্গ কৰি স্বাৰ্থপৰ আচাৰ্য কই সমিতিৰ সদস্য কোন উলিয়াই গালিৰ অভিযান আৰম্ভ কৰি দিলে। মোকো অফিচতে লগপাই বেছ কেইআষাৰ মান শুনাই থৈ আহিল। কিতাপখন লাগতিয়াল কৰিবৰ অৰ্থে দিয়া পৰামৰ্শ তেওঁৰ কাণত নোসোমাল।

সেই মাহৰ সভালৈ আহোঁতে আচাৰ্য কক গুৱাহাটীত লগ পাওঁতে সিজনেৰে কি কথোপকথন হৈছিল, সি চমু যেতিয়া তলত উদ্ধৃত কৰি দিলোঁ:

মই : বাপু আচাৰ্য ক।

ক : (নিমাত।)

মই ঃ বাপু আচাৰ্য ক, ভালে আছানে ?
ক ঃ ( নিমাত । )
মই ঃ তুমি শুনা নাইনেকি, বাপু আচাৰ্য ক ?
ক ( নিমাত নে ভিতৰতে গোঁ-গোঁ-গোঁ ।
মই ঃ ( নিমাতে প্ৰস্থান । )

এই ঐতিহাসিক সংলাপৰ এবছৰ ডেৰ বছৰ মানৰ মূৰত এজন গুৱাহটীয়া বন্ধুৱে এটা খবৰ দিলে, আচাৰ্য কৰ অসমীয়া কথা-শৈলী সম্পৰ্কে নিদৰ্শন দি দি বোলে এখন কিতাপ ওলাইছে; তাত সৰু-সুৰা বহুতৰে কথা আছে কিন্তু আচৰিত ধৰণে বোলে মোৰ নামত তুৰাম-গঙ্গা একোটি বোলা হোৱা নাই ; আৰু তাত নতুন নতুন আৱিষ্কাৰৰ ভিতৰত শঙ্কৰদেৱে ‘ব্ৰজাৱলী-মিশ্ৰিত’ ভাষা লিখাৰ বৰ্ণনা আছে। ব্ৰজবুলি বা ব্ৰজাৱলী ভাষাক মিশ্ৰিত এটি ভাষা বুলি ইমান দিনে জানিছিলোঁ। তাত আকৌ কিহৰ মিশ্ৰণ পৰিল ? ব্ৰজাৱলী শব্দটোওতো আমি বিশেষণ বুলি জানি আহিছিলোঁ ; তাৰ লগতে ভাষা শব্দটো লাগিলেহে এটা ভাষা-ৰূপ বুজায় বুলি ধৰিছিলোঁ। মোৰ ভাষাত চাগৈ কিবা মিশ্ৰণ নপৰাৰ কাৰণেই আচাৰ্য কৰ বিস্বাদ লাগিল। সেইহে তেওঁৰ হাতত মোৰ সাহিত্যিক মৃত্যু সহজ হ'ল ! আমোদজনক !

* * * *

আচাৰ্য কৰ ভ্ৰাতৃ আচাৰ্য খই কিন্তু নতুন এক বাণী প্ৰচাৰ কৰি দিলে, যাৰ ফলত অসমৰ ঐক্য আৰু সংহতিৰ মূৰ্ত্তি-গোসানী ঘনাই কঁপিব লাগিছে। সেই অমোঘ বাণীৰ ধ্বনি-প্ৰতিধ্বনিয়ে অসম আৰু অসমীয়াৰ প্ৰাণত ইমান দিনে খলক তুলিব লাগিছিল— ‘অসমখন সৰু দেশ। তাতোকৈ সৰু অসমীয়া মানুহৰ মন।’ অসম আৰু অসমীয়াই ইয়াতকৈ মধুৰ, ইয়াতকৈ স্নেহসিক্ত, ইয়াতকৈ সন্মানসূচক বাণী চাগৈ জন্মৰে পৰা কেতিয়াও শ্ৰৱণ-কুহৰত প্ৰৱেশ কৰা পোৱা নাই। প্ৰশ্ন কৰিবৰ মন যায়, তৰুণ আচাৰ্য মই এই উচ্ছ্বাসিত মহাবাণী উচ্চাৰণ কৰাৰ সময়ত কোন ফালে চাই আছিল ? নিজৰ মনৰ ফালে নে অসমীয়া মানুহ আটাইবোৰৰ ফালে ? তেওঁৰ এই মহাবাক্যই নিজকো অৰ্থাৎ আচাৰ্য খকো ‘অসমীয়া মানুহ’ বোলা প্ৰাণীসকলৰ ভিতৰতে ধৰিছিল্ল। নে তাতকৈ transcendent, ওপৰ উঠা কিবা পদাৰ্থ বুলিহে জ্ঞান কৰিছিল ? দেখা যায়, অসম-অসমীয়া আদি তেওঁৰ বাবে তুচ্ছ পদাৰ্থ। তেওঁৰ মহাবাণীৰে সৰহক



নোৱাৰিলেও দুই-এজনক মতলীয়া কৰিছে, উদ্বুদ্ধ কৰিছে, অনুপ্ৰাণিত কৰিছে। দুই-এক সেইবিলাকে নিজৰ পঙ্কিল মন আনে দেখা পাব. সেই লাজত নমৰিবলৈ ঠিক কৰি নিজৰ বোপাইৰ যুৰীয়া লোককো অবাধে অকথা বল্লকি গৈছে, কাৰণ তেনে লোক সেইবিলাকৰ মানত অতি তুচ্ছ। সেইবিলাকো বোধ হয় অসমীয়া নহয়— যেতিয়া ‘সৰু অসমীয়া মানুহৰ মন’ বোলা আপ্তবাক্য আচাৰ্যৰ পৰা গ্ৰহণ কৰি লৈছেই। তাৰে এজন আকৌ বোলে খেতিয়কৰ ল'ৰা তেওঁ আন কি পদাৰ্থ নাজানো, তেওঁৰ খেতিত কিন্তু পেংলাইহে গজে !!

* * * *

বহুত দিন আগতে শঙ্কৰী সংস্কৃতিৰ অঙ্গ সঙ্গীত আৰু নৃত্যৰ সম্যকভাৱে নহ'লেও কিছুৰ গৱেষণা আৰু লিখিত ৰূপ সৃষ্টিৰ যত্নৰ এটা সংকল্প লোৱা হৈছিল। নিজে সংগীতজ্ঞ-নৃত্যজ্ঞ নোহোৱা সত্ত্বেও এই সংকল্প, কাৰণ দেখা পাইছোঁ, বৰ্ত্তমান বৃদ্ধ সত্ৰীয়া বৰ-গায়ন-বৰবায়নসকলৰ যোৱাৰ লগে লগে সেই সঙ্গীত-নৃত্যও নিৰ্বাপিত হৈ যোৱাৰ উপক্ৰম কৰিছে। অসম সঙ্গীত-নাটক অকাদেমিৰ তিনিখন আঁচনিৰ যোগে কাম কৰি কৰাই তিনিখন সৰু গ্ৰন্থ প্ৰকাশ কৰা হৈ গৈছে— “স্বৰৰেখাত বৰগীত”, Rhythm in the Vaishnava Music of Assam আৰু “সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল” (Satriya Dances and Their Rhythms)। ধৃতৰাষ্ট্ৰৰ মৰমৰ আঁকোৱালত অসম সঙ্গীত-নাটক অকাদেমিৰ লৌহ-ভীম চূৰ্ণ হোৱাৰ পিছত মোক সভাপতি কৰি জন্ম লোৱা গুৱাহাটীৰ সঙ্গীত-সত্ৰৰ জৰিয়তে এখন আঁচনি হাতত লৈ নগাঁৱৰ শ্ৰৱণী-সত্ৰৰ নৃত্যৰ তালখিনিৰ তাললিপি আৰু তালৰ বিশ্লেষণ প্ৰস্তুত কৰা হ'ল এজন নিপুণ বাদ্যবিশাৰদৰ হতুৱাই। অসমত গল্প-উপন্যাসৰ প্ৰকাশক কিছু আছে, নাটকৰ প্ৰকাশক নাই বাবে আমাৰ অনেক বছৰ নাটক এখন নোলোৱাকৈয়ে যায়। নৃত্য-সংগীতৰ পুথি আৰু কোনে ছপাব ?— বিশেষকৈ স্বৰলিপি-তাললিপি ছপোৱাৰ খৰচ বেছি, সেইবোৰ বুজা-বজোৱা লোক অতি কম। আমাৰ “সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল”ৰ বাবে নানা লাঞ্ছনা সহি প্ৰকাশৰ দিহা কৰোঁতে কৰোঁতে এক দশকতকৈ অধিক সময় লাগিছিল। বৰ্তমানখনৰ বা গতি কি হয়— বিশেষকৈ মই অসমৰ পৰা আঁতৰি থকা বাবে—ক'ব নোৱাৰিছোঁ। আৰু আমাৰ এই দুৰ্গতিৰ চেলু লৈ অপবাদ ৰটনা কৰিবলৈ আগবাঢ়ি আহিল আচাৰ্য খৰ মন্ত্ৰ-শিষ্য খেতিয়কৰ ল'ৰা— কিতাপৰ মনে-পতা

নাম, মনে-পতা ৰূপ, মনে-পতা লেখক ( যি এটা কলীয়া আখৰো হয়তো লিখা নাছিল ) আৰু মনে-পতা প্ৰকাশক আৱিষ্কাৰ কৰি। অসম দেশখন মগৰ মুলুক হ'ল। শঙ্কৰী সংস্কৃতিৰ সম্পদ প্ৰলয়-জলত পৰাৰ সংবাদ সৃষ্টি কৰি তেওঁ হায়ঔ বিঔ লগাই দিছে; আনৰ সন্মানৰ ওপৰত আঘাত পৰা কথাৰ বাহিৰে তেওঁৰ বক্তব্য যেন আৰু নায়েই, তাৰ স্পষ্ট লক্ষণ দেখুৱাইছে। তেওঁৰ উদ্দেশ্য কি হব পাৰে? তাল আৰু তাললিপিৰ পাৰ্থক্য তেওঁ নেজানে, গ্ৰন্থ আৰু গ্ৰন্থকাৰ মানে কি ভু নাপায় ডেকাই। শঙ্কৰী সংস্কৃতি বুজাৰ বা ভাল পোৱাৰ কোনো লক্ষণ তেওঁত নাই—সেই সংস্কৃতিৰ অ:থ ক্ষুদ্ৰ কৰ্মী আমাকেই যেতিয়া এনে অভদ্ৰ ব্যৱহাৰ কৰিছে। সেই সংস্কৃতিৰ সম্পদটিত যাৰ স্বত্ব, সেই সঙ্গীত-সত্ৰৰ হাতৰ পৰা তাক আনি তেওঁৰ কথামতে কাৰোবাৰ হাতত দিলেহিয়েই যেন তেওঁৰ শান্তি হয়। তাত তেওঁৰ কি মহৎ উদ্দেশ্য লুক্কায়িত আছে?

এনে ডেকাৰ পৰা, এনে লেখাৰ পৰা দেশৰ ঐক্য আৰু সংহতি ৰক্ষিত হ'ব নে, সংহত হ'ব?

সেই ডেকাৰ লেখাত মোৰ প্ৰতি অসদিচ্ছা যথেষ্ট প্ৰকাশ পাইছে আৰু এইটোও প্ৰকাশ পাইছে যে তেনে ডেকাক উচটোৱা লোকৰো অভাৱ নাই। কিন্তু সেইসকল কোন? দেশৰ ঐক্য-সংহতি ভাল পোৱা লোক:ন? ডেকাই মোৰ শাৰীৰিক অসুবিধাৰ কথা কওঁতেও পেংলাই এৰা নাই। সেয়া সংস্কৃত মনৰে পৰিচয়নে? হয়তো এইবোৰ মাত্ৰ অৱজ্ঞাৰ যোগ্য কথা। এই কথা জানো দেশৰ সংস্কৃতিৰ হৈ মোৰ অনুষ্টুনীয়া সেৱাত দেশৰ প্ৰকৃত লোকৰ আশীৰ্বাদ উপচি আছে। এটি উদাহৰণ। যোৱা ২-৩ আহিনত যোৰহাটৰ বালিগাঁৱত সমবেত হোৱা চৈধ্যখনি গাঁৱৰ ৰাইজৰ সভাত 'সমূহীয়া নাম-প্ৰসঙ্গৰ অন্তত সৰ্বতোভাৱে শক্তিময় সুদীৰ্ঘ জীৱন ক.মনা কৰি শ্ৰীমন্ত গুৰুৰ চৰণত কাকুতি-কাৰ্পুণ্য জনোৱা হয়।' ৰাইজলৈ দণ্ডৱত। সিসকলে যি সংস্কৃতিৰ সেৱা কৰিছে, আমিও তাৰেই মাথোঁ শৰণীয়া সেৱক। কমিউনিষ্টসকলে যাক বুৰ্জোৱা বোলে, সেইসকলৰ ওপৰত মোৰো আস্থা নাই। মোৰ গভীৰ বিশ্বাস— অসমৰ তথা ভাৰতৰ সংস্কৃতি গাঁৱতেই সোমাই আছে। নগৰত সংস্কৃতিৰ বিষয়ে 'লেক্সাৰ জৰা' সকলে সেই সংস্কৃতিত মুকলি হৃদয় এখন লৈ শৰণ নোলোৱালৈকে সংস্কৃতিৰ ঐক্য-সংহতিৰ কথা কপটীয়া ৰাজনৈতিক স্লোগানৰ দৰে মাথোন হৈ থাকিব।

খুব হেঁপাহ হয়, গুৱাহাটীলৈ ঘুৰি গৈ সেই সংস্কৃতিৰ সেৱাতে



লাগোঁগৈ। সাহিত্য-সভাৰ সম্পাদক শ্ৰীনগেন শইকীয়াইতো কঠোৰ নিৰ্দেশকে পঠিয়াইছে; 'জাৰ হোৱাৰ লগে লগে আপোনাৰ ইটো-সিটো লাগি থাকিব পায়। পাৰিলে গুৱাহাটীলৈ কিছু দিনৰ বাবে গুচি আহিলেই ভাল যেন পাইছোঁ। কাৰণ, আপোনাৰ শৰীৰটো কেৱল আপোনাৰে নহয়, গোটেইখন অসমৰে।' সংস্কৃতিৰ এজন সহকৰ্মীয়ে আৰু স্পষ্টকৈ কৈছে, 'এতিয়া আপুনি আমাৰ মাজত থাককহি। আপুনি আমাৰ সকলোৰে বাবে এটা বিৰাট সাহস আৰু প্ৰেৰণা।' কমলাবাৰীৰ গোসাঁই প্ৰভুৱে আৰু সঙ্গীন কৰি লেখিছে, 'কিন্তু এইটো কথা ঠিক যে সত্ৰীয়া নৃত্যৰ কাৰণে যি কৰিছে, আপুনিহে কৰিছে। ...... আপুনি জীয়াই থাকোতেই বাকী থকা কিছু কাম কৰি যায় যেন।'

অসমৰ সংস্কৃতিৰ কৰ্ণধাৰসকলৰ কি নিৰ্দেশ?

মই 'দৈনিক অসম'ৰ সম্পাদকৰ লগতে বিশ্বাস কৰিছোঁ, 'ক্ৰমে নিম্নতম ভেটিৰ পৰাহে ৰাজ্যিক পৰ্যায়লৈ, তাৰপৰা দেশজুৰি, আন কি বিশ্বব্যাপী ঐক্য আৰু সংহতিৰ আকাশলঙ্ঘী সৌধ নিৰ্মাণ হ'ব পাৰে। আৰু নিম্নতম ভেটিত থকা জন সাধাৰণেই হ'ল তেনে আদৰ্শৰ মূল নায়ক-নায়িকা। সেই সকলক উপযুক্ত মৰ্যাদা দিয়াই হ'ল গণতান্ত্ৰিক আদৰ্শৰ মূল।'

—):০:(—

# দুখন নক্সা : ৮০ চনৰ

অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা

## জতুগৃহ : ২৬ মেই ১৯৮০

( ১ )
শকুনিৰ ষড়যন্ত্ৰ
হতবুদ্ধি সাধু-সন্ত,
ভেদ-বিভেদৰ তন্ত্ৰ
জতুগৃহ অগ্নি মন্ত্ৰ ॥

( ২ )
অন্ধৰাজ ধৃতৰাষ্ট্ৰ
শাস্ত্ৰত বিবেক নাই,
কুন্তীপুত্ৰ পঞ্চভ্ৰাতা
সন্ত্ৰাসত দিন যায় ॥

( ৩ )
নগ্নতা ফুকনবোৰে
ৰঘুমলা-পত্নী পাই,
বদনৰ নাম গাই
দেশখন বেচি খায় ॥

( ৪ )
সংখ্যালঘু দিৱসত
অসুৰ উন্মত্ত হ'ল,
পৰিল শনিৰ দশা
একত্ৰিত পশুবল ॥

( ৫ )
হাউলী বাউলী হ'ল
শোকাকুল গাওঁ-ভূঁই,
উত্তপ্ত ঢেকীয়াজুলি
তিনিচুকীয়াত জুই ॥

( ৬ )
বিজনি বঙাইগাও
ৰাক্ষসীৰ হাওমাও,
অধৰ্মৰ ৰণচালি
কথা শুনি তল যাওঁ ॥

( ৭ )
বেপৰোৱা বেদখল
চলি আছে চিৰন্তন,
বেল-নগৰত ঘাটি
বাৰুদৰ বিস্ফোৰণ ॥

( ৮ )
অশান্তিৰ কালৰাতি
বিভ্ৰান্তিৰ বৰেপুৰা,
ধ্বংসস্তূপ জতুগৃহ
কন্দাকটা হৰা দূৰা ॥



( ৯ )
চোৰেই গৃহস্থ হয়
আছামীয়ে বিচাৰক,
অসহায় বিদুৰৰ
দুখ-কষ্ট ভয়ানক ॥

( ১০ )
পুতনাই মাৰে চলি
বকাসুৰে খায় বলি,
অভিমন্যু পৰে ঢলি
কলি হ'ল মহাবলী ॥

## চক্ৰবেহু : ২৮ নৱেম্বৰ (৮০)

( ১ )
আচম্বিতে অতৰ্কিতে
জ্বলি উঠে অগ্নিযাগ,
নিমাসিত কটনত
জাগে জালিৱানাবাগ ॥

( ২ )
ৰণজিতৰ কেঁচাতেজ
আজিও যে মজিয়াত,
হেমন্তৰ ব্ৰহ্মপুৰা
বিনামেঘে বজ্ৰপাত ॥

( ৩ )
গোবিন্দও নিৰানন্দ
বাণীতীৰ্থ থানবান,
হক বা নহক দোষী
পাইকাৰী শাস্তিদান ॥

( ৪ )
নিদ্ৰামগ্ন ছাত্ৰাবাস
সন্ত্ৰাসে কৰিলে গ্ৰাস,
দলে দলে পঙ্গপাল
শমনৰ ক্ৰিতদাস ॥

( ৫ )
মৰি হোৱা নাই ভূত
ৰূটিছৰ অন্ধকূপ,
বন্ধ বাছ কাৰাগাৰ
তাৰেই কদৰ্য্যৰূপ ॥

( ৬ )
পৈশাচিক অভিযান
জানোৱাৰ যমদূত,
সজ্জনৰ হাহাকাৰ
দুৰ্জনৰ হৰিলুট ॥

( ৭ )
আইনৰ নাম নাই
বিচাৰকো আঁতৰত,
মানৱতা অন্তৰ্দ্ধান
ৰামৰাজ্য অসমত ॥

( ৮ )
দুখৰ উপৰি দুখ
অসমীৰ কপালত,
সংখ্যালঘু ৰাজবধূ
সংখ্যাগুৰু মৰ্মাহত ॥

( ৯ )
দেশ আজি অৰাজক
বিধায়ক ক্ষমতালুব্ধ,
হৰষিত দুষ্টগ্ৰহ
চমকিত কৃষ্ণ-বুদ্ধ ॥

( ১০ )
শাসনৰ ফৰ্মান
যমডাকিনীৰ গান,
কটনত চক্ৰবেহু
মানৱতা হ'ল ম্লান ॥ **

বিহুলওনিলৈ শুভেচ্ছাৰে—

বি, কে, ফাৰ্মা ডিষ্ট্ৰিবিউটৰচ্

হয়বৰগাওঁ ঃ নগাওঁ

অসম সাহিত্য সভাৰ অষ্টাচত্বাৰিংশ অধিবেশন উপলক্ষে

বিহুলওনিলৈ

শুভেচ্ছাৰে

ষ্টীল চেলচ্ কৰ্পোৰেচন্

আঠগাওঁ ঃ গুৱাহাটী

জনপ্ৰিয় সৰস পয়েকীয়া

বিহলঙনিলৈ

শুভেচ্ছাৰে

**নিউ ৰাইচ এণ্ড অইল মিল**

ৰহা : নগাওঁ

## উপদেশতকৈ উদাহৰণ শ্ৰেয়

- আপোনাৰ পৰিয়ালৰ সংখ্যাৰ আপুনি বিচাৰ লওক ।
- আৰ্জ্জন চাই ভগনতহে — সন্তানে উপযুক্ত স্বাস্থ্য আৰু শিক্ষা পায় ।
  পৰিয়ালৰ অন্ন বস্ত্ৰৰ সমাধান হয় ।
  ঘৰখন সুখ আৰু শান্তিৰে ভৰি পৰে ।
- এটি সন্তানৰ জন্মৰ পাচত — পাচৰ সন্তান অহালৈ সময়খিনি অমূল্য । সেই অমূল্য সময়ৰ ভিতৰতে প্ৰথম সন্তানে পিতৃ মাতৃয়ে দিব পৰা লালন পালন, আহাৰ, স্বাস্থ্য আৰু শিক্ষাৰ সুবিধা পায় । আৰু সেই সময়তে মাতৃ গৰাকীয়ে হেৰোৱা স্বাস্থ্য ঘূৰাই পায় ।
- সকলো ধৰ্ম্মতে একমত — পালন কৰিব নোৱাৰা শিশুৰ জন্ম নিদিব । সন্তানৰ বয়সৰ ব্যৱধান কমেও ৪ বছৰ হব লাগে ।
- শিশুৰ স্বাস্থ্য গঢ়িবলৈ আৰু মহামাৰীৰ পৰা ৰক্ষা পাবলৈ বিজ্ঞান সন্মত ব্যৱস্থা আছে ।

**জানিবলৈ হলে কাষৰ চিকিৎসালয়ত খবৰ কৰক ।**

(নগাওঁ জিলা পৰিয়াল কল্যাণ বিভাগৰ দ্বাৰা প্ৰচাৰিত ।)

**স্বাস্থ্যৰক্ষাৰ বিষয়ে একনমানিও চিন্তাকৰা**
**প্ৰতিজন ব্যক্তিৰ বাবে**

ডাঃ নগেন দত্তৰ— সহজ সৰল কথিত ভাষাৰে লিখা
গ্ৰন্থ কেইখন পঢ়িছেনে— ?

| | | |
|---|---|---|
| (১) | 'জীয়াই থকাৰ আশাৰে' — | ৮.০০ টকা |
| (২) | 'মা-সোণ ৰতৰা'— | ৬.০০ ,, |
| (৩) | 'দুৰ্ঘটনাত প্ৰথম সহায়' — | ৫.০০ ,, |
| (৪) | ৰব ৰব বেমাৰৰ সৰু সৰু কথা — | ৬.০০ ,, |
| (৫) | যক্ষ্মাৰোগৰ চিকিৎসা ঘৰতো সম্ভৱ— | ২.০০ ,, |

লগতে পঢ়কছোন দুখন নতুন ধৰণৰ কিতাপ—

| | | |
|---|---|---|
| ডাঃ দত্তৰ— | মৃত্যুৰ ইপাৰে আৰু সিপাৰে — | ৩.০০ ,, |
| শ্ৰীউৎপল দত্তৰ | চলচ্চিত্ৰ কথা — | ৬.০০ ,, |

কাষৰ দোকানত খবৰ কৰক— নতুবা আমালৈ লিখক ।
নীলিমা প্ৰকাশ ঃ নগাওঁ আমোলাপট্টি ঃ ৭৮২০০১

★ ৰাজহুৱা সংগ্ৰহ আৰু বিতৰণত ★

এইটো মাথো নাম

## ॥ ষ্টেট্ ফেড্ ॥

সম্প্ৰতি ষ্টেট্‌ফেডে গ্ৰহণ কৰিছে এক বিৰাট

● বনস্পতি প্লেণ্ট্ ●

উত্তৰ-পূব ভাৰতত ই এক সুবৃহৎ উদ্যোগ—

● আশা কৰা হৈছে ●

ইয়াৰ প্ৰত্যক্ষ আৰু পৰোক্ষভাবে সহস্ৰাধিক ব্যক্তিয়ে সংস্থাপন লাভ কৰিব পাৰিব।

## ষ্টেট্ ফেড্

নগাঁও
অসম

আদৰৰ বিহুটিৰ লগতে আপোনাৰ হেপাহৰ গ্ৰন্থখিনিকো আদৰি লওক—

# বিশেষ ৰেহাই মূল্যত অসম প্ৰকাশন পৰিষদৰ অমূল্য গ্ৰন্থ সম্ভাৰ

গ্ৰন্থপ্ৰেমী ৰাইজ আৰু গ্ৰন্থ বিক্ৰেতালৈ নৱবৰ্ষৰ শুভেচ্ছা জনাই আমি আনন্দেৰে ঘোষণা কৰিছো যে ৰঙালী বিহু আৰু সাহিত্য সভাৰ অধিবেশন উপলক্ষে অহা ১০ এপ্ৰিল, ১৯৮১ তাৰিখৰ পৰা ৩১ মে' লৈকে আমাৰ প্ৰকাশিত সকলো গ্ৰন্থ তলত দিয়া দৰে বিশেষ ৰেহাই মূল্যত বিক্ৰী কৰা হ'ব ঃ

১। আৰম্ভণিৰ পৰা ১৯৬৮ চনৰ ৩১ ডি:চেম্বৰলৈকে প্ৰকাশিত গ্ৰন্থৰ প্ৰতিখনত শতকৰা ৫০ ভাগ।

২। ১৯৬৯ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৭৮ চনৰ ৩১ ডিচেম্বৰলৈকে প্ৰকাশিত গ্ৰন্থৰ প্ৰতিখনত শতকৰা ৪০ ভাগ।

৩। ১৯৭৯ চনৰ ১ জানুৱাৰীৰ পৰা বৰ্তমানলৈকে প্ৰকাশিত গ্ৰন্থৰ প্ৰতিখনত শতকৰা ২৫ ভাগ।

৪। জ্যোতিপ্ৰসাদ ৰচনাৱলী আৰু হস্তিবিদ্যাৰ্ণৱ গ্ৰন্থৰ প্ৰতিখনত শতকৰা ১০ ভাগ আৰু দহকপি বা তাতকৈ বেছি ললে শতকৰা ২৫ ভাগ ৰেহাই।

* গ্ৰন্থ অধ্যয়ণ অভ্যাসত পৰিণত কৰক।
* গ্ৰন্থ-ক্ৰয় আপোনাৰ মাহিলী বাজেটৰ অন্তৰ্ভুক্ত কৰক।

তিনিচুকীয়াত অনুষ্ঠিত হ'বলগা সাহিত্য সভাৰ অধিবেশন উপলক্ষে আয়োজিত প্ৰদৰ্শনীস্থলিত "এই পৰিষদৰ গ্ৰন্থ বিপণীত" 'জ্যোতিপ্ৰসাদ ৰচনাৱলী'কে ধৰি আমাৰ সকলো গ্ৰন্থ উক্ত ৰেহাই মূল্যত কিনিবলৈ পাব। লগতে মে' সংখ্যা আমাৰ 'প্ৰকাশ' আলোচনীও পাব ঃ এই সংখ্যাৰ বিশেষ আকৰ্ষণ অসমৰ কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে সাহিত্য সংস্কৃতিৰ জগতত অসম সাহিত্য সভাৰ ঐতিহাসিক ভূমিকা কেনে হোৱা উচিত এই বিষয়ে আগবঢ়োৱা সুচিন্তিত অভিমত। গুৱাহাটীৰ বামুনিমৈদামৰ আমাৰ পৰিষদ ভৱনত গ্ৰন্থৰাশি কিনিবলৈ পাব।

ভি, পি ডাকত কিতাপ পঠিওৱা হয়
গ্ৰন্থতালিকাৰ বাবে আমালৈ লেখক

## অসম প্ৰকাশন পৰিষদ

গুৱাহাটী—৭৮১০২১

নগাৱঁৰ পুথিঘৰ প্ৰেছত শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীৰ দ্বাৰা মুদ্ৰিত।

সম্পাদক ॥ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী